Content includes AI-generated material

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

**নিশা উত্তপ্ত হ'ল গুৱাহাটী বিশ্ববিদ্যালয়**



বিতং বাতৰি ৫ নং পৃষ্ঠাত

MONDAY, FEBRUARY 24, 2025 ■ সোমবাৰ, ১১ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৫৯ Guwahati, Assam ।। মূল্যঃ এটকা

## ‘মন কী বাত’ত ঘোষণা
## প্ৰেৰণাদায়ক মহিলাক মোদীৰ বিশেষ উপহাৰ

নতুন দিল্লী, ২৩ ফেব্ৰুৱাৰীঃ এইবাৰ ৰাষ্ট্ৰীয় নাৰী দিৱসত এক নতুন পদক্ষেপ গ্ৰহণ কৰিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ ৪ পৃষ্ঠাত



অভিলেখ গঢ়িবলৈ সাজু ঝুমুৰ শিল্পী, দেওবাৰে সৰুসজাইৰ এক নান্দনিক দৃশ্য

## পুৰণি কৰ্মীক এলাগী নকৰিব! সৰৱ ৰাজেন

ই-সংবাদ, ২৩ ফেব্ৰুৱাৰীঃ পুৰণি বিজেপি একত্ৰিত নহ'লে ২০২৬ চনত ৪ পৃষ্ঠাত চাওক

## প্ৰধানমন্ত্ৰী মোদীৰ আগমনক লৈ ৰাজ্যত কটকটীয়া নিৰাপত্তা

# সৰুসজাইত আজি ঝুমুৰে গঢ়িব বিশ্ব অভিলেখ

## ২০৩১ চনত জাতীয়তাবাদীৰ চৰকাৰঃ লুৰীণ

ই-সংবাদ, সোণাৰি, ২৩ ফেব্ৰুৱাৰীঃ নিজৰ চিন্তাত দৃঢ়তা থকাৰ লগতে ৬ পৃষ্ঠাত চাওক

## আজমলৰ হেৰাল সংযম

ই-সংবাদ, ২৩ ফেব্ৰুৱাৰীঃ হিমন্ত বিশ্ব শৰ্মাই অখিল গগৈৰ পত্নী গীতাশ্ৰী ৪ পৃষ্ঠাত চাওক

## তিতাবৰৰ চাউলত আৰ্ছেনিক! ক্ষুব্ধ ৰাইজ



বিতং বাতৰি ১৬ পৃষ্ঠাত

## ■ এডভাণ্টেজ আছামত ভাগ ল'বলৈ নিশাই যোৰহাটত বিদেশ মন্ত্ৰী

ই-সংবাদ, ২৩ ফেব্ৰুৱাৰীঃ এডভাণ্টেজ আছাম ২.০ৰ লগতে বিশ্ব অভিলেখ গঢ়িবলৈ আয়োজন কৰা ঝুমুৰ নৃত্যৰ অন্তিম আখৰা চলি থকাৰ মাজতে আজি ৫ পৃষ্ঠাত চাওক




মুখ্যমন্ত্ৰীয়েও নাচিলে এপাক...

## দিল্লীত বিৰোধী দলপতি নিৰ্বাচিত আতিশী মাৰ্লেনা

নতুন দিল্লী, ২৩ ফেব্ৰুৱাৰীঃ মুখ্যমন্ত্ৰীৰ আসন এৰাৰ পিছত বিৰোধীৰ আসনত ৬ পৃষ্ঠাত

### মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান অখিলৰ
## সাৰদা দুৰ্নীতিত নিজেই নিজৰ তদন্ত কৰিছে হিমন্তই!

ই-সংবাদ, ২৩ ফেব্ৰুৱাৰীঃ শাম কটাৰ লক্ষণ নাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা বিধায়ক অখিল গগৈৰ পত্নীকেন্দ্ৰিক বাকযুদ্ধৰ। গৌৰৱ গগৈৰ ২ পৃষ্ঠাত



## কিহৰ কি তদন্ত লাগে বুলি অখিলক হিমন্ত বিশ্বৰ প্ৰশ্ন


ই-সংবাদ, ২৩ ফেব্ৰুৱাৰীঃ বিধায়ক অখিল গগৈ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মাজত বাকযুদ্ধ তুংগত উঠিছে। দুয়োগৰাকী নেতাই গীতাশ্ৰী তামুলীৰ চাকৰিক শেষাংশ ৩ পৃষ্ঠাত

## ভৰিৰ সলনি পেটত কৰিলে অপাৰেশ্যন! জিএমচিএইছত ভয়ংকৰ কাণ্ড
### বাক্সাৰ শিশুৰ মৃত্যু

ই-সংবাদ, মুছলপুৰ, ২৩ ফেব্ৰুৱাৰীঃ বাক্সা জিলাৰ শিমলা থানাৰ অন্তৰ্গত ডুবাগাঁওৰ এজনী ন বছৰীয়া ৬ পৃষ্ঠাত

## ৱাশ্বিংটন পোষ্টে উদঙালে ড'নাল্ড ট্ৰাম্পে ভাৰতক লৈ কৰা মিথ্যাচাৰ, দিয়া নাই ধন!

ৱাশ্বিংটন, ২৩ ফেব্ৰুৱাৰীঃ ভাৰতৰ নিৰ্বাচনত আমেৰিকাৰ আৰ্থিক সাহায্যৰ দাবীক লৈ ৰাজনৈতিক উত্তেজনাৰ সৃষ্টি হৈছে দুয়োখন দেশতে। শেষাংশ ২ পৃষ্ঠাত



### তৃতীয়বাৰ অসমত চৰকাৰ গঠনত গুৰুত্ব
## অসমৰ স্বয়ংসেৱকক পঞ্চ মন্ত্ৰ মোহন ভাগৱতৰ

ই-সংবাদ, ২৩ ফেব্ৰুৱাৰীঃ ২০২৬ চনত অসম বিধানসভা নিৰ্বাচন। বিধানসভা নিৰ্বাচনত অসমত বিজেপিৰ সমান্তৰালকৈ ৩ পৃষ্ঠাত



### ভূপেন বৰাৰ কটাক্ষ
## মৃত ব্যক্তিৰ আত্মাকো নেৰে মুখ্যমন্ত্ৰীয়ে!

গুৱাহাটী, ২৩ ফেব্ৰুৱাৰীঃ শাসনৰ গাদী খামুছি ৰখাৰ স্বাৰ্থত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মৃত মানুহৰ আত্মাকো ৫ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সাৰদা দুৰ্নীতিত নিজেই নিজৰ তদন্ত

বিদেশী পত্নী এলিজাবেথৰ পিছত শেহতীয়াকৈ বিধানসভাৰ মজিয়াত মুখ্যমন্ত্ৰীৰ সমালোচনাৰ লক্ষ্য হৈ পৰিছিল অখিল গগৈৰ পত্নী অধ্যাপিকা ড০ গীতাশ্ৰী তামুলী। অখিলৰ পত্নীয়ে বি বৰুৱা কলেজত অনৈতিকভাৱে নিযুক্তি লাভ কৰা বুলি মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যৰ পিছতে গীতাশ্ৰী তামুলীৰ চাকৰি আৰু তেওঁলোকৰ চানমাৰিস্থিত বাসগৃহৰ তদন্ত কৰিবলৈ দাবী কৰিছিল অখিল দম্পতীয়ে। কিন্তু ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে কথাৰ পৰা ফালৰি কাটি শনিবাৰে অখিল গগৈৰ পত্নী ড০ গীতাশ্ৰী তামুলীৰ চাকৰি আৰু নিজৰাপাৰৰ বাসগৃহ সম্পৰ্কীয় অভিযোগৰ তদন্ত গগৈয়ে নিজেই কৰিব লাগিব বুলি মন্তব্য কৰাৰ পিছত এই বিতৰ্কই নতুন ৰূপ লৈছে। মুখ্যমন্ত্ৰীৰ এই মন্তব্যৰ প্ৰতিক্ৰিয়া দি সৰৱ হৈ পৰিছে বিধায়ক অখিল গগৈ। পত্নীৰ নিযুক্তি আৰু তেওঁলোকৰ বাসগৃহৰ তদন্তৰ দাবী পুনৰবাৰ সজোৰে উত্থাপন কৰি তেওঁৰ পত্নীৰ চাকৰিৰ ক্ষেত্ৰত হিমন্ত বিশ্ব শৰ্মাই বাধাৰ সৃষ্টি কৰাৰো অভিযোগ উত্থাপন কৰে অখিল গগৈয়ে। নিজৰাপাৰৰ বাসগৃহত দেওবাৰে সংবাদিকক সম্বোধন অখিল গগৈয়ে কয়, "ড০ গীতাশ্ৰী তামুলীয়ে চাকৰি পোৱাৰ ক্ষেত্ৰত তেতিয়াৰ শিক্ষামন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিধায়ক জয়ন্ত মল্লবৰুৱা আৰু পীযুষ হাজৰিকাই বাধাৰ সৃষ্টি কৰিছিল।" তেওঁ আৰু কয় যে, ২০ ফেব্ৰুৱাৰীৰ বিধানসভাৰ অধিৱেশনত মুখ্যমন্ত্ৰীয়ে পত্নী গীতাশ্ৰী তামুলীৰ নিযুক্তি আৰু নিজৰাপাৰৰ বাসগৃহ সম্পৰ্কে বিতৰ্কিত মন্তব্য কৰিছিল। গগৈয়ে কয়, "মুখ্যমন্ত্ৰীয়ে কৈছিল যে গীতাশ্ৰী তামুলীৰ নিযুক্তি অবৈধ আৰু চেন্দেল পিন্ধা আন্দোলনকাৰীয়ে কেনেকৈ চানমাৰিত মাটি কিনিব পাৰে। মই তেতিয়া তেওঁক প্ৰত্যাহ্বান জনাইছিলোঁ আৰু তেওঁ সেই প্ৰত্যাহ্বান গ্ৰহণ কৰিছিল।" অখিল গগৈয়ে কয় যে মুখ্যমন্ত্ৰীৰ মন্তব্যৰ পিছতে ২১ ফেব্ৰুৱাৰীত ড০ গীতাশ্ৰী তামুলীয়ে উচ্চ শিক্ষা সঞ্চালকালয়ৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন চিঠি পঠিয়াই তেওঁৰ নিযুক্তিৰ তদন্ত কৰিবলৈ প্ৰত্যাহ্বান জনায়। "কালি মুখ্যমন্ত্ৰীয়ে ক'লে যে আমাক নিজে তদন্ত কৰিবলৈ দিয়া হৈছে। কিন্তু নৈতিকতাৰ কথা ক'বলৈ হ'লে, নিজৰাপাৰৰ ঘৰটো মোৰ পত্নীয়ে ঋণ লৈ কিনিছে। তিনিটা কোঠাযুক্ত সৰু ঘৰ এটা আজিকালি কোনো বিধায়কৰ নাই। যদি চাকৰিত কোনো অনিয়ম হৈছে, তেন্তে গীতাশ্ৰী তামুলীক চাকৰিৰ পৰা অব্যাহতি দিয়ক। যদি কোনো কেলেংকাৰী হৈছে, তেন্তে তেওঁক গ্ৰেপ্তাৰ কৰক।" - অখিল গগৈয়ে পুনৰ প্ৰত্যাহ্বান জনায় মুখ্যমন্ত্ৰীক। একে সময়তে পত্নীৰ নিযুক্তি সম্পৰ্কে অখিল গগৈয়ে কয় যে, চাৰিগৰাকী সন্মানীয় শিক্ষাবিদৰ সদস্য থকা ব'ৰ্ডে তেওঁক নিৰ্বাচিত কৰিছিল। সেই নিযুক্তি ব'ৰ্ডৰ সদস্য আছিল টাবুৰাম টাইড, বিশ্বেশ্বৰ হাজৰিকা, ড০ গোলোকেশ্বৰ গোস্বামী আৰু লীলাৱতী শইকীয়া বৰা। তিনিদিনীয়া সাক্ষাৎকাৰৰ পিছত তেওঁক নিৰ্বাচিত কৰা হৈছিল। বিধায়ক অখিল গগৈয়ে লগতে এই বিস্ফোৰক অভিযোগো কৰে যে নিৰ্বাচিত হোৱাৰ পিছতে গীতাশ্ৰী তামুলীক চাকৰিত যোগদান কৰিবলৈ দিয়া হোৱা নাছিল। পৰৱৰ্তী সময়ত যেতিয়া তেওঁৰ ফাইল তেতিয়াৰ মুখ্যমন্ত্ৰী তৰুণ গগৈৰ ওচৰ পালে, তাৰ পিছতে তেওঁক ক্লীনশ্বিট দিয়া হৈছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ক্ষুৰধাৰ সমালোচনা কৰি অখিলে সংবাদমেলত মুখ্যমন্ত্ৰীৰ পত্নীৰ অবাধ সম্পত্তিৰ প্ৰসংগও উত্থাপন কৰে। তেওঁ কয়, "মুখ্যমন্ত্ৰীয়ে নিজৰ কণমানি ছোৱালীজনীৰ নামত দুখন গাড়ী কিনিছিল। পাঁচ বছৰীয়া ছোৱালী এজনীয়ে গাড়ী কিনিব পাৰেনে? যদি তেওঁৰ ইমান নৈতিকতা আছে, তেন্তে তেওঁ নিজৰ ভাতৃ দুজনৰ চাকৰিৰ তদন্ত কৰক।" অখিল গগৈয়ে মুখ্যমন্ত্ৰীক এপিএছচি কেলেংকাৰীৰ তদন্ত চিবিআইৰ জৰিয়তে কৰিবলৈ আহ্বান জনাই কয়, "অসমৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত আৰু মাফিয়া মানুহজন আজি মুখ্যমন্ত্ৰী হৈ আছে। তেওঁ যদি সাহসী হয়, তেন্তে এপিএছচিৰ কেলেংকাৰীৰ তদন্ত কৰক।" উল্লেখ্য যে, অখিল গগৈৰ পত্নী তথা বি বৰুৱা কলেজৰ অধ্যাপিকা গীতাশ্ৰী তামুলীৰ দৰে অধ্যাপিকা অসমৰ কলেজত অতি কম সংখ্যক আছে বুলি ইতিমধ্যে সামাজিক মাধ্যমত আলোচনা চলিছে। তেওঁৰ জ্ঞান, দক্ষতা আৰু শিক্ষণ পদ্ধতি অনন্য বুলি দাবী কৰিছে তেওঁৰ প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষাৰ্থীসকলে। এনে পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীৰ দৰে সন্মানীয় আসনত বহি হিমন্ত বিশ্ব শৰ্মাই ড০ গীতাশ্ৰী তামুলীক কেৱল বিৰোধী বিধায়ক অখিল গগৈৰ পত্নী হোৱাৰ বাবেই আক্ৰমণৰ লক্ষ্য কৰি লোৱা কাৰ্য্যক গৰিহণা দিছে শৈক্ষিক মহলে। ইফালে, অখিলৰ সংবাদমেলৰ পিছতে মুখ্যমন্ত্ৰীয়েও সংবাদমেলত অখিলক আক্ৰমণ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৱাশ্বিংটন পোষ্টে উদঙালে ড'নাল্ড ট্ৰাম্পে

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে একেৰাহে তিনিবাৰকৈ ভাৰতীয় নিৰ্বাচনত আমেৰিকাৰ অনুদানৰ বিষয়টো উত্থাপন কৰাৰ পিছতে বিষয়টোক লৈ চৰ্চা তীব্ৰতৰ হৈ পৰে দুয়োখন দেশত। অৱশ্যে ভাৰতলৈ আমেৰিকাৰ অনুদানৰ দাবী সন্দৰ্ভত তদন্ত চলোৱা ৱাশ্বিংটন পোষ্টকে ধৰি আমেৰিকাৰ কেইবাটাও সংবাদ মাধ্যমে এনে কোনো লেনদেন দুয়োখন দেশৰ মাজত হোৱা নাছিল বুলি দাবী কৰিছে। ভাৰতীয় সংবাদ মাধ্যমৰ এক তদন্তমূলক প্ৰতিবেদনে এই বিষয়টো চৰ্চালৈ অনাৰ পিছতে বিতৰ্ক আৰু তীব্ৰতৰ হৈ পৰে। শুকুৰবাৰে গৱৰ্ণৰসকলৰ কাৰ্যনিৰ্বাহক অধিৱেশনত ভাষণ দি ট্ৰাম্পে পুনৰ এই বিষয়টো উত্থাপন কৰে। তেওঁ কয়, "ভাৰতত ভোটাৰক বুথলৈ নিবলৈ মোৰ বন্ধু প্ৰধানমন্ত্ৰী মোদীৰ দেশলৈ ১৮২ কোটি টকা গৈ আছে। কিন্তু আমেৰিকাই ভাৰতৰ ভোটৰ প্ৰতি কিয় গুৰুত্ব দিব লাগে? আমেৰিকাত ভোটাৰসকলেও ভোটাৰক বুথলৈ লৈ যোৱাটো প্ৰয়োজন!" তেওঁ দাবী কৰে যে এই অনুদান বাইডেন প্ৰশাসনৰ সিদ্ধান্ত আছিল, যিটো তেওঁ একেবাৰেই সমৰ্থন নকৰে। ইফালে, ৱাশ্বিংটন পোষ্টৰ এক প্ৰতিবেদন অনুসৰি, ২০০৮ চনৰ পৰা ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াত আমেৰিকাই কোনো ধৰণৰ আৰ্থিক সাহায্য প্ৰদান কৰা নাই। যদিও আমেৰিকা প্ৰশাসনে আৰ্থিক সাহায্যৰ এই দাবী অস্বীকাৰ কৰিছে, ট্ৰাম্পে বাৰে বাৰে এই কথা উত্থাপন কৰি নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। অন্যহাতে, ভাৰতৰ ৰাজনৈতিক মহলসমূহেও এই বিষয়ত সৰৱ হৈ পৰিছে। ইলন মাস্কে এক্স হেণ্ডেলত ভাৰতলৈ অনুদান বন্ধ কৰাৰ ঘোষণা কৰাৰ পিছতে কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ হৈ পৰিছিল শাসকীয় বিজেপি। অমিত মালব্যই এই ধন কংগ্ৰেছৰ পক্ষত ব্যৱহাৰ হোৱাৰো অভিযোগ তুলিছিল। একে সময়তে কংগ্ৰেছেও এই অনুদান সন্দৰ্ভত ঘেৰিবলৈ চেষ্টা কৰি আহিছে শাসকীয় দলটোক। এতিয়া বিভিন্ন সংবাদ সংস্থাই কৰা দাবীক লৈ নতুন আলোচনা আৰম্ভ হৈছে। ভাৰতত ভোটদানৰ হাৰ বৃদ্ধিৰ বাবে আমেৰিকাই অনুদান আগবঢ়োৱাৰ প্ৰসংগ ট্ৰাম্পৰ কেৱল নিৰ্বাচনী ৰাজনীতিৰ অংশ নেকি, তাক লৈও সন্দেহৰ সৃষ্টি হৈছে।

# শিৱসাগৰৰ বেতবাৰীৰ লুথুৰী চেতিয়াত অগ্নিকাণ্ড

**ই-সংবাদ, শিৱসাগৰ, ২৩ ফেব্ৰুৱাৰীঃ**
শিৱসাগৰৰ বেতবাৰী লুথুৰী চেতিয়াত আজি সন্ধিয়া এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। লুথুৰী চেতিয়াস্থিত এখন ৰাবাৰ বাগানত জুই লগাত হুৱাদুৱা লাগে অঞ্চলটোত। পলকু চেতিয়া পাটৰ নামৰ ব্যক্তিজনৰ প্ৰায় ৯ বিঘাৰ ৰাবাৰ বাগানখনত এই অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। কোনো দুষ্কৃতিকাৰীয়ে গছৰ তলত পৰি থকা পৰি থকা সৰা পাতসমূহত জুই লগাই দিয়াৰ ফলতে এই অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে। লক্ষ্যণীয় যে বাগানৰ চৌপাশে গছৰ সৰাপাত পৰি থকাত বৃহত্তৰ এলেকা জুইৰ লেলিহান শিখাই আগুৰি ধৰে। বহু সময় ধৰি জুই লাগি আছিল যদিও অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হোৱাৰ পূৰ্বে স্থানীয় লোকৰ তৎপৰতাত সমীপৰ বাসগৃহসমূহলৈ জুই বিয়পি পৰাৰ আগেয়ে নিৰ্বাপিত কৰিবলৈ সক্ষম হয়। অগ্নিকাণ্ডৰ ফলত যথেষ্ট ক্ষতি হয় বাগানখনৰ। এই সন্দৰ্ভত আৰক্ষী-প্ৰশাসনক লিখিত অভিযোগ দিব বুলি সদৰি কৰিছে পলকু চেতিয়া পাটৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কিহৰ কি তদন্ত লাগে বুলি অখিলক

লৈ অভিযোগ-প্ৰতিভিযোগ অব্যাহত ৰাখিছে। আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ফলত ৰাজনীতি গৰম হৈ পৰিছে। পুনৰ কটাক্ষ কৰি অখিল গগৈৰ পত্নী গীতাশ্ৰী তামুলীৰ চাকৰিক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে গীতাশ্ৰী তামুলীক চোকা প্ৰাৰ্থীক বঞ্চিত কৰি চাকৰি লোৱাৰ অভিযোগক জোৰ দি সেই একেই অভিযোগ পুনৰ দোহাৰিলে। আজি পুনৰ অখিল গগৈয়ে সংবাদমেলযোগে পত্নীৰ চাকৰিক লৈ মুখ্যমন্ত্ৰীয়ে অনা অভিযোগক লৈ পুনৰ তদন্ত দাবী কৰিছিল যদিও মুখ্যমন্ত্ৰীয়ে তদন্ত কিয় লাগে বুলি প্ৰশ্ন কৰে। মুখ্যমন্ত্ৰীয়ে আজি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, "তদন্ত কিয় লাগে? ইমান ধুনীয়াকৈ কথাবোৰ স্পষ্ট। তদন্ত ৰাইজে কৰিয়েই দিলে। তেওঁ এতিয়া তদন্ত মানে কি বিচাৰিছে? মাতি আনি জেলত ভৰাম? তদন্ত হৈয়ে গ'ল তেখেতে ছেকেণ্ড ডিভিজন পাইছে। তদন্ত কেতিয়া হ'ব যেতিয়া কোনোবাই ক'ব যে মই ছেকেণ্ড ডিভিজন পোৱা নাই চৰকাৰে ভুলকৈ কৈছে। সূৰ্য পূবৰ পৰা ওলায়। ইয়াৰ ওপৰত তদন্ত হয় নেকি? অখিল গগৈয়ে কি তৰ্ক, বিতৰ্ক কৰি আছে নাজোনা।" উল্লেখ্য যে ডালিমা কাকতি কাকতি নামৰ মহিলা এগৰাকীয়ে তেওঁক বঞ্চিত কৰি গীতাশ্ৰীক চাকৰি দিয়া বুলি ছ'চিয়েল মিডিয়াযোগে গুৰুতৰ অভিযোগ আনিছিল। আজি সেই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে ঢেকিয়াজুলি কলেজৰ প্ৰৱক্তাগৰাকীয়ে টিভি চেনেলত, বাতৰি কাকতত কৈ দিলে যে তেওঁতকৈ মোৰ নম্বৰ বেছি আছিল। তাৰ পিছতে অখিল গগৈয়ে ক'লে মোৰ পত্নী গল্ড মেডেলিষ্ট। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ক'লে যে তেতিয়া আমাৰ কোনো গল্ড মেডেলিষ্টৰ ব্যৱস্থাই নাছিল। ইয়াৰ ওপৰত কি তদন্ত লাগে মই বুজি পোৱা নাই। চাকৰিটো ল'লে। এতিয়া তদন্ত কি কৰিম। তেতিয়া টাবুৰাম টাইদ ডাঙৰীয়া আছিল। মই মৃত মানুহজনক লৈ কি তদন্ত কৰিম। মই তেখেতক মাতি আনি সুধিব লাগিব নেকি যে তেখেতক কোনে ৰিকুৱেষ্ট কৰিছিল। মই পলোৱাৰ কথাটো হ'ল কেনেকৈ। যদি কথাটো হ'লহেঁতেন যে মুখ্যমন্ত্ৰীয়ে কথাটো ভুলকৈ কৈছে। সেই সময় তেওঁতকৈ চোকা ছোৱালী কোনো নাছিল। এতিয়া ডালিমা কাকতি জলজল-পটপটপকৈ কৈ আছে। মই তদন্ত কৰিলে কি কৰিম। আৰক্ষীৰ হতুৱাই দুয়োজনৰে মাৰ্কচিট আনিব লাগিব। আদালতত কৈ দিম দুয়োজনৰ ভিতৰত কোৱালাফিকেচনটো আপোনালোকে চাওক। মুখ্যমন্ত্ৰীয়ে গীতাশ্ৰী তামুলীয়ে চাকৰি লাভৰ তদন্ত কংগ্ৰেছ চৰকাৰত শিক্ষামন্ত্ৰী হৈ থকাৰ সময়ত কৰিছিল বুলি স্বীকাৰ কৰি কয় যে সেই সময়ত বি. বৰুৱা কলেজৰ গোটেই ঘটনাটো তদন্ত কৰিছিলো। মই অসন্তুষ্ট হৈ বি. বৰুৱা কলেজৰ পৰিচালনা সমিতি ভংগ কৰি দিছিলো। মোৰ ওচৰলৈ অভিযোগ আহিছিল যে চোকা ছোৱালী এজনী থাকোতে এখেতে চাকৰি কিয় পালে? তাৰ পিছতে মই পৰিচালনা সমিতিয়ে মাৰ্ক দিয়া ব্যৱস্থা বন্ধ কৰি দিছিলো। মোৰ কথা স্পষ্ট। দুখন চাৰ্টিফিকেট আছিল। এগৰাকী চোকা ছোৱালীয়ে চাকৰি নাপায়, তাতকৈ তলৰ ছোৱালী এগৰাকীয়ে চাকৰি পালে। মই বি. বৰুৱা কলেজত সুধিলো। তেতিয়া মোক ক'লে চাকৰিটো দিয়েই দিলো ছাৰ। তেতিয়াই মই অ'ৰেল ব্যৱস্থা বন্ধ কৰি দিও। পুনৰ মুখ্যমন্ত্ৰীয়ে ইয়াত আৰু কি তদন্ত লাগে বুলি অখিলক গগৈক ওভতি ধৰি কয় যে চৰকাৰী বিষয়াই টকা খালে তদন্ত হয়। এইটো নৈতিকতাৰ প্ৰশ্ন? মই অখিল গগৈক অনুৰোধ কৰিম যে তেওঁ ডালিমা কাকতিৰ ঘৰলৈ গৈ মাৰ্কশ্বিট খন চাই লওক। সৰু কথাত লাগি থাকিব নালাগে। মই এইবিলাক ক'ব খোজা নাছিলো। তেওঁলোকেহে বেলেগৰ ঘৈণীয়েকৰ পিছত লাগি থাকে। কি স্বভাৱ এটা উলিয়াই ল'ব ল'লে। ৰাজনীতিত যাৰ লগতে যুঁজিব লাগে তাৰ লগত যুঁজিব লাগে। মোক জালুকবাৰীত হৰুৱাম বুলি কওক বুলি কৈ মুখ্যমন্ত্ৰীয়ে প্ৰত্যাহ্বান জনাই অখিল গগৈক। এনেদৰে এতিয়া আকৰ্ষণীয় হৈ পৰিছে দুই নেতাৰ যুঁজখন।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমৰ স্বয়ংসেৱকক পঞ্চ মন্ত্ৰ মোহন

ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই সাংগঠনিক দিশত তৎপৰতা আৰম্ভ কৰিছে। অসমলৈ পাঁচদিনীয়া ভ্ৰমণলৈ অহা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুৰব্বী ড০ মোহন ভাগৱতে ইটোৰ পিছত সিটো কাৰ্যসূচীত অংশ লৈ ৰাজনৈতিক পৰিস্থিতিৰ বুজ লৈছে। বিজেপিৰ পিতৃ সংগঠনৰ মুৰব্বী মোহন ভাগৱতে বৰ্তমানেও কোনো প্ৰভাৱশালী বিজেপিৰ নেতাক সাক্ষাৎ কৰা নাই যদিও আৰএছএছৰ জিলা পৰ্যায়, ৰাজ্যিক পৰ্যায়ৰ নেতাসকলৰ সৈতে কাৰ্যসূচী ৰূপায়ন কৰি গৈছে। বিজেপিৰ আৰ্হিৰ বিপৰীতে আৰএছএছে নিজৰ সাংগঠনিক পৰ্যায়ত অসমৰ ৰাজনৈতিক পৰিস্থিতিৰ মূল্যায়ন কৰি গৈছে। চৰকাৰৰ কাম-কাজ, ৰাইজৰ মাজত নেতাৰ গ্ৰহণযোগ্যতা আদি দিশ পৰ্যালোচনা কৰা বুলি জানিব পৰা গৈছে। ২০২৬ চনত আৰএছএছে বিজেপিৰ সমানে একেবাৰে তৃণমূল পৰ্যায়ত কাম কৰি পুনৰ যাতে অসমত চৰকাৰ গঠন কৰিব পৰা যায় তাৰ বাবে এতিয়াৰ পৰাই সাজু হ'বলৈ পণ ল'ব বুলি এটা সূত্ৰই প্ৰকাশ কৰিছে। সূত্ৰটোৱে প্ৰকাশ কৰা মতে, বিজেপিৰ প্ৰভাৱশালী নেতাৰ চুপাৰিছত টিকট বিতৰণ, প্ৰভাৱশালী নেতাৰ ঘনিষ্ঠই টিকট পোৱাৰ ব্যৱস্থা আদিৰ বিপৰীতে পৰিস্থিতি, ৰাইজৰ মাজত নেতাৰ গ্ৰহণযোগ্যতাক বিবেচনা কৰিব। সেয়া এইবাৰৰ বিজেপিৰ ৰাজ্যিক সভাপতি নিৰ্বাচনতো দেখা গৈছে। পুৰণি এবিভিপিৰ নাইবা পুৰণি আৰএছএছৰ পৰা অহা নেতাক গুৰুত্ব দিয়া হৈছে। যাৰ বাবে দিলীপ শইকীয়াক সভাপতি কৰা হৈছে। সূত্ৰটোৱে কয় যে স্বাধীনতাৰ পিছত প্ৰথমবাৰ ২০১৬ চনত অসমত চৰকাৰ গঠন কৰা বিজেপিয়ে দ্বিতীয়বাৰ চৰকাৰ গঠন কৰিছে। যাতে তৃতীয়বাৰৰ চৰকাৰ গঠন কৰিব পৰা যায় তাৰ বাবে আৰএছএছে তৃণমূল পৰ্যায়ত কাম কৰিব। সংঘই বৰ্তমানৰ সামাজিক, আৰ্থিক আৰু ৰাজনৈতিক পৰিস্থিতি অধ্যয়ন কৰি চৰকাৰ যাতে তৃতীয়বাৰৰ বাবে গঠন কৰিব পাৰে তাৰ বাবে এবছৰ পূৰ্বৰ পৰাই কুচ-কাৱাজ আৰম্ভ কৰিছে। বিজেপিৰ অভিভাৱক সংগঠনটোৰ মুৰব্বী নেতাগৰাকীয়ে দুদিন ধৰি গুৱাহাটীত বাহৰ পাতি বিভিন্ন পক্ষৰ সৈতে আলাপ-আলোচনা কৰি গৈছে। পুৰণি আৰএছএছ নেতাৰ লগতে হিন্দুত্ববাদৰ আদৰ্শৰে জড়িত বুদ্ধিজীৱীক সাক্ষাৎ কৰিব ভাগৱতে। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুৰব্বী ড০ মোহন ভাগৱতে কালিৰে পৰা বিভিন্ন সাংগঠনিক কাৰ্যসূচীত অংশ লোৱাৰ লগতে আজি কেবা শ তৃণমূল কৰ্মীৰ সৈতে মিলিত হয়। আজি বৰ্ষাপাৰাৰ ছাউথ পইণ্ট স্কুলত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ কাৰ্যকৰ্তাৰ বৌদ্ধিক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত অংশ লৈ আৰএছএছৰ সাংগঠনিক দায়িত্ববাহী আৰু আদৰ্শৰে সংপৃক্ত হৈ থকা নেতা-কৰ্মীসকলক দিহা-পৰামৰ্শ প্ৰদান কৰে ভাগৱতে। চাউথ পইণ্ট স্কুল চৌহদত কেইবা শ নেতা-কৰ্মীক হিন্দুত্ব তথা সনাতন ধৰ্মৰ মুখ্য আদৰ্শক লৈ পৰামৰ্শমূলক ভাষণ প্ৰদান কৰে। পৰিয়ালত ভাৰতীয় মূল্যবোধৰ প্ৰচাৰে সমাজক সঠিক দিশত আগুৱাই নিব বুলি মন্তব্য কৰে ভাগৱতে। মোহন ভাগৱতে কয় যে পঞ্চ পৰিৱৰ্তন সমাজ পৰিৱৰ্তনৰ বাবে এক গুৰুত্বপূৰ্ণ চাবিকাঠি। সমাজৰ বাবে পাঁচটা প্ৰয়োজনীয় মন্ত্ৰ সামাজিক সম্প্ৰীতি, পাৰিবাৰিক মূল্যবোধ, পৰিৱেশ সুৰক্ষা, স্বদেশী আৰু নাগৰিক কৰ্তব্যৰ বিষয়ে বৰ্ণনা কৰি এই পাঁচ মন্ত্ৰক গুৰুত্ব দি সমাজত সেৱা কৰিবলৈ আহ্বান জনায়। তেওঁ সমাজৰ বিভিন্ন জাতি, ধৰ্ম, অঞ্চল আৰু ভাষাৰ মাজত বন্ধুত্ব আৰু ঐক্য বৃদ্ধিৰ গুৰুত্ব আৰোপ কৰি কয় যে ইয়াৰ দ্বাৰা এক সুসংগত সম্প্ৰদায় গঢ়ি তোলা যায়। পৰিয়ালৰ ভিতৰত ভাৰতীয় মূল্যবোধৰ প্ৰচাৰে সমাজক সঠিক দিশত আগবাঢ়িবলৈ এক পথ প্ৰদান কৰিব। পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত সমাজৰ সামূহিক দায়বদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি পানী সংৰক্ষণ, প্লাষ্টিক হ্ৰাস আৰু গছ ৰোপণৰ দৰে পদক্ষেপৰ ওপৰত আলোকপাত কৰে ভাগৱতে। তেওঁ কয় যে প্ৰতিটো ভাৰতীয় পৰিয়ালে তেওঁলোকৰ ভাষা, পোছাক, খাদ্য, বাসস্থান আৰু ভ্ৰমণত থলুৱা পদ্ধতি গ্ৰহণ কৰা উচিত। তেওঁ সকলোকে বিদেশী ভাষাৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ আৰু তেওঁলোকৰ মাতৃভাষাত যোগাযোগ কৰিবলৈ আহ্বান জনায়। নাগৰিক কৰ্তব্যৰ ক্ষেত্ৰত আমি সকলো চৰকাৰী নিয়ম আৰু আইন মানি চলিব লাগে আৰু সমাজৰ কল্যাণৰ বাবে কোনো নাগৰিক নিয়ম পুস্তিকাত উল্লেখ নকৰা পৰম্পৰাগত সামাজিক নৈতিক মানদণ্ড অনুসৰণ কৰাটোও প্ৰতিজন নাগৰিকৰ কৰ্তব্য বুলি মন্তব্য কৰে আৰএছএছৰ প্ৰধানগৰাকীয়ে। অনুষ্ঠানটোত উত্তৰ অসম প্ৰদেশৰ সংঘচালক ড০ ভূপেশ শৰ্মা আৰু গুৱাহাটী মহানগৰীয় অঞ্চলৰ সংঘচালক গুৰু প্ৰসাদ মেধি উপস্থিত আছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুৰণি কৰ্মীক এলাগী নকৰিব! সৰৱ

বিজেপিক ৰখাব নোৱাৰিব। এই কথা বাৰে বাৰে উল্লেখ কৰি কংগ্ৰেছৰ পৰা বিজেপিলৈ অহা নেতাসকলক আক্ৰমণৰ লক্ষ্য কৰি লয় প্ৰাক্তন সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁইয়ে। বিজেপিৰ পৰা এলাগী পুৰণি বিজেপি নেতা ৰাজেন গোহাঁইয়ে পুনৰ এবাৰ দলত এলাগী পুৰণি বিজেপি নেতাৰ সাক্ষাৎ আৰম্ভ কৰিছে। দলটোত এলাগী নেতাসকলক একত্ৰিত কৰি পুৰণি নেতাক ন্যায় প্ৰদানৰ হকে সৰৱ হোৱা পৰিলক্ষিত হৈছে। আজি সংবাদ মাধ্যমৰ মুখামুখি হৈ প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁইয়ে কংগ্ৰেছৰ পৰা বিজেপলৈ অহা নেতাসকলক আক্ৰমণৰ লক্ষ্য কৰি লয়। বিজেপিলৈ নতুনকৈ আহি দলীয় পদবী আৰু চৰকাৰৰ গুৰুত্বপূৰ্ণ দায়িত্ব লোৱা নেতাসকলক আক্ৰমণ কৰি কয় যে দলটো আগুৱাই নিবলৈ বাহিৰৰ পৰা মানুহ আনিছে আনক। কিন্তু পুৰণি কৰ্মীক এলাগী কৰাতো অন্যায় হ'ব। লগতে তেওঁ কয় যে মই এই কথা কাৰোবাক বেয়া পাই কোৱা নাই। বহু কষ্ট কৰি বিজেপি দলটোক আগুৱাই নিয়া বহু নেতাক আজি কোনোৱেও চিনি নাপায় বুলি কৈ গোহাঁইয়ে আৰু কয় যে দল আগবাঢ়িব লাগে। বাহিৰৰ পৰা মানুহ আনিব লাগে, আনক। কিন্তু পুৰণি কৰ্মীখিনিক এলাগী কৰি চিনি নোপোৱা হৈ যোৱাটো অত্যন্ত অন্যায় হ'ব। বেয়া দিনত যিসকলে দলটোক ধৰি ৰাখিছিল তেওঁলোকৰ দলটোত অধিকাৰ আছে। পকেটৰ ধন খৰচ কৰিছিল। সা-সম্পত্তি বিক্ৰী কৰি পাৰ্টি কৰাসকলক আজি কোনোৱেও চিনি নাপায়। দলৰ পুৰণি নেতাসকলক আজিৰ নেতাসকলে চিনিবলৈ চেষ্টা নকৰে বুলি আক্ষেপ কৰে গোহাঁইয়ে। দিলীপ শইকীয়াই নতুনকৈ দায়িত্ব লৈ যিখিনি বক্তব্য দাঙি ধৰিছে সেইখিনিত আশাবাদী বুলি মন্তব্য কৰে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। তেওঁ কয় যে ন-পুৰণিৰ সংমিশ্ৰনতহে দল আগবাঢ়িব। বিজেপিৰ নতুন ৰাজ্যিক সভাপতিগৰাকীয়ে যাতে পুৰণিখিনিক এলাগী নকৰে সেয়াই তেওঁৰ প্ৰতি আহ্বান বুলিও কয় গোঁহাইয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰেৰণাদায়ক মহিলাক মোদীৰ

মোদীয়ে। অহা ৮ মাৰ্চত নাৰী দিৱস উপলক্ষ্যে তেওঁ নিজৰ ছ'চিয়েল মিডিয়া একাউণ্ট অৰ্পণ কৰিব দেশৰ প্ৰেৰণাদায়ক মহিলাৰ হাতত। দেওবাৰে নিজৰ ১১৯সংখ্যক 'মন কী বাত'ত এই ঘোষণা কৰে প্ৰধানমন্ত্ৰীয়ে। তেওঁ কয় যে এই দিৱসটো মহিলাৰ অনন্য কৃতিত্বক উজ্জ্বল কৰি তোলাৰ এক বিশেষ অনুষ্ঠান। মোদীয়ে কয় যে সেইদিনা এক্স হেণ্ডল আৰু ইনষ্টাগ্ৰাম দেশৰ মহিলাসকলৰ বাবে এক মঞ্চত পৰিণত হ'ব। বিভিন্ন ক্ষেত্ৰত সফলতা অৰ্জন কৰা মহিলাসকলে নিজৰ কাম আৰু অভিজ্ঞতা তেওঁৰ ছ'চিয়েল মিডিয়া প্লেটফৰ্মত শ্বেয়াৰ কৰিব। প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ পৰা আৰম্ভ কৰি সংবিধান ৰচনালৈকে সকলো ক্ষেত্ৰতে মহিলাৰ অৱদান গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে। অন্যহাতে মন কী বাতত মোদীয়ে মহাকাশ গৱেষণাত ভাৰতৰ 'শতক'ৰ কথাও উল্লেখ কৰে। ইছৰোৰ ১০০ সংখ্যক সফল ৰকেট উৎক্ষেপণৰ কথা উল্লেখ কৰি তেওঁ কয় যে ক্ৰিকেট জ্বৰে ভাৰতক গ্ৰাস কৰি থকাৰ সময়তে আমি মহাকাশত শতক অৰ্জন কৰিছিলো। তেওঁ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ কথা সোঁৱৰাই 'এদিনৰ বাবে বিজ্ঞানী' পদক্ষেপৰ কথাও উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে সাধাৰণ জনতাক এদিনৰ বাবে বিজ্ঞানী হৈ কোনো লেব, প্লেনেটেৰিয়াম বা মহাকাশ কেন্দ্ৰ পৰিদৰ্শন কৰিবলৈ আহ্বান জনায়। মন কী বাতত আজি মোদীয়ে এআইৰ বিষয়েও কয়। তেওঁ কয় যে শেহতীয়াকৈ তেওঁ পেৰিছত অনুষ্ঠিত হোৱা কৃত্ৰিম বুদ্ধিমত্তা সম্মিলনত অংশগ্ৰহণ কৰিছিল, য'ত ভাৰতৰ এআইৰ অগ্ৰগতিৰ প্ৰশংসা কৰা হৈছিল। মোদীয়ে কয়, "আমাৰ দেশৰ মানুহে আজি বিভিন্ন ধৰণে এআই ব্যৱহাৰ কৰাৰ দৃষ্টান্ত আমাৰ চাৰিওফালে আমি দেখিবলৈ পাওঁ।" উল্লেখ্য যে আন এক অনুষ্ঠানত আজি মোদীয়ে বিৰোধী পক্ষকো আক্ৰমণৰ লক্ষ্য কৰি লয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজমলৰ হেৰাল সংযম

তামুলীৰ চাকৰি লাভৰ প্ৰক্ৰিয়াক লৈ বিধানসভাৰ মজিয়াত সন্দেহ ব্যক্ত কৰাত বিগত তিনিটা দিন ধৰি অখিল গগৈ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মাজত বাকযুদ্ধ, আক্ৰমণ-প্ৰত্যাক্ৰমণে চূড়ান্ত ৰূপ ধাৰণ কৰিছে। তাৰ মাজতে অসমত সংখ্যালঘুৰ ৰাজনীতি কৰা এআইইউডিএফৰ প্ৰধান বদৰুদ্দিন আজমলে অখিল গগৈৰ পত্নীক লৈ অভব্য-অশোভনীয় মন্তব্য কৰা পৰিলক্ষিত হৈছে। এগৰাকী উচ্চ শিক্ষিত আৰু বিশিষ্ট লেখিকাৰ প্ৰতি অভব্য আচৰণ কৰে বদৰুদ্দিন আজমলে। অসমীয়া সংস্কৃতি বিৰোধী আচৰণ কৰি বদৰুদ্দিন আজমলে অখিল গগৈৰ পত্নীক ৰাজহুৱাকৈ বুঢ়ী বুলি কয়। অসমীয়া নাৰীক এনেদৰে ৰাজহুৱাকৈ অভব্য ভাষাৰে অপমান কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। গীতাশ্ৰী তামুলীৰ চাকৰি প্ৰসংগত আজি সাংবাদিকে প্ৰশ্ন কৰাত অখিল গগৈৰ পত্নী বুঢ়ী, তাতে আমি কি মাত মাতিম বুলি কটুক্তি কৰে। কোনোবা এগৰাকী যুৱান (ডেকা) পত্নীৰ হ'লে মাত মাতিম। আমি ইমান বুঢ়া গৈছো তথাপিও মনৰ ভিতৰৰ পৰা যোৱা নাই। অখিল গগৈৰ পত্নী বুঢ়ী। বুঢ়ীক লৈ মই কি মন্তব্য দিম। মন্তব্য নিদিও বুলি কয় আজমলে। আনহাতে, অখিল গগৈ আৰু হিমন্ত বিশ্ব শৰ্মাৰ মাজৰ বাকযুদ্ধ প্ৰি-প্লান আখ্যি দিছে এআইইউডিএফ প্ৰধান বদৰুদ্দিন আজমলে। প্ৰি-প্লান যে সেয়া খাতাং বুলি কৈ আজমলে আৰু কয় যে আজিকালি অখিল গগৈয়ে যিবোৰ মিটিং কৰে তাৰ ধন যোগান ধৰে হিমন্ত বিশ্ব শৰ্মাই। আগন্তুক নিৰ্বাচনক যাতে সংখ্যালঘুৰ ভোট এআইইউডিএফলৈ বা কংগ্ৰেছলৈ নাযায় তাৰ বাবে কাম কৰি আছে। যাতে দুই চাৰিটা আসন জয়ী কৰি আনি বিজেপিক সহায় কৰিব পাৰে। অখিল গগৈয়ে বিজেপিৰ হৈ কাম কৰি আছে বুলি দাবী কৰি আজমলে কয় যে মুছলমানৰ ভোট যদি অখিল গগৈয়ে কাটিব পাৰে তেন্তে লাভ কাৰ হ'ব। ভোট বিভাজন কৰিব পাৰে তেন্তে লাভ হ'ব বিজেপিৰ, লাভ হ'ব হিমন্ত বিশ্ব শৰ্মাৰ বুলিও কয় আজমলে। কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে বদৰুদ্দিন আজমলে অখিল গগৈৰ পত্নীক লৈ যি অশুভ মন্তব্য দাঙি ধৰিলে, সচাঁকৈয়ে ই কেৱল যে লজ্জানত কৰিছে। অসমীয়া সমাজক এনে নহয়। অসমীয়া নাৰী সমাজৰ বাবে দুৰ্ভাগ্যজনক। গৰিহণা দিবলৈ ভাষা বিচাৰি পোৱা নাই। কোন দিশত গতি কৰিছে ৰাজনীতিৰ বতাহ, পৰিৱেশ। বুঢ়ী বুলি কৈ কি বুজাব বিচাৰিছে। সঁচাকৈয়ে ভদ্ৰ মহিলাই ৰাজনীতি কৰাৰ পৰিৱেশ থাকিব নে ভৱিষ্যতে? সংবাদ মাধ্যমে এনে নিম্নৰুচি সম্পন্ন ব্যক্তিৰ পৰা প্ৰতিক্ৰিয়া লোৱা বন্ধ কৰা উচিত। অন্যথা কোনো মহিলাই অনাগত দিনত সুৰক্ষিত নহব! আজমলৰ এই মন্তব্যক লৈ সামাজিক মাধ্যম গৰম হৈ পৰে। বিভিন্ন লোকে আজমলৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰাৰ দাবী জনায়। এনেদৰে এতিয়া গৰম হৈ পৰিছে অসমৰ ৰাজনীতিৰ আকাশ-বতাহ।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সৰুসজাইত আজি ঝুমুৰে গঢ়িব বিশ্ব

হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন কেবিনেটৰ গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত এডাভান্টেজ আছাম ২.০ত হ'বলগীয়া বুজাবুজি চুক্তিৰ অনুমোদনসহ কেইবাটাও সিদ্ধান্ত লোৱাৰ কথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমেলযোগে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীয়ে অংশ ল'বলগীয়া ঝুমুৰ নৃত্য প্ৰদৰ্শনত বিদেশ আলহীয়ে অংশ লোৱাৰ কথাও উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে ঝুমুৰ নৃত্য আৰু এডভান্টেজ আছামৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থকাৰ প্ৰসংগ উল্লেখ কৰি কয় যে নৃত্যৰ পূৰ্বে মুকলি বাহনত সৰুসজাই ষ্টেডিয়াম পৰিদৰ্শন কৰিব প্ৰধানমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীয়ে ভাষণ ৰাখিব। তাৰ পিছতহে ঝুমুৰ প্ৰদৰ্শন কৰিব প্ৰায় ৯ হাজাৰ শিল্পীয়ে। ঝুমুৰ বিনন্দিনী মূল অনুষ্ঠান সন্ধিয়া ৫.৩০ বজাত আৰম্ভ হ'ব। অনুষ্ঠান উপভোগৰ বাবে ৩.৩০ বজাত দৰ্শকে প্ৰৱেশ কৰিব লাগিব। মুখ্য নৃত্যৰ সময়খিনিত এক লেজাৰ শ্ব' প্ৰদৰ্শন কৰা হ'ব। ৰাজ্যৰ ৮০০খন বাগিচাত লাইভ সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হ'ব এই ঝুমুৰ নৃত্যৰ। অন্যহাতে ২৫ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী মোদীয়ে এডভান্টেজ আছাম ২.০ৰ প্ৰদৰ্শনীও উপভোগ কৰিব। সোমবাৰে সন্ধিয়া প্ৰধানমন্ত্ৰীয়ে প্ৰদৰ্শনী উদ্বোধন কৰিব আৰু ছেমিকণ্ডাক্টৰৰ ২৬ ফেব্ৰুৱাৰীৰ বিশেষ সভা ২৫ ফেব্ৰুৱাৰীতে অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ইফালে, সৰুসজাইৰ ঝুমুৰ নৃত্য উপভোগ কৰিব বিদেশী ৰাষ্ট্ৰৰ ৬১ গৰাকী প্ৰতিনিধিয়ে। আজি বিদেশী ৰাষ্ট্ৰৰ দলটো যোৰহাটত উপস্থিত হৈছে। কেন্দ্ৰীয় বিদেশ মন্ত্ৰী এছ জয়শংকৰ আজি গুৱাহাটীত উপস্থিত হৈ কাজিৰঙালৈ যাব। কাইলৈ বিদেশী আলহীৰ সৈতে যোৰহাটৰ পৰা পোন পোনে গুৱাহাটীলৈ উভতি আহি সৰুসজাইত নৃত্য উপভোগ কৰি খানাপাৰাত প্ৰদৰ্শনী প্ৰত্যক্ষ কৰিব তেওঁলোকে। এডভান্টেজ আছাম ২.০ত ৭খন ৰাষ্ট্ৰৰ বিশেষ প্ৰতিনিধি উপস্থিত থাকিব। ৩৫০ বিদেশী অতিথিয়ে ঝুমুৰ অনুষ্ঠান চাবলৈ আগ্ৰহ প্ৰকাশ কৰিছে বুলি উল্লেখ কৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাই। আজি সংবাদমেলত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰা মতে, আজিৰ কেবিনেটে ১.২২ লাখ কোটি টকাৰ বিনিয়োগত অনুমোদন জনাইছে। ২১৪ খন চুক্তি স্বাক্ষৰ কৰিবলৈ এই অনুমোদন জনোৱা হৈছে। জিলা পৰ্যায়ত ২৫৯০ চুক্তি আৰু ১৫ হাজাৰ ৯১১ কোটি টকা বিনিয়োগ হ'ব। ৫০ কোটি টকালৈ জিলা পৰ্যায়ত বিনিযোগ হ'ব। আজিয়েই এই বুজাবুজি চুক্তিসমূহত স্বাক্ষৰ কৰা হ'ব। ১৫,৯১১ কোটিৰ চুক্তি এই পৰ্যন্ত নিশ্চিত হৈছে। ২,৫৯০খন সৰু চুক্তি জিলা আয়ুক্তৰ জৰিয়তে সম্পন্ন হ'ব। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে ষষ্ঠ অসম বিত্ত আয়োগৰ কাৰ্যকাল ২০২৬ চনৰ ৩১ মাৰ্চলৈ বৃদ্ধি কৰা হ'ব। ডিব্ৰুগড়, শিৱসাগৰৰ আন্তঃগাঁথনিৰ বাবে ৫৫ কোটি নেচনেল হাউচিং বেংকৰ পৰা ঋণ লোৱাৰ লগতে ডিব্ৰুগড়ৰ আমোলাপট্টীৰ উৰণীয়া সেঁতুৰ বাবে ১৫৭ কোটি টকাৰ অনুমোদন জনাইছে কেবিনেটে। বায়'টেকন'লজি পলিচি সংশোধন কৰাৰ লগতে টেক্সটাইল এণ্ড এপাৰেল পলিচি ২০২৫ত অনুমোদন জনাইছে কেবিনেটে। মেডিকেল কলেজৰ পঞ্জীয়কৰ বাবে বিশেষ সুবিধা ঘোষণা কৰি পঞ্জীয়কক দৰমহাৰ লগতে একোখনকৈ বাহন দিয়া হ'ব। বাহনৰ বাবে মূলধন চিকিৎসকে আৰু বেংকৰ জৰিয়তে ১৫ লাখকৈ টকা দিব চৰকাৰে। মেডিকেল কলেজৰ অধ্যাপকসকলেও এই সুবিধা লাভ কৰিব। একেদৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মিলনত অংশগ্ৰহণৰ বাবে সকলো খৰচ, বিদেশৰ সন্মিলনত অংশগ্ৰহণৰ খৰচ বহন কৰিব চৰকাৰে। প্ৰতি ৩ বছৰৰ অন্তত ইউৰোপ বা আমেৰিকাত শৈক্ষিক সন্মিলনত অংশ লোৱাৰ খৰচ চৰকাৰে বহন কৰিব বুলিও জনায় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মৃত ব্যক্তিৰ আত্মাকো নেৰে

শান্তি নিদিয়ে। ড০ শৰ্মাই তেওঁক ৰাজনৈকিভাৱে সংস্থাপিত কৰা প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈক শেহতীয়াকৈ এপিএছচিৰ কেলেংকাৰীত জড়িত কৰি আসুৰিক তৃপ্তি লাভ কৰা পৰিলক্ষিত হৈছে। দিনদিয়েক পূৰ্বে আৰক্ষীৰ নিৰ্বিচাৰ কন্দুৱা গেছত ৰাইজৰ স্বাৰ্থত প্ৰতিবাদ কৰিবলৈ গৈ ৰাজভৱনৰ ৰাস্তাত মৃত্যু হোৱা মৃদুল ইছলামৰ মৃত্যুৰ কাৰণক লৈয়ো ড০ হিমন্ত বিশ্ব শৰ্মাই নিকৃষ্ট ৰাজনীতি কৰিছে। সকলোৰে চকুৰ সন্মুখত মৃদুল ইছলামৰ কন্দুৱা গেছৰ প্ৰভাৱত মৃত্যু হৈছিল আৰু শেহতীয়াকৈ ইয়াক ৰাজনৈতিকৰণ কৰিছে। মৃদুল ইছলামৰ পৰিয়ালে ইতিমধ্যে জনাইছে যে তেওঁ সুৰাসক্ত নহয়। তাৰ পিছতো মৃত ব্যক্তিজনক বদনামী কৰিবলৈ সমগ্ৰ প্ৰশাসনিক ব্যৱস্থাটোক ব্যৱহাৰ কৰাত উঠি-পৰি লাগিছে হিমন্ত বিশ্ব শৰ্মা। আমি স্পষ্ট কৰি দিব বিচাৰো যে স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰি, অসমৰ মানুহৰ প্ৰাপ্য অধিকাৰৰ দাবীত সংগ্ৰাম কৰি মৃত্যুক সাৱতি লোৱা মৃদুল ইছলাম আমাৰ বাবে জাতীয় শ্বহীদ। কংগ্ৰেছৰ চৰকাৰ অহাৰ লগে লগে প্ৰথম এশদিনৰ ভিতৰত মৃদুল ইছলামৰ পত্নীক চৰকাৰী চাকৰি দিম। এই সম্পৰ্কে আমি নিশ্চিতি প্ৰদান কৰিছো। আজি এক বিবৃতিত প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰাই এইদৰে কয়। বৰাই মুখ্যমন্ত্ৰীক ৰাজ্যখনৰ স্বাৰ্থতে ভাল ব্যৱহাৰ কৰিবলৈকো আহ্বান জনায়।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# গুৱাহাটী বিশ্ববিদ্যালয়ত সাংবাদিকক অভব্য আচৰণৰ অভিযোগ

**ই-সংবাদ, ২৩ ফেব্ৰুৱাৰীঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিশ্ববিদ্যালয় সপ্তাহত অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। কালি নিশা একাংশ ছাত্ৰই বিশ্ববিদ্যালয় সপ্তাহৰ সাংস্কৃতিক অনুষ্ঠানত মদ্যপান কৰি অপ্ৰীতিকৰ পৰিৱেশৰ সৃষ্টি কৰাৰ লগতে বাতৰি সংগ্ৰহৰ বাবে যোৱা একাংশ সাংবাদিকক অভব্য আচৰণ কৰি প্ৰহাৰ কৰিবলৈ উদ্যত হোৱাৰ অভিযোগে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। দেওবাৰে নিশা গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত বিশ্ববিদ্যালয় সপ্তাহৰ অন্তিম কাৰ্যসূচী সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হৈছিল। জানিব পৰা মতে, একাংশ ছাত্ৰই বঁটা বিতৰণত খেলি-মেলি হোৱাৰ অভিযোগ আনিছিল। বিশ্ববিদ্যালয়ৰ এটি আৱাসে পুৰস্কাৰ লাভ কৰাত আপত্তি দৰ্শায়। ফলত সামৰণি সাংস্কৃতিক অনুষ্ঠানত প্ৰথমে তীব্ৰ হৈ-হাল্লা হয়। দুটা পক্ষৰ তীব্ৰ সংঘাতক লৈ হৈ-হাল্লাত সাংস্কৃতিক অনুষ্ঠানত ব্যাঘাত জন্মে। তীব্ৰ উত্তেজনাৰ পৰিপ্ৰেক্ষিতত আধাতে সাংস্কৃতিক অনুষ্ঠান বন্ধ কৰি দিয়ে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই। বিশেষ সূত্ৰৰ পৰা খবৰ লাভ কৰি বিশ্ববিদ্যালয়ত নিশাই উপস্থিত হয় সাংবাদিকৰ দল। ইফালে, বিশ্ববিদ্যালয় চৌহদত সাংবাদিকক দেখাৰ পিছতে সুৰাসক্ত একাংশ ছাত্ৰই উদ্ভণ্ডালি আৰম্ভ কৰে। গেটত অনুমতি লৈ ভিতৰত প্ৰৱেশ কৰা সাংবাদিকৰ দলটোক অভব্য ব্যৱহাৰ কৰি অপমান কৰাই নহয় মাৰধৰ কৰিবলৈ উদ্যত হোৱা বুলিও অভিযোগ উঠিছে। সুৰাপায়ী ছাত্ৰই গালি-গালাজ কৰে সাংবাদিকৰ দলটোক। গোপীনাথ বৰদলৈ ২নং তিনিমহলীয়া ছাত্ৰাবাস তথা আৰচিচি-২ৰ সন্মুখত গাড়ী ৰখোৱাত সাংবাদিকক বেয়া ব্যৱহাৰ কৰিছিল বহু সংখ্যক ছাত্ৰই। গৱেষক ছাত্ৰ নিপজ্যোতি কলিতাৰ নেতৃত্বতে সাংবাদিকক প্ৰহাৰ কৰিব খোজাৰ অভিযোগ উঠিছে। উল্লেখ্য যে, নিপজ্যোতি অসম গণ পৰিষদৰ এটা ভাতৃ সংগঠনৰ নেতা। এই অভিযোগ সম্পূৰ্ণৰূপে নস্যাৎ কৰিছে ছাত্ৰনেতা নিপজ্যোতিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২০৩১ চনত জাতীয়তাবাদীৰ চৰকাৰ

আত্মবিশ্বাস আৰু স্থিতপ্ৰজ্ঞ হ'ব পাৰিলেহে যুদ্ধত জয়ী হ'ব পৰা যাব। সাম্প্ৰতিক সময়ত প্ৰত্যাহ্বানপূৰ্ণ ৰাজনৈতিক পৰিৱেশৰ মাজত এটা নতুন আঞ্চলিক ৰাজনৈতিক দলক আগুৱাই নিবলৈ হ'লে দলটোৰ কৰ্মীসকল স্থিতপ্ৰজ্ঞ হ'বই লাগিব। তেতিয়াহে অসমৰ নীলিম আকাশত জাতীয়তাবাদৰ ধ্বজা উৰুৱাব পৰা হ'ব। এই মন্তব্য অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈৰ। চৰাইদেউ জিলাৰ মাহমৰা সমষ্টিৰ অন্তৰ্গত চক্ৰাই ৰাজহুৱা প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত দলটোৰ এখন সাংগঠনিক সভাত অংশগ্ৰহণ কৰি লুৰিণজ্যোতি গগৈয়ে আৰু কয়--তৃণমূল পৰ্য্যায়ত সংগঠন অবিহনে ৰাজনৈতিক দল এটাই কেতিয়াও সফলতা লাভ কৰিব নোৱাৰে। যিমানে ধনবল-বাহুবল প্ৰদৰ্শন কৰিলেও যদিহে সাংগঠনিক ভেঁটি স্থাপন কৰা নহয় তেতিয়া হ'লে ৰাইজৰ কাষ চপাটো অসম্ভৱ কথা। বিগত নিৰ্বাচনসমূহত লাভ কৰা অভিজ্ঞতাৰপৰাই ক'ব পাৰি সেই কথা। সেয়েহে আগন্তুক বিধানসভা নিৰ্বাচনৰ পূৰ্বে অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰাকক্ষণত অসম জাতীয় পৰিষদে নিজৰ সাংগঠনিক ভেঁটি গঢ়িবলৈ কাৰ্যপন্থা হাতত লৈছে। পঞ্চায়তসমূহৰ প্ৰতিটো ৱাৰ্ডতে যাতে দলৰ সমিতি গঠন কৰি ৰাইজৰ কাষ চাপিব পাৰি তাৰ চিন্তা-চৰ্চা কৰা হৈছে। ২০২৬ৰ নিৰ্বাচনত অসম জাতীয় পৰিষদে ভাল ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব আৰু ৩১ৰ নিৰ্বাচনত ৰাজ্যত এখন জাতীয়তাবাদী চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ব। এই কথা নিশ্চিত। ইফালে, বিজেপি নেতৃত্বাধীন চৰকাৰে ঋণ লৈ হিতাধীকাৰি সৃষ্টিৰ জৰিয়তে কেৱল মাত্ৰ চমকহে দেখুৱাবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰি লুৰিণজ্যোতি গগৈয়ে চৰকাৰক তীব্ৰ সমালোচনা কৰাৰ লগতে চাহ জনগোষ্ঠীৰ সংস্কৃতিক বিশ্বৰ প্ৰেক্ষাপটত জিলিকাই তুলিবলৈ ঝুমইৰ বিনন্দীয়া কাৰ্যসূচী গ্ৰহণ কৰাটো আদৰণীয় যদিও চাহ জনগোষ্ঠীৰ লোকসকলক মালিকপক্ষৰ শোষণ-নিষ্পেষণৰপৰা পৰিত্ৰাণ পাবলৈ চৰকাৰে কোনোধৰণৰ গুৰুত্ব আৰোপ নকৰাটো দুৰ্ভাগ্যজনক আখ্যা দিয়ে। চাহ জনগোষ্ঠীৰ লোকসকলৰ সমস্যা সমাধানৰ জৰিয়তে জনগোষ্ঠীটোৰ সৰ্বাংগীন বিকাশত গুৰুত্ব দিয়াটোহে অধিক প্ৰয়োজন বুলি মন্তব্য কৰে অজাপৰ সভাপতিগৰাকীয়ে। উল্লেখ্য যে অসম জাতীয় পৰিষদৰ চৰাইদেউ জিলা সমিতিৰ উদ্যোগত সোণাৰি আৰু মাহমৰা সমষ্টি সমিতিৰ সহযোগত আয়োজন কৰা সাংগঠনিক সভাতেই অজাপৰ উপ-সভাপতি চিত্তৰঞ্জন বসুমতাৰী, সম্পাদক মাণিক গগৈ, জিলাৰ পৰ্যবেক্ষক দীপ পেগুৰ উপস্থিতিত চৰাইদেউ জিলা সমিতিৰ লগতে সোণাৰি আৰু মাহমৰা সমষ্টি নতুন সমিতিকেইখন পুনৰ্গঠন কৰা হয়। চৰাইদেউ জিলা সমিতিৰ সভাপতি টংকেশ্বৰ কোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত সাংগঠনিক সভাখনত উপস্থিত থকা চিত্তৰঞ্জন বসুমতাৰী আৰু প্ৰাক্তন বিধায়ক অনুপ ফুকনে দলটোৰ সাংগঠনিক ভেঁটি শক্তিশালী কৰিবলৈ কৰ্মকৰ্তাসকলে কেনেদৰে আগবাঢ়িব লাগিব সেই কথা পৰ্যালোচনা আগবঢ়ায়। দলটোৰ কেন্দ্ৰীয় সমিতিৰ কেইবাগৰাকীও বিষয়ববীয়াৰ  উপস্থিতিত অনুষ্ঠিত সভাখনত বহুকেইগৰাকী ব্যক্তিয়ে অসম জাতীয় পৰিষদত  যোগদান কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভৰিৰ সলনি পেটত কৰিলে

কন্যাৰ মৃত্যুৰে সমগ্ৰ অঞ্চলতে শোকৰ ছাঁ পেলোৱাৰ লগতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণী অনুসৰি ডুবাগাঁওৰ কমলেশ্বৰ দাস আৰু কৃষ্ণা দাসৰ ন বছৰীয়া কন্যা কাকলি দাসৰ ভৰিৰ আঘাতৰ চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰিছিল আৰু তাতেই মৃত্যু হয় কন্যা জনীৰ। প্ৰকাশ্য যে কন্যা জনীয়ে ওচৰৰে গোলাগাঁওত পূজা চাবলৈ যাওতে বাগৰি পৰি বাঁও ভৰিখন ভাঙিছিল। দিন হাজিৰা কৰি জীৱিকা নিৰ্বাহ কৰা পিতৃ-মাতৃয়ে চিকিৎসা মহাবিদ্যালয় হাস্পতালখনত যোৱা ১৪ ফেব্ৰুৱাৰীত কিশোৰী গৰাকীক ভৰ্তি কৰাইছিল যদিও পৰৱৰ্তী সময়ত চিকিৎসাধীন অৱস্থাতে কাকলিৰ মৃত্যু হৈছিল। পৰিয়ালৰ লোকে অভিযোগ কৰা অনুসৰি চিকিৎসা মহাবিদ্যালয় হাস্পতালখনত কন্যা সন্তানটিৰ মৃত্যু হোৱাৰ পিছতো চিকিৎসকে অভিভাৱকক ধমক দি কন্যাটিৰ মৃতদেহ প্ৰত্যক্ষ কৰিবলৈ দিয়া নাছিল। জানিব পৰা মতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰা দুৰ্ভগীয়া পিতৃ-মাতৃয়ে একমাত্ৰ কন্যাটিৰ মৃতদেহ বাক্সা জিলাৰ নিজ গৃহলৈ আনে। কিন্তু মৃতদেহটো প্ৰত্যক্ষ কৰাৰ পাছত পোহৰলৈ আহে সমগ্ৰ ঘটনাৰ আঁৰৰ ৰহস্য। ভৰিৰ চিকিৎসাৰ বাবে ভৰ্তি কৰোৱা কন্যা জনীৰ ভৰিৰ অস্ত্ৰোপচাৰ কৰিবলৈ গৈ চিকিৎসকে পেট কটা ঘটনাই সমগ্ৰ বাক্সা জিলাত তীব্ৰ জোকাৰণিৰ সৃষ্টি কৰিছে। জানিব পৰা মতে ভৰ্তি কৰোৱাৰ পিছত যোৱা ১৯ ফেব্ৰুৱাৰীত চিকিৎসকে অস্ত্ৰোপচাৰৰ বাবে কিশোৰী গৰাকীক আই চি ইউলৈ নিয়ে আৰু অৱশেষত ৰহস্যজনকভাৱে চিকিৎসকৰ গাফিলতিৰ বাবে কিশোৰী গৰাকী মৃত্যু মুখত পৰে বুলি পৰিয়ালৰ লোকে অভিযোগ কৰিছে। হাস্পতাল কৰ্তৃপক্ষই কিশোৰী গৰাকীৰ মৃতদেহটো পৰিয়ালৰ লোকক চাবলৈ নিদিয়াকৈয়ে প্লাষ্টিকেৰে বান্ধি ঘৰলৈ নিয়াৰ পৰামৰ্শ দিয়ে বুলিও সদৰি কৰিছে পৰিয়ালৰ লোকে। ঘৰলৈ আনি প্লাষ্টিকৰ বান্ধ খুলি মৃতদেহটো পেট কটা অৱস্থাত প্ৰত্যক্ষ কৰি পৰিয়ালত হাহাকাৰৰ সৃষ্টি হয়। অৱশেষত নিৰুপায় হৈ পৰিয়ালৰ লোকে মৃতদেহটো ঘৰৰ কিছু আঁতৰত গাঁত খান্দি পুতি থয়। কিন্তু স্থানীয় সচেতন ৰাইজৰ ঘটনাটো সম্পৰ্কত সন্দেহ ওপজাত শিমলা থানাৰ আৰক্ষীক এই বিষয়ে অৱগত কৰে। ৰাইজৰ অভিযোগ অনুসৰি আৰক্ষীয়ে সমগ্ৰ বিষয়টো তদন্তৰ বাবে গ্ৰহণ কৰি আজি ঘটনাস্থলীত উপস্থিত হৈ কন্যা জনীৰ মৃতদেহটো গাঁত খান্দি উদ্ধাৰ কৰে আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটা মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে। পৰিয়ালৰ লোকে এই সম্পৰ্কে উচিত বিচাৰ কৰি ন্যায় দিবলৈ আবেদন জনাইছে। সম্প্ৰতি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ এনে কৰ্মকাণ্ডৰ কথা জানিব পাৰি সকলোৰে চকু কপালত উঠিছে। এখন চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চিকিৎসকৰ ভুলৰ বাবে এটি ফুল কুমলীয়া কন্যাৰ প্ৰাণ হেৰুৱাব লগা ঘটনাই সমগ্ৰ অঞ্চল জোকাৰি গৈছে। আৰক্ষীৰ তদন্ততহে পোহৰলৈ আহিব ঘটনাৰ প্ৰকৃত ৰহস্য।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লীত বিৰোধী দলপতি নিৰ্বাচিত

বহিল দিল্লীৰ সদ্যপ্ৰাক্তন মুখ্যমন্ত্ৰী আতিশী। আজি আপ বিধায়কৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত দিল্লী বিধানসভাৰ বিৰোধী দলৰ নেতা মনোনীত কৰা হয় প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীক। লক্ষ্যণীয় যে, দিল্লীৰ ৰাজনৈতিক ইতিহাসত প্ৰথমগৰাকী মহিলা বিৰোধী দলপতি হিচাপে নিৰ্বাচিত হৈছে আতিশী। একে সময়তে আগন্তুক অধিৱেশনত দুগৰাকী মহিলা নেত্ৰী ক্ৰমে বিজেপিৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা আৰু বিৰোধী দলপতি আতিশী মুখামুখি হ'ব। আজি আপৰ বিধায়িনী দলৰ বৈঠকত বিধায়ক সঞ্জীৱ ঝাই আতিশীৰ নাম বিৰোধী দলৰ নেতা হিচাপে প্ৰস্তাৱ কৰে। এই সিদ্ধান্তৰ পিছত আতিশীয়ে কয়, 'মোক বিশ্বাস কৰাৰ বাবে আপৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱাল আৰু বিধায়িনী দলৰ প্ৰতি মই কৃতজ্ঞ। এটা শক্তিশালী বিৰোধী দলে ৰাইজৰ কণ্ঠক প্ৰতিনিধিত্ব কৰে। বিজেপিয়ে দিয়া প্ৰতিশ্ৰুতি আমি পূৰণ কৰিম।' উল্লেখ্য যে, অহা সোমবাৰৰ পৰা আৰম্ভ হ'ব দিল্লী বিধানসভাৰ অধিৱেশন। তিনিদিনীয়া এই অধিৱেশনৰ সময়ত বিজেপি চৰকাৰে আপ চৰকাৰৰ কাৰ্যকলাপৰ ওপৰত বাকী থকা কেগৰ প্ৰতিবেদন দাখিল কৰিবলৈ সাজু হৈছে। এই প্ৰসংগত আতিশীয়ে কয়, "মই মুখ্যমন্ত্ৰী হৈ থাকোঁতে অধ্যক্ষলৈ কেগৰ প্ৰতিবেদন প্ৰেৰণ কৰিছিলোঁ। ইয়াক বন্ধ খামত ভোটদানৰ পূৰ্বে বিধানসভাত জমা দিয়া হয়। বিজেপিয়ে প্ৰচাৰ চলাইছে যে তেওঁলোকে প্ৰতিবেদন প্ৰকাশ কৰিছে, কিন্তু প্ৰকৃত তথ্য জনসাধাৰণৰ মাজলৈ অনা উচিত।" মন কৰিবলগীয়া যে সদ্য সমাপ্ত দিল্লী বিধানসভাৰ নিৰ্বাচনত আপে ২২খন আসন লাভ কৰাৰ বিপৰীতে বিজেপিয়ে ৪৮খন আসন লাভ কৰি নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল।

# প্ৰথিতযশা সাহিত্যিক ড০ নগেন শইকীয়াৰ সহধৰ্মিনী লাৱণ্য শইকীয়াৰ বিয়োগ, দল-সগংঠনৰ শোক

**ই-সংবাদ, ডিব্ৰুগড়, ২৩ ফেব্ৰুৱাৰীঃ** ৰাজ্যখনৰ প্ৰথিতযশা সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, মিতভাষ স্ৰষ্টা ড° নগেন শইকীয়াৰ সহধৰ্মিনী তথা এগৰাকী আদৰ্শ মাতৃ লাৱণ্য শইকীয়াৰ আজি পুৱা ৭.৪৫ বজাত ৮৩ বছৰ বয়সত ডিব্ৰুগড়ত পৰলোকপ্ৰাপ্তি ঘটে। বিগত প্ৰায় দুমাহ ধৰি তেওঁ বৃক্ক আৰু মধুমেহজনিত ৰোগত আক্ৰান্ত হৈ স্থানীয় এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। ১৯৪৩ চনৰ ২৫ ডিচেম্বৰত গোলাঘাট জিলাৰ ঢেকিয়াল চাৰিআলিত জন্মগ্ৰহণ কৰা প্ৰয়াত লাৱণ্য শইকীয়াই স্বামী ড০ নগেন শইকীয়াৰ সাহিত্য জীৱনৰ বিশাল পৰিধি সৃষ্টিত সহযোগিতাৰ বিপৰীতে সকলো ঘৰুৱা দিশৰ চোৰাচিতা কৰিছিল। ২০১১ চনত প্ৰতিষ্ঠা কৰা অধ্যাপক নগেন শইকীয়া সাৰস্বত ন্যাস পৰিষদৰ তেওঁ দাত্ৰী আছিল আৰু সাহিত্যিকগৰাকীৰ সৃষ্টিসমূহ যাতে পাঠকৰ মাজলৈ লৈ যাব পাৰি তাৰবাবে ন্যাসক দায়িত্ব অৰ্পণ কৰিছিল। ১৯৬৫ চনৰ ১১ মে'ত ড° শইকীয়াৰ স'তে বিবাহপাশত আৱদ্ধ হোৱা প্ৰয়াত লাৱণ্য শইকীয়াই সকলো সময়তে স্বামীক সহযোগিতা আগবঢ়াইছিল আৰু তিনিটা সন্তান ক্ৰমে গৌতম শুভাকাংক্ষী শইকীয়া, কৌশিক শইকীয়া আৰু



গায়ত্ৰীৰ বৰুৱা শইকীয়াৰ বাবে এগৰাকী আদৰ্শ মাতৃ হিচাপে নিজকে প্ৰতিষ্ঠা কৰি গৈছে। স্বামীক সাক্ষাৎগ্ৰহণৰ বাবে অহা প্ৰতিগৰাকী ব্যক্তিক আন্তৰিকতাৰে আতিথ্য প্ৰদান কৰি সকলোৰে মনত ঠাই লোৱা এইগৰাকী নাৰীৰ মৃত্যুৰ খবৰ লাভ কৰাৰ পিছতেই তেওঁৰ জীৱন ফুকন নগৰস্থিত 'বৰ্ণমালা' বাসগৃহত অনেক লোকৰ সমাগম ঘটে। চিকিৎসালয়ৰ পৰা তেওঁৰ নশ্বৰ দেহ আহি পোৱাৰ লগে লগে সকলোৰে চকুলো সেমেকি উঠাৰ লগতে স্বামী ড০ নগেন শইকীয়াই অশ্ৰুসিক্ত নয়নেৰে জীৱন লগৰীক শেষ বিদায় জ্ঞাপন কৰে। তদুপৰি অধ্যাপক নগেন শইকীয়া সাৰস্বত ন্যাস পৰিষদৰ সভাপতি ড° কন্দৰ্প কুমাৰ ডেকাকে ধৰি ন্যাসৰ অন্যান্যসকলে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। অসম সাহিত্য সভা, ডিব্ৰুগড় সাহিত্য সভা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব, ডিব্ৰুগড় প্ৰেছ ক্লাব, লেখিকা সন্থাৰ ডিব্ৰুগড় শাখা, মিলনজ্যোতি সংঘ, ডিব্ৰুগড় মহিলা সাহিত্য কানন, স্থানীয় নামঘৰ পৰিচালনা সমিতি, ডিব্ৰুগড় চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজ, সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদ, সদৌ অসম লেখিকা সমাৰোহ সমিতি, ডিব্ৰুগড় বিজ্ঞান সমিতি, ডিব্ৰুগড় নাগৰিক মঞ্চ, ডিব্ৰুগড় জিলা ছাত্ৰ সন্থা, সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থা, জেউতি আলয়, বিহু সুৰক্ষা সমিতি, ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ শিক্ষক গোট, ডিব্ৰুগড় জিলা প্ৰশাসনকে ধৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি তথা গুণমুগ্ধই প্ৰয়াত লাৱণ্য শইকীয়াক শেষ শ্ৰদ্ধা নিবেদন কৰে। মৃত্যুৰ সময়ত প্ৰয়াত শইকীয়াই স্বামী আৰু পুত্ৰ-জীৰ লগতে দুই বোৱাৰী ক্ৰমে ড° মন্দিৰা বৰঠাকুৰ শইকীয়া, প্ৰীতি কলিতা শইকীয়া, জোঁৱাই বীৰেন বৰুৱা, নাতিনী সুজাতা, সুপ্ৰিয়া, ঋতজা, শ্ৰাৱস্তী চিন্ময়ানন্দকে ধৰি এখন পৰিপূৰ্ণ সংসাৰ এৰি যায়। দুপৰীয়া শতাধিক গুণমুগ্ধৰ উপস্থিতিত স্থানীয় চিৰিংচাপৰি শ্মশানত তেখেতৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

# পুৰণিগুদামৰ চলচলিৰ চন্দ্ৰজ্যোতি সংঘৰ প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ, পুৰণিগুদাম, ২৩ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অধীনৰ পুৰণিগুদাম চলচলিত থকা চন্দ্ৰজ্যোতি সংঘৰ আজি বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটি দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। ১৯৭৮ চনৰ ১৭ জানুৱাৰীত জন্মলাভ কৰা চন্দ্ৰজ্যোতি সংঘই প্ৰতিষ্ঠাৰ দিন ধৰি শৈক্ষিক, সামাজিক, সাংস্কৃতিক আৰু ক্ৰীড়াৰ দিশত কাম কৰি আহিছে। পোনপ্ৰথমবাৰৰ অসমত সদৌ অসমভিত্তিত পূৰ্ণাংগ নাট প্ৰতিযোগিতা অনুষ্ঠিত কৰি অসমবাসীৰ মাজত চিনাকী হৈ পৰা চন্দ্ৰজ্যোতি সংঘৰ আজি বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ দিনটোত বিভিন্ন বিদ্যালয়ৰপৰা অহা ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক অনুষ্ঠানে পৰিৱেশ জীপাল কৰি তোলে। বামুনী মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰীসকলে ঝুমুৰ, কাৰ্বি আৰু বড়ো নৃত্য প্ৰদৰ্শন কৰাৰ লগতে পি ডি জি হাইস্কুল চলচলিৰ ছাত্ৰ-ছাত্ৰীৰ লগতে আন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ কৰি জীপাল কৰে চন্দ্ৰজ্যোতি প্ৰেক্ষাগৃহ। ইয়াৰ উপৰিও প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি চন্দ্ৰজ্যোতি প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা সভাত সভাপতিত্ব কৰে চন্দ্ৰজ্যোতি সংঘৰ সভাপতি পদুম বৰাই। সম্পাদক বিপুল পঞ্চাননে উদ্দেশ্য আৰু ব্যাখ্যা কৰা সভাৰ আৰম্ভণিতে এটা বৰগীত পৰিৱেশন কৰে সীমা দেৱীয়ে। সভাৰ মাজতে চন্দ্ৰজ্যোতি সংঘলৈ ভূমিদান কৰা প্ৰয়াত দেৱেশ্বৰ শৰ্মাৰ পৰিয়ালক সংঘৰ তৰফৰপৰা বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সভাত দেৱেশ্বৰ শৰ্মাৰ নাতি ত্ৰিদিপ শৰ্মাই ভাষণ প্ৰসংগত কয় যে তেওঁৰ ককাক প্ৰয়াত দেৱেশ্বৰ শৰ্মাৰ সমাজৰ বাবে যি ত্যাগ সেয়া শলাগ ল'বলগীয়া। এনেক্ষেত্ৰত এজন মহান ব্যক্তিৰ পৰিয়ালৰ এজন হিছাপে আজি গৌৰৱবোধ কৰিছো। সভাত আগন্তুক দুটা বছৰৰ বাবে পূৰ্বৰ সভাপতি পদুম বৰাক সভাপতি, কেশৱ শইকীয়াক কাৰ্যকৰী সভাপতি, নগেন শইকীয়া, পৱন ৰাজখোৱা, ৰঞ্জিত ভড়ালীক উপ-সভাপতি অভিজিত বৰাক সাধাৰণ সম্পাদক হিচাপে লৈ গঠন হোৱা ২১ জনীয়া নতুন সমিতিয়ে আজিৰ প্ৰতিষ্ঠা দিৱসত কাৰ্যভাৰ গ্ৰহণ কৰে। সভাত চন্দ্ৰজ্যোতি সংঘৰ প্ৰক্ষাগৃহটি আৰু ভূমি স্বৰ্গীয় দেৱেশ্বৰ শৰ্মাৰ নামেৰে নামাকৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# ৰাজীৱ শদিয়া স্মৃতি বন উদ্যানৰ নামত ১০ বিঘা ভূমি দান দেওপানী চাপৰিৰ খৰাই তাপুবাসীৰ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৩ ফেব্ৰুৱাৰীঃ** তিনিচুকীয়া জিলাৰ ৮১ নং শদিয়া বিধানসভা সমষ্টি তথা শদিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত দেওপানী চাপৰিৰ খৰাই তাপুত থকা এক বৃহত্তৰ অঞ্চলৰ জৰীপ নোহোৱা ভূমি খৰাই তাপু গাঁৱৰ ৰাইজৰ উপস্থিতিত আজি সূৰুমুখী যুৱ সংঘই এখন ৰাজহুৱা সভা পাতি বন বিভাগক প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰ নামত ১০ বিঘা ভূমি ৰাজীৱ শদিয়া স্মৃতি বন উদ্যান নামকৰণ কৰি গঢ়ি তুলিবলৈ খৰাই তাপু গাঁওবাসীয়ে দান কৰে। উক্ত ১০ বিঘা ভূমি ৰাজীৱ শদিয়া স্মৃতি বন উদ্যান নামেৰে নামাকৰণ কৰিবলৈও খৰাই তাপু গাঁওবাসীয়ে প্ৰস্তাৱ আগবঢ়ায়। এই ৰাজহুৱা সভাত শদিয়া বনাঞ্চলিক কাৰ্য্যালয়ৰ বনপালক বিৰিঞ্চি বুঢ়াগোহাঁই, ডুমডুমা বন সংমণ্ডলৰ কৃষ্ণকান্ত গগৈ, ছৈখোৱা বনাঞ্চলিক কাৰ্য্যালয়ৰ বনৰক্ষী সঞ্জয় ভূঞা, কুণ্ডিল উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক ভূপেন বুঢ়াগোহাঁই, শদিয়াৰ স্থানীয় শিল্পী মহন্ত বুঢ়াগোহাঁইৰ লগতে কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। সভাত সভাপতিত্ব কৰাৰ লগতে পৰিচালনা কৰে খৰাই তাপু গাঁৱৰ নিবাসী পুষ্প নাথে। সভাত প্ৰায় দুই শতাধিক লোকে ভাগ লয়।

# ইফালে পৰীক্ষা, আনফালে গান-বাজানাত ব্যস্ত সংগঠন!

**ই-সংবাদ, শুৱালকুছি, ২৩ ফেব্ৰুৱাৰীঃ** উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা চলি থকাৰ মাজতে অনুসূচিত জাতি যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিয়ে শুৱালকুছিত উচ্চ প্ৰাবল্যৰ শব্দৰে দুপৰনিশালৈ সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰাক লৈ শুৱালকুছিত সৃষ্টি হৈছে ব্যাপক প্ৰতিক্ৰিয়াৰ। শুৱালকুছিৰ কৃষ্ণ মন্দিৰ প্ৰাংগণত অনুসূচিত জাতি যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ দশম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ নিমন্ত্ৰণী-পত্ৰত ৰাজ্যখনৰ তিনিকুৰিৰো অধিক মন্ত্ৰী, বিধায়ক, ৰাজনৈতিক নেতা, সামাজিক ব্যক্তি, উদ্যোগী, চৰকাৰী বিষয়া আদিৰ নাম অতিথি হিচাপে উল্লেখ আছিল যদিও তেনে ব্যক্তিৰ দহগৰাকীও কাৰ্যসূচীত উপস্থিত নোহোৱাত উক্ত কাৰ্যসূচী ভেকোভাওনাত পৰিণত হয়। আনকি সংবিধান প্ৰণেতা ড° বি আৰ আম্বেদকাৰ, বিশ্বশিল্পী ড° ভূপেন হাজৰিকা আৰু সতী সাধনীৰ প্ৰতিচ্ছবিত মাল্যৰ্পন আৰু বন্তি প্ৰজ্বলনৰ দিনৰ এঘাৰ বজাৰ কাৰ্যসূচী সন্ধিয়াহে ৰূপায়ণ কৰা কাৰ্যই অনুষ্ঠানটিৰ নেতৃত্বৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি ভেঙুচালি কৰা পৰিলক্ষিত হৈছে। আমন্ত্ৰিত অতিথিৰ অনুপস্থিতিৰ বাবে দিনত মুকলি সভা অনুষ্ঠিত নকৰি কেৱল সন্ধিয়াৰেপৰা নিশা দুপৰলৈকে কণ্ঠশিল্পী পাপৰি শইকীয়াৰ সংগীতানুষ্ঠান আয়োজন কৰে। উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা চলি থকাৰ মাজতে অনুসূচিত জাতি যুৱ-ছাত্ৰ পৰিষদৰ সংগীতানুষ্ঠানৰ উচ্চ প্ৰাবল্যৰ শব্দই পৰীক্ষাৰ্থী আৰু অভিভাৱকসকলক অতিষ্ঠ কৰি তোলে আৰু সংগঠনটোৰ এনে কাণ্ডজ্ঞানহীনতাক তীব্ৰ ভাষাৰে ধিক্কাৰ দিছে স্থানীয় ৰাইজৰ লগতে সচেতন মহলে।

# মাজুলীত বনদস্যুৰ হাতোৰা, চোৰাং কাঠ জব্দ বন বিভাগৰ

**ই-সংবাদ, মাজুলী, ২৩ ফেব্ৰুৱাৰীঃ** প্ৰকৃতিৰ ৰম্যভূমি মাজুলীত এতিয়া এচাম অসাধু চক্ৰ নামিছে বনাঞ্চল ধ্বংসযজ্ঞত। মাজুলীৰ চৰ-চাপৰিসমূহৰ লগতে বিভিন্ন অঞ্চলৰ শিমলুকে আদি কৰি মূল্যবান গছ কাটি তহিলং কৰিছে বনদস্যুৱে। মাজুলীৰ ভকত চাপৰিৰ লগতে ইয়াৰ আশে-পাশে অঞ্চলসমূহত দীৰ্ঘদিনৰপৰা ধ্বংসযজ্ঞ চলি আহিছে। দীৰ্ঘদিনে চলি অহা এই চক্ৰৰ বিৰুদ্ধে বিভিন্ন সময়ত প্ৰকৃতিপ্ৰেমীসকলে অভিযোগ উত্থাপন কৰি অহা স্বত্তেও কিন্তু বন বিভাগৰ লোকে কোনো ব্যৱস্থাগ্ৰহণ নকৰাৰ অভিযোগ উঠি আহিছে। উক্ত অঞ্চলত চোৰাং কাঠ সৰবৰাহ হৈ থকাৰ মাজতেই আজি জুগুণিধাৰী অঞ্চলৰ পৰা এখন কাঠ ভৰ্তি ট্ৰেক্টৰ বনবিভাগৰ লোকে জব্দ কৰে। তথ্য অনুসৰি আউনীআটি সত্ৰৰ সমীপৰ জুগুণিধাৰী গাঁৱত বিয়লিভাগত চোৰাংকৈ শিমলু গছ কাটি থকাৰ তথ্য লাভ কৰে মাজুলী আৰক্ষীয়ে। ইয়াৰ পাছতেই আৰক্ষীয়ে বন বিভাগৰ লোকক খবৰ দিয়াত বন বিভাগ আৰু আৰক্ষীৰ যুটীয়া অভিযানত AS02 HC4028 নম্বৰৰ শিমলু কাঠভৰ্তি ট্ৰেক্টৰখন জব্দ কৰে। এই সম্পৰ্কত বন বিভাগক খবৰ লোৱাত বন বিভাগে ট্ৰেক্টৰ চালক মাণিক পায়েং আৰু দেৱজিৎ গামক সোধা-পোচা কৰিছে বুলি জানিবলৈ দিছে। এতিয়ালৈকে বন বিভাগে কোনো আইনী ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি জানিবলৈ দিয়াৰ লগতে কটা গছ ম্যাদি মাটিৰ নে চৰকাৰী ভূমিৰ সেইতো অনুসন্ধান কৰাৰ পাছতেই জনাব পৰা যাব বুলি জানিবলৈ দিয়ে। বন বিভাগৰ এই মন্তব্যত মাজুলীৰ প্ৰকৃতিপ্ৰেমীৰ মাজত প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। আনহাতে, দেৱজিৎ গামে সাংবাদিকৰ সন্মুখত বন বিভাগৰ বিৰুদ্ধে চাঞ্চল্যকৰ মন্তব্য কৰি কয়- মই গছ ঘৰৰ বাবে কাটিছিলো আৰু গছ কটাৰ কথা বন বিভাগক সোধাত পথৰ কাষৰ গছ কাটিবলৈ মানা কৰা লগতে ভিতৰৰ গছ কাটিবলৈ অনুমতি দিছিল। আমিও কিছু কামত বন বিভাগৰ লোকক সহায় কৰি থাকো বুলি তেওঁ তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। মাজুলীত এতিয়া প্ৰত্যেকটো অঞ্চলতেই বন ধংসযজ্ঞত নামি পৰিছে অসাধু কাঠ ব্যৱসায়ী। সৰুৰপৰা ডাঙৰলৈ এতিয়া এফালৰপৰা কাটি তহিলং কৰিছে শিমলু গছ। এইবিলাক দেখিও নেদেখাৰ ভাও ধৰে মাজুলীৰ বন বিভাগৰ বিষয়াই বুলি অভিযোগ আনিছে প্ৰকৃতিপ্ৰেমীয়ে।

# যোৰহাটৰ পহুমৰা গ্ৰেজিঙত পথ দুৰ্ঘটনাত এজন নিহত

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৩ ফেব্ৰুৱাৰীঃ** যোৰহাটৰ পুলিবৰ থানাৰ এলেকাভুক্ত উত্তৰ-পশ্চিম যোৰহাটৰ পহুমৰা গ্ৰেজিঙৰ মালৌআলিৰ দ-গাঁও-এলেংমৰাৰ মাজৰ অংশত শনিবাৰে নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত এজনৰ থিতাতে মৃত্যু হোৱাৰ লগতে আনজন গুৰুতৰভাৱে আহত হয়। নিহত নৃপেন বৰুৱা (৪২) খঙীয়া সূতাৰ গাঁৱৰ, আহত বাবু শইকীয়া (১৮) চেঙেলীআটিৰ। ঘটনাৰ বিৱৰণী মতে, দুয়োজন এ এছ ০৩ এ এম ১১৫২ নম্বৰৰ পালচাৰ মটৰচাইকেলেৰে যোৰহাটৰপৰা ঘৰলৈ আহি আছিল। উক্ত পথৰ কেঁকুৰীটোত নিৰ্দেশনাৰ বাবে পুতি থোৱা পকী খুঁটা তিনিটা ভাঙি লোক দুজন কলমৌৰ মাজত সোমাই পৰে। ঘটনাটো স্থানীয় লোকে প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে দুয়োকে যোৰহাটৰ চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। চিকিৎসকে নৃপেন বৰুৱাক মৃতৰূপে ঘোষণা কৰে। আনজন চিকিৎসালয়খনতে চিকিৎসাধীন হৈ আছে।দুৰ্ঘটনাটোৰ ফলত বাহনখনো বিধ্বস্ত হয়।

# অইল শিক্ষাৰত্ন পুৰস্কাৰ বন্ধ কৰাক লৈ সৰ্বত্ৰে প্ৰতিক্ৰিয়া

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৩ ফেব্ৰুৱাৰীঃ** দেশৰ ৰাজহুৱা খণ্ডৰ লাভজনক উদ্যোগ প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডে ২০১৩ বৰ্ষৰপৰা প্ৰৱৰ্তন কৰা এখন আঁচনি কেইবা বছৰ ধৰি বন্ধ হৈ থকাৰ কথ সম্প্ৰতি পোহৰলৈ আহিছে। অইল ইণ্ডিয়া লিমিটেডে ২০১৩ বৰ্ষৰপৰা অসম চৰকাৰৰ অন্তৰ্গত প্ৰাদেশীকৃত (প্ৰাথমিকৰ পৰা মাধ্যমিক পৰ্যায়ৰ) বিদ্যালয় আৰু ৰাজ্যিক বিশ্ববিদ্যালয়কেইখনৰ অনুজ্ঞাপ্ৰাপ্ত অকাৰিকৰী মহাবিদ্যালয়ৰ শিক্ষককলৈ সমাজৰ প্ৰতি আগবঢ়াই অহা সৰ্বাংগীণ অৱিহণাৰ স্বীকৃতিস্বৰূপে অইল শিক্ষাৰত্ন পুৰস্কাৰ আগবঢ়াই আহিছিল। অইল শিক্ষাৰত্ন পুৰস্কাৰত প্ৰতিগৰাকী বিজয়ীয়ে নগদ ধন, ৰূপৰ ফলক আৰু অন্যান্য উপহাৰ লাভ কৰে। অইল ইণ্ডিয়া লিমিটেডৰ সুদূৰপ্ৰসাৰী সমাজ কল্যাণ আঁচনিৰ জৰিয়তে অইল ইণ্ডিয়াই নিজৰ কৰ্মাঞ্চলৰ জনসাধাৰণৰ জীৱন প্ৰণালীলৈ কঢ়িয়াই অনা পৰিৱৰ্তন অব্যাহত থাকিব বুলি অংগীকাৰবদ্ধ বুলি কৈ আহিলেও এতিয়া যেন ই এক শ্লোগানতহে পৰিণত হৈছে। উল্লেখ্য যে অইল শিক্ষাৰত্ন পুৰস্কাৰ কেৱল এটি বঁটাই নহয়, এই পুৰস্কাৰে অন্যান্য শিক্ষকসকলকো নিজৰ বৃত্তিত পাৰদৰ্শিতা অৰ্জন কৰিবলৈ উৎসাহিত কৰাৰ লগতে এই পুৰস্কাৰে শিক্ষকসকলক নিজ দায়বদ্ধতাত স্থিতপ্ৰজ্ঞ হৈ থকাত উৎসাহিত কৰে। ২০১৩-২০১৯ বৰ্ষপৰ্যন্ত অসমৰ প্ৰায় ৩৫ গৰাকী শিক্ষকক অইল শিক্ষাৰত্ন পুৰস্কাৰেৰে সন্মানিত কৰিছিল যদিও ২০১৯ চনৰ পাছৰ পৰাই অজ্ঞাত কাৰণত অইল ইণ্ডিয়া লিমিটেডে এই পুৰস্কাৰ বন্ধ কৰি ৰখাৰ তথ্য পোৱা গৈছে। যি সময়ত দুলীয়াজানৰ মুখ্য প্ৰশাসনিক কাৰ্য্যালয়ৰপৰা চাৰিটাকৈ গুৰুত্বপূৰ্ণ বিভাগ গাণনিক, মানৱ সম্পদ নিয়োগ, মানৱ সম্পদ উন্নয়ন, ঠিকা আৰু ক্ৰয় বিভাগ প্ৰথমে গুৱাহাটীলৈ আৰু পিছত নয়দালৈ স্থানান্তৰ কৰিবলৈ যো-জা কৰাৰ অভিযোগ উত্থাপিত হৈছিল, সেই সময়তে অইল শিক্ষাৰত্ন পুৰস্কাৰৰ দৰে সন্মানীয় বঁটা বছৰ বছৰ ধৰি বন্ধ হৈ থকাৰ সন্দৰ্ভত অইল ইণ্ডিয়া লিমিটেডে কি প্ৰতিক্ৰিয়া ব্যক্ত কৰে সেয়া লক্ষণীয় হ'ব। উল্লেখ্য যে, অইলৰ বিৰুদ্ধে অইল ইণ্ডিয়াৰ সামাজিক দায়বদ্ধতাৰ পুঁজি অসমৰ ৰাইজৰ স্বাৰ্থত ব্যৱহাৰ নকৰাৰ অভিযোগো দীৰ্ঘদিনৰে পৰা উত্থাপন হৈ আহিছে।

# ১৯৫০ চনৰ প্ৰলয়ংকৰী বান-ভূমিকম্প সাহায্য অভিযানৰ শ্বহীদ, চক্ৰ বিষয়া অজয় মেচৰ পৰিয়ালৰ সন্ধান লাভ

**ই-সংবাদ, ডিব্ৰুগড়, ২৩ ফেব্ৰুৱাৰীঃ** ১৯৫০ চনৰ প্ৰলয়ংকৰী ভূমিকম্প আৰু তাৰ পাছত হোৱা বানপানীত আক্ৰান্তসকলৰ উদ্ধাৰ অভিযানত গৈ মৃত্যুক সাৱটি লোৱা ডিব্ৰুগড়ৰ ছয় শ্বহীদৰ অন্যতম, চক্ৰ বিষয়া অজয় মেচৰ পৰিয়ালৰ সৈতে সম্প্ৰতি যোগাযোগ হৈছে। শ্বহীদ স্মৃতিৰক্ষা সমিতিৰ সম্পাদক অনিল প্ৰসাদ সিংহই জানিবলৈ দিয়ে যে অজয় মেচ আছিল গণশিল্পী বিষ্ণু ৰাভাৰ বায়েকৰ পুতেক অৰ্থাৎ বিষ্ণুৰাভাৰ ভাগিনীয়েক। বিষ্ণু ৰাভাৰ বিধায়ক-পুত্ৰ পৃথিৰাজ ৰাভাৰপৰা এই সম্ভেদ লাভ কৰিছে ডিব্ৰুগড়ৰ শ্বহীদ স্মৃতিৰক্ষা সমিতিয়ে। ২০০৯ চনতে গঠন কৰা শ্বহীদ স্মৃতিৰক্ষা সমিতিয়ে ব্ৰহ্মপুত্ৰৰ বুকুত প্ৰাণ আহুতি দিয়া ছগৰাকী শ্বহীদৰ স্মৃতি সুৰক্ষাৰ বাবে কাম কৰি আহিছে যদিও আটাইকেইজন শ্বহীদৰ পৰিয়ালৰ লোকৰ সম্ভেদ উলিয়াব পৰা নাই বাবে তাৰো অনুসন্ধান চলাই আছে। উল্লেখ্য যে ১৯৫০ চনৰ প্ৰলয়ংকৰী ভূমিকম্প আৰু তাৰপাছত হোৱা বানপানীত আক্ৰান্তসকলৰ উদ্ধাৰ অভিযানত গৈ মৃত্যুক সাৱটি লোৱা ডিব্ৰুগড়ৰ ছগৰাকী শ্বহীদ আছিল ক্ৰমে- জীৱনৰাম ফুকন, বাবুলাল পোদ্দাৰ, অজয় মেচ, হনুমান প্ৰসাদ সিংহানিয়া, গৌৰিচান্দ সিং আৰু ৰুদ্ৰ বৰঠাকুৰ। ১৯৫০ চনৰ ২২ অক্টোবৰৰ দিনা নৌকা দুৰ্ঘটনাত আটাইকেইজনৰ মৃত্যু হৈছিল। শ্বহীদ স্মৃতিৰক্ষা সমিতিৰ সম্পাদক অনিল প্ৰসাদ সিংহই বিধায়ক পৃথিৰাজ ৰাভাক গুৱাহাটীত সাক্ষাৎ কৰি ডিব্ৰুগড়ত ছয় শ্বহীদৰ স্মৃতিৰক্ষাৰ বাবে কৰি থকা কামৰ বিষয়ে অৱগত কৰাৰ লগতে 'শ্বহীদ তৰ্পন' শীৰ্ষক স্মাৰক গ্ৰন্থ প্ৰদান কৰে। লগতে বিধায়ক ৰাভাৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ শ্বহীদৰ স্মৃতিত ডিব্ৰুগড়ত নিৰ্মিত উদ্যানখনৰ উন্নয়নৰ বাবে আৰ্থিক অনুদান বিচাৰি আবেদন জনায়।

# মানাহত ১৩ কেজি ওজনৰ দুটা হাতীৰ দাঁতসহ গ্ৰেপ্তাৰ এজন চোৰাংচিকাৰী

**ই-সংবাদ, বৰপেটাৰোড, ২৩ ফেব্ৰুৱাৰীঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বনকৰ্মীয়ে শনিবাৰে বৃহৎ পৰিমাণৰ হাতীৰ দাঁতসহ এজন চোৰাংচিকাৰী আটক কৰিবলৈ সক্ষম হয়। দীৰ্ঘদিন ধৰি এক বৃহৎ চক্ৰই চলাই আহিছে ৰমৰমীয়া বেহা। মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ উপ-সঞ্চালক শেশীধৰ ৰেড্ডী, বন বিষয়া বাবিন বড়োৰ নেতৃত্বত এটা বনকৰ্মীৰ দলে অভিযান চলাইঅযোধ্যাপুৰ ২ নং বংৰুন গাঁৱৰপৰা ১৩ কেজি ওজনৰ দুটা হাতীৰ দাঁতসহ সদৰ নাৰ্জাৰীৰ পুত্ৰ সাধীন নাৰ্জাৰীক গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰে।

## প্ৰগতিশীল নাৰী সন্থাৰ প্ৰতিক্ৰিয়া, মুখ্যমন্ত্ৰীক সৰ্বত্ৰে ধিক্কাৰ

# নিয়মীয়াকৰণ নহ'ল চাকৰি ৰাজ্যৰ অৰ্হতা সম্পন্ন টিউটৰৰ হাঁহাকাৰ

**ই-সংবাদ বিশেষ, কলগাছিয়া, ২৩ ফেব্ৰুৱাৰীঃ** ৰাজ্যৰ অৰ্হতাসম্পন্ন শ শ টিউটৰৰ মাজত হাহাকাৰৰ সৃষ্টি হৈছে। শিক্ষা বিভাগৰ চৰম গাফিলতিৰ বাবে বহু টিউটৰে অৱসৰ লোৱাৰ উপক্ৰম হৈ পৰিছে। মাহিলী দৰমহা হিচাপে ১২ৰপৰা ১৮ হাজাৰকৈ টকা লাভ কৰি কোনো মতে পেটে-ভাতে খাই জীৱীকা নিৰ্বাহ কৰা টিউটৰৰ পৰিয়াল এতিয়া হাহাকাৰত ভুগিবলগীয়া হৈছে। উল্লেখ্য যে ২০২১ চনত অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানসমূহত কৰ্মৰত শিক্ষকসকলৰ Post Provincialised কৰাৰ সময়ত সেই সময়ৰ শিক্ষামন্ত্ৰী তথা বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে কৈছিল যে যিসকল শিক্ষকৰ প্ৰয়োজনীয় বৃত্তিগত অৰ্হতা নাই তেওঁলোকক বৰ্তমানে টিউটৰ হিচাপে নিযুক্তি দিয়া হৈছে আৰু এইসকল শিক্ষক-শিক্ষয়িত্ৰীয়ে যেতিয়াই তেওঁলোকে প্ৰয়োজনীয় অৰ্হতাসমূহ আহৰণ কৰিব তেতিয়াই তেওঁলোকৰ চাকৰী টিউটৰৰপৰা শিক্ষকলৈ উন্নীত কৰা হ'ব। সেই অনুসৰি টিউটৰ হিচাপে নিযুক্তি পোৱা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ একাংশই তেওঁলোকৰ প্ৰয়োজনীয় বৃত্তিগত অৰ্হতা বিভাগীয় নীতি-নিয়ম মতে আহৰণ কৰা আজি ডেৰ-দুবছৰ পাৰ হ'ল। যদিও চৰকাৰী ৰঙাফিটাৰ মেৰপেচত পৰি আজি দীৰ্ঘদিন ধৰি নিযুক্তিৰপৰা বঞ্চিত হৈ আছে। এই শিক্ষক-শিক্ষয়িত্ৰীসকলৰ চাকৰীৰ ফাইল কেতিয়া চৰকাৰী ৰঙা ফিটাৰ মেৰপেচৰ পৰা মুক্ত হ'ব আৰু কেতিয়া তেওঁলোক টিউটৰৰপৰা শিক্ষকলৈ উন্নীত হ'ব তাক লৈ টিউটৰসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এইক্ষেত্ৰত ২০২৩ চনৰ জুন মাহতে বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ জৰিয়তে মাধ্যমিক শিক্ষা সঞ্চালকৰ কাৰ্যালয়ত টিউটৰ সকলৰ বৃত্তিগত ডিগ্ৰী আৰু ৫০% ৰ যাৱতীয় তথ্য দাখিল কৰা দিনৰেপৰা এফেক্ট ডেট ঘোষণা কৰাৰ লগতে চলিত মাহৰ ভিতৰত নিযুক্তি প্ৰদান কৰিবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীৰ দৃষ্টিগোচৰ কামনা কৰিছে ভুক্তভোগী লোকসকলে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

# নগাঁৱত পাঁচদিনে সন্ধান নাই বয়োজ্যেষ্ঠা মহিলাৰ

**ই-সংবাদ, বেবেজীয়া, ২৩ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ জাজৰি আৰক্ষী থানাৰ এলেকাধীন গেন্ধোৱা পথাৰৰ এগৰাকী বয়োজ্যেষ্ঠা মহিলা পাঁচদিন ধৰি সন্ধানহীন হৈ থকা ঘটনাই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। নিৰুদ্দিষ্ট ৫৮ বছৰীয়া মহিলাগৰাকী হৈছে হাতীযুঁজোৱাৰ গেন্ধোৱা পথাৰ গাঁৱৰ নিৱাসী বাবুল হুছেইনৰ মাতৃ ৰাহেলা খাতুন। যোৱা ১৯ ফেব্ৰুৱাৰীত ঘৰৰপৰা ওলাই যোৱাৰ পিছৰেপৰাই নিখোজ হৈ পৰে মহিলাগৰাকী। মানসিকভাৱে কিছু বিকাৰগ্ৰস্ত মহিলাগৰাকী পূৰ্বেও এনেদৰে ঘৰৰপৰা ওলাই যায় যদিও পুনৰ ঘৰলৈ উভতি আহে। কিন্তু এইবাৰ ঘৰৰপৰা ওলাই যোৱাৰ পাঁচদিনৰ পিছতো ঘৰলৈ উভতি নহাত পৰিয়ালৰ লোকৰ মাজত হাহাকাৰ সৃষ্টি হৈছে। ইতিমধ্যে মহিলাগৰাকীৰ পুত্ৰৰ লগতে পৰিয়ালৰ লোকে সম্ভাব্য সকলো ঠাইতে বিচাৰ-খুচাৰ কৰাৰ লগতে জাজৰি আৰক্ষীকো অৱগত কৰিছে যদিও মহিলাগৰাকীৰ আজিকোপতি কোনো শুং-সূত্ৰ বাহিৰ নোহোৱাত পৰিয়ালৰ লোকসকল মানসিকভাৱে ভাগি পৰিছে। সেয়ে নিৰুদ্দেশ হোৱাৰ সময়ত হালধীয়া শাৰী পৰিধান কৰি থকা বয়োজ্যেষ্ঠা মহিলাগৰাকীৰ যদি কোনো ব্যক্তিয়ে কিবা সম্ভেদ পায় তেন্তে 99575-19746, 78965-93682 আৰু 69018-53780 ম'বাইল নম্বৰ অথবা ওচৰৰ আৰক্ষী থানাত যোগাযোগ কৰিবলৈ মহিলাগৰাকীৰ দুৰ্ভগীয়া পৰিয়ালবৰ্গই অনুৰোধ জনাইছে বুলি কয়। সমাগত বিটিচি পৰিষদীয় নিৰ্বাচনত কোনখন জিলাৰ পৰা

# ছৈখোৱাত নিশা ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা

**ই-সংবাদ, তিনিচুকীয়া, ২৩ ফেব্ৰুৱাৰী :** শদিয়া সমজিলাৰ অন্তৰ্গত তথা ধলা আৰক্ষী থানাৰ এলেকাধীন ভুৱনখাল গাঁৱত দমাই ৰখা বৃহৎ আকাৰৰ খেৰৰ পুজি যোৱানিশা জুই লগাত জ্বলি চাৰখাৰ হৈ পৰে। নিশা কোনো দুৰ্বৃত্তই খেৰৰ পুজিটো জ্বলাই দিয়াৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। ঘটনা সংঘটিত হোৱাৰ মাত্ৰকেই গাঁওখনত হুৱাদুৱা লাগে। ঘটনাৰ সম্পৰ্কে অগ্নিনিৰ্বাপক বাহিনীক ফোনযোগে খবৰ দিয়া হয় যদিও স্থানীয় ৰাইজৰ তৎপৰতাত জুই নিৰ্বাপন হোৱাৰ পাছতহে পুৱা অগ্নিনিৰ্বাপক বাহন ঘটনাস্থলীত উপস্থিত হয়। জুইত জাহ যোৱা খেৰখিনিৰ মূল্য প্ৰায় ৪ লাখ টকা বুলি জানিব পৰা গৈছে। গাঁওখনৰ নিৱাসী তথা খেৰৰ ব্যৱসায়ী কৃপেশ দেৱনাথে খেৰৰ ব্যৱসায়েৰে পৰিয়াল পোহপাল দি আহিছিল যদিও খেৰখিনি জুইত জাহ যোৱাত এতিয়া মূৰে-কপালে হাত দিবলগীয়া হৈছে। অগ্নিনিৰ্বাপক বাহিনীৰ বাহন সময়মতে উপস্থিত নোহোৱাক কেন্দ্ৰ কৰি ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰায় ৫০ হাজাৰো অধিক লোকৰ বসতিপূৰ্ণ ছৈখোৱা (ধলা) অঞ্চলত আজিপৰ্যন্ত অগ্নিনিৰ্বাপক বাহিনীৰ এটি কেন্দ্ৰ গঢ়ি নুঠাক লৈ স্থানীয় দল-সংগঠনে ক্ষোভ প্ৰকাশ কৰিছে। বৃহত্তৰ অঞ্চলটোত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হ'লে চপাখোৱা অথবা ডুমডুমা-তিনিচুকীয়াৰ পৰা অগ্নিনিৰ্বাপক বাহন যাব লগা হয়। অঞ্চলটোত অচিৰেই অগ্নিনিৰ্বাপক বাহিনীৰ কেন্দ্ৰ স্থাপনৰ বাবে ৰাইজে দাবী তুলিছে।

# ৰঙিয়া সমজিলা ডিজিটেল প্ৰেছ ক্লাবৰ কাৰ্যালয় উদ্বোধনী অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, ৰঙিয়া, ২৩ ফেব্ৰুৱাৰীঃ** কেন্দুকোণাত নৱগঠিত ৰঙিয়া সমজিলা ডিজিটেল প্ৰেছ ক্লাবৰ কাৰ্যালয় উদ্বোধনী অনুষ্ঠান ব্যাপক জাকজমকতাৰে সম্পন্ন হৈ যায়। দিনযোৰাকৈ অনুষ্ঠিত কৰা অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত পতাকা উত্তোলন কৰে সভাপতি জিতুমণি শৰ্মাই। ইয়াৰ পিছতে স্মৃতি তৰ্পণ কৰে সম্পাদক অজয় কুমাৰ ডেকাই। আনহাতে, কাৰ্যালয় গৃহটিৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী খাইৰুল আহমেদে। ইফালে অনুষ্ঠানৰ লগত সংগতি ৰাখি স্থানীয় জৱহৰলাল নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয় মুকলি সভা। অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক মহীধৰ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি এমন্ত্ৰণৰ উপ-প্ৰৱন্ধক তথা সংস্কৃতিৰ দাপোন কাকতৰ মুখ্য সম্পাদক দিনমনি ভাণ্ডাৰ কায়স্থই সাম্প্ৰতিক সময়ত ডিজিটেল সংবাদ মাধ্যমৰ জনপ্ৰিয়তা আৰু গুৰুত্ব সন্দৰ্ভত ভাষণ প্ৰসংগত আলোকপাত কৰে। আনহাতে, একেখন মঞ্চতে বিশিষ্ট অতিথিৰূপে আই নিউজ নৰ্থ-ইষ্ট চেনেলৰ পৰিচালন সঞ্চালিকা নিৰ্মালী দেৱী তালুকদাৰে অংশগ্ৰহণ কৰি সাম্প্ৰতিক সময়ৰ পৰিৱৰ্তনশীল সংবাদ মাধ্যমৰ ৰেহৰূপ সন্দৰ্ভত বক্তব্য ৰাখে। অনুষ্ঠানটোত আমন্ত্ৰিত অতিথিৰূপে প্ৰাক্তন আৰক্ষী অধীক্ষক হেমন্ত ভট্টাচাৰ্য, আছুৰ প্ৰাক্তন উপ-সভাপতি ধৰ্মেশ্বৰ দাস প্ৰমুখ্যে আন কেবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি অনুষ্ঠানটোৰ তৰফৰ পৰা ৰঙিয়া সমজিলাৰ অন্তৰ্গত ১৫ টা মহিলা আত্মসহায়ক গোটৰ সভানেত্ৰী-সম্পাদিকাৰ লগতে এগৰাকী বিশেষভাৱে সক্ষম লোককো বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়।




ওদালগুৰি প্ৰেছ ক্লাবৰ একাদশ দ্বি-বাৰ্ষিক অধিবেশনৰ সামৰণি, ফটোঃ ই-সংবাদ, ওদালগুৰি

## শৈক্ষিক, সামাজিক, সংস্কৃতিকে ধৰি সকলো সমস্যাৰ পৰ্যালোচনা

# বৰমাত এবছুৰ নেতৃত্বত ৩০টা জাতীয় সংগঠনৰ যৌথ সভা

**ই-সংবাদ, বৰমা, ২৩ ফেব্ৰুৱাৰী:** আজি বাক্সাৰ বৰমা মহাবিদ্যালয়ৰ সভাকক্ষত বিটিএডিৰ ৩০ টা জাতীয় সংগঠনক লৈ এবছুৰ নেতৃত্বত অনুষ্ঠিত হয় শৈক্ষিক আৰু জাতীয় সমস্যা সমাধানৰ এখন যৌথ সভা। জাতীয় সংগঠনসমূহক লৈ অনুষ্ঠিত সভাখনত প্ৰতিটো জনগোষ্ঠীৰ শৈক্ষিক, সামাজিক, সংস্কৃতিকে ধৰি সকলো সমস্যাৰ পৰ্যালোচনা কৰি সকলোৰে সমস্যা বি টি আৰ চৰকাৰৰ ওচৰত উপস্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় পৰ্যালোচনা সভাত। আদিবাসী, বড়ো, গোৰ্খা, অসমীয়া, ৰাভা, মদাহী, শৰণীয়া আদি ৩০ টা জনগোষ্ঠীৰ জাতীয় সমস্যাসমূহ পৰ্যালোচনা হয় যৌথ সভাখনত। সকলো অপ্ৰাদেশিকীকৃত বিদ্যালয় প্ৰাদেশিকীকৰণ, বিদ্যালয়ৰ আন্তঃগাঠনি উন্নয়ন, ভূমিৰ সমস্যা, সকলো জাতি-জনগোষ্ঠীৰ ভাষা-সংস্কৃতি সংৰক্ষণৰ কাৰণে কোকৰাঝাৰত উমৈহতীয়া সংগ্ৰহালয় স্থাপন আদি কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰে সভাত। উক্ত সভাতে অপহৰণ, বাল্য বিবাহ, ড্ৰাগছ আদি অসামাজিক কৰ্মৰ বিৰুদ্ধে সজাগতা অনাৰ প্ৰচেষ্টা হাতত লয় বুলি মন্তব্য কৰে এবছুৰ সভাপতিয়ে। বি টি আৰ চৰকাৰে চিকিৎসক আৰু অভিযন্তাৰ বাবে ছুপাৰ ৫০ৰ যি আঁচনি হাতত লৈছে, তাত ৫০ গৰাকী শিক্ষাৰ্থীৰ উপৰিও বি টি আৰৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰপৰা দুজনকৈ শিক্ষাৰ্থীক অন্তৰ্ভুক্ত কৰিব লাগে বুলি প্ৰস্তাৱ গ্ৰহণ কৰি বি টি আৰ চৰকাৰক আহ্বান জনায়। ইপিনে, বি টি আৰৰ কোকৰাঝাৰত সকলো জাতি-জনগোষ্ঠীৰ কমিউনিটি কালচাৰেল মিউজিয়াম এটা স্থাপনৰ দাবী জনায়। প্ৰতিটো জনগোষ্ঠীৰ প্ৰতিনিধিৰ পৰামৰ্শক অগ্ৰাধিকাৰ দি সকলোৰে একত্ৰিতভাৱে আগবাঢ়ি যোৱাৰ সংকল্প লয় যৌথ সভাত।

# ৩ মে'ৰ পৰা গোপালদেৱ সেৱক সমাজৰ পূৰ্ণাংগ অধিৱেশন

**ই-সংবাদ, ভৱানীপুৰ, ২৩ ফেব্ৰুৱাৰীঃ** গোপালদেৱ সেৱক সমাজৰ পূৰ্ণাংগ ৰাজ্যিক অধিৱেশনখনি আগন্তুক মে' মাহৰ ৩ আৰু ৪ তাৰিখে পুৰণা ভৱানীপুৰস্থিত ঐতিহাসিক গোপাল আতা সত্ৰত অনুষ্ঠিত হ'ব। আজি ঐতিহাসিক সত্ৰখনিত গোপাল আতা সত্ৰ পৰিচালনা সমিতিৰ সভাপতি ধীৰেন্দ্ৰনাথ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত এখনি গুৰুত্বপূৰ্ণ কাৰ্যনিবাহক সভাত এই সিদ্ধান্ত লোৱা হয়। গোপালদেৱ সেৱক সমাজৰ সম্পাদক মনু বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা আজিৰ গুৰুত্বপূৰ্ণ সভাত গোপালদেৱ সেৱক সমাজৰ কাৰ্যনিৰ্বাহক সদস্য বিনয় মহন্ত আৰু গোপালদেৱ সেৱক সমাজৰ বজালী জিলা সমিতিৰ সম্পাদক ভুপেন খাটনিয়াৰৰ লগতে স্থানীয় বাসিন্দা তথা বিশিষ্ট লেখিকা ডঃ অমিয়া মহন্ত, গপেশ চন্দ্ৰ দাসকে ধৰি কেইবাগৰাকী লোকে প্ৰদান কৰা ভাষণত অধিৱেশনখনি সফল কৰি তোলাৰ বাবে বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। ডঃ অমিয়া মহন্তই অধিৱেশন উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থখনিত গোপাল আতাৰ জীৱন-দৰ্শন সম্পৰ্কীয় বিস্তৃত দিশ অবিকৃত ৰূপত তুলিধৰাৰ লগতে আতাগৰাকীৰ স্মৃতিবিজড়িত তেতিয়াৰ বৃহত্তৰ ভৱানীপুৰ অঞ্চলৰ বিভিন্ন দিশ সামৰি স্মৃতিগ্ৰন্থ এখন যুগুত কৰাৰ পৰামৰ্শ প্ৰদান কৰে। আনহাতে, সভাত উপস্থিত হৈ ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে কয়-- যোড়শ শতিকাৰ দুৰ্যোগপূৰ্ণ মুহূৰ্তত ছেদেলি-ভেদেলি হৈ থকা তেতিয়াৰ বৰ অসমখনৰ বিভিন্ন জাতি-জনগোষ্ঠীসমূহক মহাপুৰুষ শ্ৰীমন্ত শংকৰ আৰু মাধৱ গুৰু দুজনাৰ পিছতেই আতাপুৰুষগৰাকীয়ে প্ৰেম, ভাতৃত্ব আৰু আধ্যাত্মিক চিন্তা-চৰ্চাৰে একতাৰ জোৰেৰে বন্ধাৰ প্ৰয়াস কৰিছিল। আমাৰ সমাজত কোনো এগৰাকী ব্যক্তিৰ সোঁৱৰণত পালিত তেনে বিভিন্ন কাৰ্যসূচীয়ে তেনেগৰাকী ব্যক্তিৰ চিন্তাৰ সৈতে আমাক সুদীৰ্ঘকাল পৰিচয় কৰাই দি আহিছে। গোপালদেৱ সেৱক সমাজৰ অধিৱেশনখনিও নিশ্চয় ইয়াৰ ব্যতিক্ৰম নহ'ব। আতাপুৰুষগৰাকীৰ জীৱন-দৰ্শনৰ বিষয়ে



অধিৱেশনত নিশ্চয় অধিক চৰ্চাৰ অৱকাশ থাকিব। আমি এই অধিৱেশনৰ জৰিয়তে আতাপুৰুষগৰাকীৰ জীৱন-দৰ্শনৰ বিষয়ে নিশ্চিতভাৱে বহু কথা শুনিবলৈ আৰু জানিবলৈ পাম বুলি আশা কৰিছো। সভাত অধিৱেশনখনি নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে পুঁজি সংগ্ৰহৰ বিষয়েও বিতংকৈ আলোচনা কৰা হয়। আজিৰ সভাত স্থানীয় কেইবাগৰাকীও মহিলাৰ সৈতে ভালেসংখ্যক ৰাইজ আৰু আদৰণি সমিতিৰ সম্পাদক প্ৰসেনজিৎ মেধিৰ উপৰিও গোপালদেৱ সেৱক সমাজৰ সদস্য মুকুল দত্ত উপস্থিত আছিল।

## নন্দন তাত্ত্বিক ঐলোক্যনাথ গোস্বামীক স্মৰণ নলবাৰী সাহিত্য সমাজৰ




**ই-সংবাদ, নলবাৰী, ২৩ ফেব্ৰুৱাৰীঃ** নলবাৰী সাহিত্য সমাজৰ উদ্যোগত কালি নন্দন তাত্ত্বিক ঐলোক্যনাথ গোস্বামীক স্মৰণ কৰা হয়। নলবাৰী সাহিত্য সমাজৰ সভাপতি হীৰেন্দ্ৰ কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাখন উদ্বোধন কৰে জ্যেষ্ঠ সাংবাদিক ৰমেন কলিতাই। সাহিত্য সমালোচনাক এক উচ্চস্তৰত প্ৰতিস্থাপিত কৰা এইগৰাকী স্বনামধন্য সাহিত্যিকৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি নিবেদন কৰিবলৈ আৰু তেখেতৰ স্মৃতিচাৰণ কৰিবলৈ সাহিত্য সমাজৰ সভাগৃহত আয়োজিত সভাত গোস্বামীৰ জীৱন আৰু কৃতী সন্দৰ্ভত মনোজ্ঞ আলোচনা আগবঢ়ায় নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি, বিশিষ্ট সাহিত্যিক ডঃ লীনা ডেকা, নলবাৰী বাণিজ্য মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, সুলেখক ডঃ পৰেশ নাথ শৰ্মা, নলবাৰী মহাবিদ্যালয়ৰ অংশকালীন অধ্যাপক, কবি ডঃ বন্তি শৰ্মাই। স্মৃতিচাৰণ সভা উদ্বোধন কৰে জ্যেষ্ঠ সাংবাদিক, সুলেখক ৰমেন কলিতাই। শিশুশিল্পী মনস্বিনী শৰ্মাৰ গীতা শ্লোক আৰু জেচিকা ৰাজৰ বৰগীতেৰে শুভাৰম্ভ হোৱা আৰু সাহিত্য সমাজৰ ভাৰপ্ৰাপ্ত সম্পাদক সুনীল কুমাৰ শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত জেচিকা ৰাজৰ কণ্ঠৰ ভূপেন্দ্ৰ সংগীতে সকলোৰে হৃদয়-মনত দোলা দিয়ে। সভাৰ প্ৰাৰম্ভতে গোস্বামীৰ আৱক্ষ মূৰ্ত্তিত মাল্যৰ্পণ কৰে সাহিত্য সমাজৰ উপ-সভাপতি কল্পনা মিশ্ৰই। বন্তি প্ৰজ্জ্বলন কৰে অসম টাইমৰ মুখ্য সম্পাদক এম মহিবৰ ৰহমানে। দ্বীপ-মন্ত্ৰোচ্চাৰণৰে পৰিৱেশটো গহীন কৰি তোলে শিশুশিল্পী মনস্বিনীয়ে। কাৰ্যসূচীৰ আঁতধৰে সাহিত্য সমাজৰ প্ৰাক্তন সম্পাদক নৰকান্ত তালুকদাৰ আৰু সক্ৰিয় সদস্য প্ৰদীপ শৰ্মাই। শেষত শলাগ জ্ঞাপন কৰে সাহিত্য সমাজৰ আন এগৰাকী সক্ৰিয় সদস্য মুনীন্দ্ৰ দাসে। নলবাৰী সাহিত্য সমাজৰ সদস্যসকলৰ উপৰি সমাজ-সাহিত্য-সংস্কৃতি অনুৰাগী কেইবাগৰাকীও বিশিষ্ট ব্যক্তি, সাংবাদিকৰ উপস্থিতিয়ে সভাখন বিশেষভাৱে স্পন্দনপূৰ্ণ কৰি তোলে। সভাত অধ্যাপক গীৰিশ দত্ত বৰুৱা, ৰমানাথ বৰুৱা, সুশান্ত কাশ্যপ, উপমা বৰ্মন ডেকা, সঞ্জীৱ গোস্বামী, ৰঞ্জনা ভট্টাচাৰ্য, নাৰায়ণ শৰ্মা, নিৰদা চৌধুৰী, গৌৰী গোস্বামী, মুনিন দাস, বিমলা দেৱী, খাদেজা বেগম, অৰ্জুন সেন ডেকা, বিনয় মজুমদাৰ, কবি কমল জৈন, ভুৱনেশ্বৰ ডেকা, প্ৰতাপ দেৱনাথ, জ্যেষ্ঠ সাংবাদিক জিতেন শৰ্মা, ৰাহিদুজ জামান, বজৰাং আগৰৱালা, অৰূপ ৰঞ্জন বৰ্মন, সুনু সঞ্জয়, সাংস্কৃতিক কৰ্মী হেমন্ত দাস উপস্থিত থাকে।

# ৰাণী শুকুৰবেৰীয়াক পৰ্যটনস্থলী হিচাপে গঢ়ি তুলিবলৈ দাবী স্থানীয় ৰাইজৰ

**ই- সংবাদ, মিৰ্জা, ২৩ ফেব্ৰুৱাৰীঃ** অসম-মেঘালয় সীমান্তত অৱস্থিত বৃহত্তৰ দক্ষিণ কামৰূপ অঞ্চলৰ ৰাণী শুকুৰবেৰীয়া পৰ্যটন স্থল হিচাপে গঢ় দিয়াৰ প্ৰচুৰ সম্ভাৱনা আছে । গুৱাহাটী মহানগৰীৰ গাতে লাগি থকা দাঁতি-কাষৰীয়া অঞ্চল ৰাণী শুকুৰবেৰীয়া পৰ্যটকৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে পৰিগণিত হ'বলৈ সক্ষম হৈছে । অসম চৰকাৰে যদি এই পৰ্যটনস্থলীখন প্ৰচাৰ, প্ৰসাৰ আৰু উন্নতকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰে তেতিয়া দেশ-বিদেশৰ পৰ্যটক ভিৰ কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে। অসমক পৰ্যটনৰ ক্ষেত্ৰত এখোপ আগুৱাই লৈ যোৱা সম্ভাৱনা আছে এই পৰ্যটনস্থলীৰ উন্নতিকৰণৰ জৰিয়তে । প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিপূৰ্ণ এই পৰ্যটনস্থলীখনলৈ যোৱা পথছোৱা বৰ্তমানে জৰাজীৰ্ণ অৱস্থাত আছে । সংশ্লিষ্ট চৰকাৰ-প্ৰকাশনৰ এইক্ষেত্ৰত যথেষ্ট কৰণীয় আছে । অসমৰ পৰ্যটনস্থলী হিচাপে বৃহত্তৰ দক্ষিণ কামৰূপৰ চানডুবি, কুলশী, দখলা পাহাৰ, কপিলী, ৰামপুৰৰ দৰাবিল, বকোৰ পাৰ্ব্বতী পাহাৰ, ৰাণী কপিলী, ৰঙামাটি দুধ-কুঁৱৰী আদি উল্লেখযোগ্য যদিও অসম চৰকাৰৰ পৰ্যটনৰ এটা বিয়াগোম বিভাগ থকা স্বত্বেও উপযুক্ত উন্নতিকৰণ তথা পৰিচৰ্য্যাৰ অভাৱত হাবি-জংঘল সদৃশ পৰিৱেশৰ সৃষ্টি হৈছে । দুৰ্ভাগ্যৰ বিষয় যে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াক বাৰেবাৰে এইক্ষেত্ৰত অৱগত কৰোৱাৰ পাছতো বিষয়টোৰ সন্দৰ্ভত আওকণীয়া মনোভাব পোষণ কৰাহে দেখা গৈছে । উল্লেখযোগ্য যে দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ উদ্যোগত পৰ্যটন উদ্যোগৰ সম্ভাৱনা বিকাশ আৰু ৰাইজৰ কৰণীয় শীৰ্ষক আলোচনা-চক্ৰৰ মাধ্যমৰে দক্ষিণ কামৰূপৰ পৰ্যটনস্থলীসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰস্তুতি চলাইছে । উক্ত কাৰ্যক প্ৰকৃতিপ্ৰেমী আৰু সচেতন মহলে ভূয়সী প্ৰশংসা কৰিছে ।

# মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সম্বৰ্দ্ধনা অনুষ্ঠান

**ই-সংবাদ, মৰিগাঁও, ২৩ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰতিষ্ঠাপক সম্পাদক তথা সংস্থাৰ প্ৰাক্তন সভাপতি ড০ নৰকান্ত বৰদলৈক আজি মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ তৰফৰপৰা আনুষ্ঠানিকভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মা আৰু সম্পাদক গুলজাৰিলাল শৰ্মাৰ নেতৃত্বত আজি পুৱাৰ ভাগত জ্যেষ্ঠ সাংবাদিকগৰাকীৰ বাসগৃহত গৈ অংগবস্ত্ৰ, জাপি, ডায়েৰী আদি সামগ্ৰীৰে উষ্ম সম্বৰ্ধনা জনোৱাৰ লগতে সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰা হয়। সম্বৰ্দ্ধনা অনুষ্ঠানত মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, প্ৰাক্তন সম্পাদক প্ৰণৱ কুমাৰ ভট্টাচাৰ্য, সহকাৰী সম্পাদক জোন ফৰিদুদ ইউনিছ, মুখপত্ৰ সম্পাদক ভৰত কুমাৰ নাথ, সংস্থাৰ জ্যেষ্ঠ সদস্য ৰিতুমণি মহন্ত, প্ৰাঞ্জল শৰ্মা প্ৰমুখ্যে কেইবাগৰাকীও সদস্য উপস্থিত থাকে। সম্বৰ্দ্ধনা গ্ৰহণ কৰি জ্যেষ্ঠ সাংবাদিক, অৱসৰপ্ৰাপ্ত অধ্যাপক তথা মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ বৰদলৈয়ে এটি চমু ভাষণত মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰতিষ্ঠা কালৰ কিছু স্মৃতি ব্যক্ত কৰে। তেওঁ লগতে নীতিনিষ্ঠ আৰু তথ্যসমৃদ্ধ বাতৰি প্ৰস্তুত কৰি মৰিগাঁৱৰ সাংবাদিকতাৰ ক্ষেত্ৰখনৰ স্বকীয়তা আৰু ঐতিহ্য অক্ষুণ্ণ ৰাখিবলৈ প্ৰতিজন সাংবাদিক আৰু সংবাদ-কৰ্মীৰ প্ৰতি আহ্বান জনায়। আনহাতে, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰতিনিধি দলটোৱে মৰিগাঁৱৰ আঞ্চলিকতাবাদী নেতা, মৰিগাঁও পৌৰসভাৰ প্ৰাক্তন পৌৰপতি দিলীপ কুমাৰ দাসৰ মৰিগাঁও চহৰৰ বাসগৃহত গৈ দীৰ্ঘদিনীয়া অসুস্থতাত শয্যাগত হৈ থকা দাসক অংগবস্ত্ৰৰে এক সম্বৰ্দ্ধনা জনায়। সাংবাদিকৰ দলটোৱে তেওঁৰ শীঘ্ৰেই আশু আৰোগ্য আৰু দীৰ্ঘায়ু কামনা কৰে।

# বাঘমাৰা চৰ বজাৰ পৰিচালনা কমিটিৰ নতুন সমিতি গঠন

**ই-সংবাদ, শিমলীতোলা, ২৩ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত চৰাঞ্চলৰ এখন লেখত ল'বলগীয়া উল্লেখযোগ্য বজাৰ বাঘমাৰা চৰৰ বজাৰ পৰিচালনা কমিটিৰ ২০২৪ ইংৰাজী বৰ্ষৰ নতুন কমিটি গঠন সম্পৰ্কে শুকুৰবাৰে এখন সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। সম্পাদক সাহানাজ জামানে উদ্দেশ্য ব্যাখ্যা কৰা উক্ত সভাত সভাপতিত্ব কৰে বাঘমাযৰা চৰ বজাৰ পৰিচালনা কমিটিৰ পুৰণা কমিটিৰ সভাপতি শুকুৰ আলীয়ে। সভাত ২০২৩ ইং বৰ্ষৰ হিচাপ পৰীক্ষক সকলে আয়-ব্যয়ৰ হিচাপ দাখিলৰ অন্তত সভাপতিয়ে পুৰণা কমিটি ভংগ বুলি আনুষ্ঠানিকভাৱে ঘোষণা কৰাৰ পিছতে সভাৰ পৰৱৰ্তী কাম চলাই নিবলৈ বাঘমাৰা চৰৰ আলহাজ জালাল মণ্ডলক প্ৰস্তাৱিত সমৰ্থন মৰ্মে সভাৰ সভাপতি বাচনি কৰে। সভাপতিয়ে নতুন কমিটি গঠন সম্পৰ্কে ৰাইজৰ মতামত বিচৰাত ৰাইজে সংবিধানত নিৰ্দ্ধাৰণ কৰি দিয়া ১৩ জনীয়া জুৰি কমিটিৰ জৰিয়তে নতুন কমিটি গঠন কৰিব লাগে বুলি মতামত দিয়ে। সভাৰ প্ৰস্তাৱমৰ্মে ৰাইজে বাচনি কৰি দিয়া জুৰি কমিটিয়ে আবু মুছাক সভাপতি, স্বৰবেস আলীক উপ-সভাপতি, ছোলেমান আলী সৰকাৰক সাধাৰণ সম্পাদক আৰু নুৰজামাল হুছেইনক সহঃ সম্পাদক হিচাপে লৈ মুঠ ২৫ জনীয়া এখনি শক্তিশালী কমিটী গঠন কৰে। উক্ত সভাত উপস্থিত থাকে অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে তৈয়ব আলী শ্বেখ, জাফৰ আলী খান, আয়নাল হক, বাঘমাৰা চৰ গাঁও পঞ্চায়ত সমবায় সমিতিৰ সভাপতি এম মুছুৰুদ্দিন আহমেদ, ছাউথ বৰপেটা হাইস্কুলৰ প্ৰধান শিক্ষক আব্দুল বাৰিক মণ্ডল, বাঘমাৰা চৰ গাঁও পঞ্চায়ত সমবায় সমিতিৰ প্ৰাক্তন সভাপতি ফজল হক চৌধুৰী, শিক্ষক শ্বেখ আব্দুল আজিজ, আব্দুছ ছামাদ, সমাজ কৰ্মী নুৰ মুহাম্মদ আলী, শ্বাহ আলম চৰকাৰ, জাফৰ আলী আহমেদকে ধৰি বহুকেইজন গণ্য মাণ্য ব্যক্তি উপস্থিত থাকে।

# প্ৰথিতযশা নৃত্যাচাৰ্য্য, পদ্মভূষণ যতীন গোস্বামীক পৰাগজ্যোতি প্ৰকাশনৰ উষ্ম সম্বৰ্দ্ধনা

**ই-সংবাদ, গুৱাহাটী, ২৩ ফেব্ৰুৱাৰীঃ** ভাৰত চৰকাৰৰ তৃতীয় সৰ্বোচ্চ অসামৰিক সন্মান পদ্মভূষণ সন্মানপ্ৰাপক, প্ৰথিতযশা নৃত্যাচাৰ্য্য, সঙ্গীত নাটক বঁটা বিজয়ী যতীন গোস্বামীক আজি মহানগৰীৰ নুনমাটিৰ আনন্দ নগৰস্থিত নিজ বাসভৱনত পৰাগজ্যোতি প্ৰকাশনৰ তৰফৰপৰা উষ্ম সম্বৰ্দ্ধনা জ্ঞাপন কৰে। প্ৰকাশনৰ সচিব, সাংবাদিক দীপক শৰ্মাই আঁতধৰা অনুষ্ঠানত চাৰি কুৰি বাৰ বছৰ গৰকা যশস্বী ব্যক্তি গোস্বামীক ফুলাম গামোচা, চেলেং চাদৰ, কিতাপৰ টোপোলা, প্ৰশস্তি-পত্ৰ আদিৰে সম্ভাষণ জনায়। অনুষ্ঠানত অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক, সাহিত্য কোঁৱৰ কমল কলিতাই কয় যতীন গোস্বামীয়ে ভৰযৌৱনৰপৰাই শদিয়াৰপৰা ধুবুৰীলৈ ভিন ভিন থিয়েটাৰৰ জৰিয়তে এশৰো অধিক নৃত্য-নাটিকা ৰচনা-পৰিচালনাৰে নৃত্য প্ৰদৰ্শন কৰি মানুহৰ মাজত মচিব নোৱৰা সাঁচ বহুৱাই থৈছে। ভাৰত চৰকাৰে এইজনা বৰেণ্য শিল্পীক পদ্মবিভূষণ সন্মান প্ৰদান কৰিব লাগে। আকাশবাণী আৰু দূৰদৰ্শনৰ নিয়মীয়া কণ্ঠশিল্পী, গীতিকাৰ দ্বীজেন কাকতিয়ে কয়-- যতীন গোস্বামীয়ে বিশাল সংস্কৃতিৰ পথাৰখনত যোগোৱা অৱদান অনন্য। তেওঁক ৰাজ্য চৰকাৰৰ কেবিনেট মৰ্যাদা দিব লাগে। অনুষ্ঠানত ভাৰতীয় তেল নিগমৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা কবি জিনুমণি বৰুৱা, লেখিকা সংস্থা, অসমৰ বামুণীমৈদান শাখাৰ সম্পাদিকা তথা লেখিকা পুতুলী ঠাকুৰীয়া মেধি প্ৰভৃতিয়ে বক্তব্য দাঙি ধৰি যশস্বী নৃত্যশিল্পী যতীন গোস্বামী সু-স্বাস্থ্যৰে দীৰ্ঘায়ু কামনা কৰে। সম্বৰ্দ্ধনা গ্ৰহণ কৰি পদ্মভূষণ যতীন গোস্বামীয়ে কয়, পৰাগজ্যোতি প্ৰকাশনৰ সাৰ্থক প্ৰচেষ্টা প্ৰশংসনীয়। এই সম্বৰ্দ্ধনাই তেওঁক আৰু আগুৱাই লৈ যাবলৈ সাহস দিব। গোস্বামীয়ে আৰু কয়, আজিৰ সৰ্বাধিকসংখ্যক মানুহৰ সজাগতা কম। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সান্নিধ্য আৰু আশীৰ্বাদ থকাৰ বাবে আজি এইখিনি সফলতা পাইছে। নৃত্যশিল্পীসকলে গভীৰ অধ্যয়ন, অনুশীলনৰে খোজ দিব লাগে।

# নলবাৰীৰ সেউজ আশ্ৰমত অন্তৰংগ আলাপ

**ই-সংবাদ, নলবাৰী, ২৩ ফেব্ৰুৱাৰীঃ** প্ৰকৃতিক সেউজীয়া কৰি ৰাখিবলৈ মানুহৰ হৃদয় সেউজীয়া হ'ব লাগিব ।এই মন্তব্য শিক্ষক তথা প্ৰতিবেদক লাইভৰ সম্পাদকপ্ৰধান ৰূপক বৈশ্যৰ। লেখক, অৱসৰপ্ৰাপ্ত শিক্ষক নুৰবক্স আলীৰদ্বাৰা পৰিচালিত সেউজ আশ্ৰমত আজি অনুষ্ঠিত এক বিশেষ অন্তৰংগ আলাপত অংশগ্ৰহণ কৰি জীৱশ্ৰেষ্ঠ হিচাপে প্ৰকৃতিৰ উপাদানসমূহক প্ৰদূষিত কৰি সামগ্ৰিকভাৱে পৰিৱেশ বিনষ্ট কৰাত একমাত্ৰ মানুহেই জগৰীয়া বুলি বিদ্বৎ সমাজৰ বাবে নিতান্তই প্ৰয়োজনীয় বাৰ্তা বহন কৰিবলগীয়া কথাৰে নিৰ্দিষ্ট বক্তাৰ ভাষণত বৈশ্যই এই মন্তব্য প্ৰদান কৰে। নলবাৰীৰ ৫ নং ৱাৰ্ডৰ পুষ্পকপুৰস্থিত আশ্ৰমখনত আজি পুৱা ১১ বজাত সাংস্কৃতিক বিকাশ মঞ্চ আৰু সাহিত্য-সাংস্কৃতিক গোষ্ঠী চিনাকি বন্ধুৰ উদ্যোগত অনুষ্ঠিত হোৱা উক্ত অন্তৰংগ আলাপৰ মূল উদ্দেশ্য হৈছে সেউজীয়াৰ স'তে প্ৰত্যক্ষভাৱে নিবিড় সম্পৰ্ক স্থাপনেৰে পৃথিৱীৰ ভাৰসাম্য ৰক্ষাত অৰিহণা যোগাবলৈ মত বিনিময় কৰা। বৰভাগ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ৰজত চন্দ্ৰ কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা উক্ত অন্তৰংগ আলাপত গীত, সংগীত, কবিতা, কথোপকথন আদিৰ মাজেৰে পাৰস্পৰিক মনৰ ভাব আদান-প্ৰদান কৰি মানসিকভাৱে সুস্থ কৰি ৰখাৰো অন্য এক বাতাবৰণ ৰচনা কৰাৰ প্ৰয়াস কৰা হয়। পিতৃ ৰূপক বৈশ্য ৰচিত এটি শিশু কবিতা পাঠ কৰি সকলোকে আপ্লুত কৰে কণমানি ছাত্ৰী হৃদি বৈশ্যয়ে। তাৰ আগেয়ে নাৰী সবলীকৰণৰ ওপৰত চমু অথচ গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে ছাত্ৰী তছমিয়া নাজিলে। অৱসৰপ্ৰাপ্ত ডায়েট প্ৰবক্তা মুনীন্দ্ৰ মালাকৰ, অৱসৰপ্ৰাপ্ত শিক্ষক মহছেন আহমেদ প্ৰমুখ্যে বহুকেইজনে মনৰ ভাব ব্যক্ত কৰে। কবি, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক দেৱাজুদ্দিন আহমেদ আৰু চিনাকি বন্ধুৰ সভাপতি ডাঃ মহছেন আলীয়ে মনৰ ভাব ব্যক্ত কৰাৰ লগতে এটিকৈ স্বৰচিত কবিতা পাঠ কৰে। অৰ্চনা ঠাকুৰীয়া, সুৰেণ গোস্বামী আৰু ৰিয়া মালাকাৰে গীত পৰিৱেশনেৰে অনুষ্ঠানটি জীপাল কৰি তোলে।

# কৰ্তব্যৰ বিপৰীতে ৰাজনীতিত ব্যস্ত কলগাছিয়া ৰাজ্যিক পশু চিকিৎসালয়ৰ আব্দুল মজিদ শিকদাৰ

**ই-সংবাদ, কলগাছিয়া, ২৩ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজ্যিক পশু চিকিৎসালয়ত কৰ্মৰত ক্ষেত্ৰ সহকাৰী আব্দুল মজিদ শিকদাৰে নিজৰ কৰ্তব্যত ফাঁকি দি মাহৰ পিছত মাহ চৰকাৰী দৰমহা লৈ অহাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। তেওঁ ৰাজ্যিক পশু চিকিৎসালয় কলগাছিয়াৰ এলেকাধীন তাপেশ্বৰা, দাবনদীয়া আৰু গুনিয়ালগুৰি গাঁৱত কৰ্তব্য পালন কৰাৰ বিপৰীতে বঙাইগাঁও জিলাৰ অন্তৰ্গত নিজ গাঁৱত ৰাজনৈতিক কাম-কাজত লিপ্ত থকাৰ অভিযোগ সম্পূৰ্ণ সঁচা বুলি অভিযোগ উত্থাপন কৰে গাঁওখনৰ কেইবাজনো সচেতন লোকে। ইফালে, উক্ত বিষয় সন্দৰ্ভত কলগাছিয়াৰ আমছু কৰ্মীয়ে আব্দুল মজিদ শিকদাৰক প্ৰশ্ন কৰাত চালে-বেৰে কোবাই উত্তৰ দিয়ে যদিও শিকদাৰৰ উত্তৰত সন্তুষ্ট নহৈ কৰ্তব্যক ফাঁকি দি চৰকাৰী দৰমহা লৈ সক্ৰিয় ৰাজনীতিৰ লগত জড়িত থকাৰ বিৰুদ্ধে বিভাগীয় কৰ্তৃপক্ষক বিহীত ব্যৱস্থা লোৱাৰ বাবে দাবী জনায়। অন্যথা পৰৱৰ্তী সময়ত বৰপেটা জিলা আয়ুক্তক স্মাৰক-পত্ৰ প্ৰদানৰ জড়িয়তে এইধৰণৰ চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ দাবী জনাব বুলিও মন্তব্য কৰে আমছু কৰ্মীয়ে। উক্ত ঘটনা সন্দৰ্ভত আব্দুল মজিদ শিকদাৰক সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে ৰাজনৈতিক সভাত তেওঁ কেতিয়াও অংশগ্ৰহণ কৰা নাই। যেতিয়া ভিডিঅ' প্ৰমাণ দেখুওৱা হয় তেতিয়া কয় যে এই চাকৰিত যোগদান কৰাৰ পূৰ্বৰ ভিডিঅ' এইটো। আৰু পুনৰ অনাগত সময়ত ৰাজনীতি নকৰে বুলি মন্তব্য কৰে মজিদ শিকদাৰে। নিজ কৰ্তব্যক ফাঁকি দি ৰাজনীতিত ব্যস্ত থকা কলগাছিয়া ৰাজ্যিক পশু চিকিৎসালয় ক্ষেত্ৰ সহকাৰী আব্দুল মজিদ শিকদাৰৰ বিৰুদ্ধে ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া সময়তহে লক্ষ্যণীয় হ'ব।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

### নিম্নমানৰ কাম! ঠিকাদাৰৰ হেমাহি, ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া

# নিৰ্মাণৰ পিছতেই ভাঙিল হাজো-নলবাৰী পথৰ আৰিকুছিৰ নলা

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২৩ ফেব্ৰুৱাৰীঃ** হাজো-নলবাৰী পথৰ দুয়োকাষে বৰ্তমানে চলি থকা নলা নিৰ্মাণ আঁচনিৰ নিৰ্মাণ কাৰ্য বহু ঠাইত নিম্নমানৰ কাম হোৱাৰ অভিযোগ উঠিছে। এই সম্পৰ্কে ইতিমধ্যে বহু বাতৰি প্ৰকাশ হৈছে। নিৰ্মাণৰ তিনি মাহ সম্পূৰ্ণ নৌহওঁতেই ব্যস্ত পথটোৰ দক্ষিণ প্ৰান্তৰ আৰিকুছি চ'কত নলা খহি পৰা কাৰ্যই ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। একাংশ স্থানীয় ৰাইজে অভিযোগ কৰা নলা নিৰ্মাণ কাৰ্য লেহেমীয়া হোৱাৰ লগতে নিৰ্মাণৰ কাম নিম্নমানৰ হৈছে। অতি পালমৰা ধৰণে কাম কৰাৰ ফলত সাধাৰণত এখন দুচকীয়া বাহন উঠাৰ পিছতে সদাব্যস্ত আৰিকুছি চ'কত ভাঙি পৰিছে নলাৰ অংশ। উল্লেখ্য, নলবাৰী চহৰৰপৰা চ'ক বজাৰ হৈ ব্যস্ত পথটোৰ দুইকাষত পকী নলা নিৰ্মাণ অতি লেহেমীয়াকৈ খণ্ড খণ্ডকৈ কৰি থকাৰ ফলত যান-বাহন চলাচল আৰু পথচাৰীৰ অহা-যোৱাত বিপজ্জনক অৱস্থাৰ সৃষ্টি হোৱাই নহয়, নিশাৰ এন্ধাৰত বাইক আৰু চাৰিচকীয়া বাহনসমূহৰ বাবে ভীষণ অসুবিধাৰ সৃষ্টি হৈছে। আনহাতে, নলা নিৰ্মাণৰ নামত খন্দা গাতে বিপদ মাতিছে যাতায়াত কৰা লোককৈ।নলা নিৰ্মাণৰ কাম হেমাহি হোৱা বুলি সংশ্লিষ্ট ঠিকাদাৰ বিৰুদ্ধে অভিযোগ উঠিছে। ইপিনে, হাজো-নলবাৰী পথটোৰ দুই কাষ বহলীকৰণৰ নামত চৰম আহুকালৰ সৃষ্টি হৈছে।

# ন-মাটিত ড০ তুলিৰাম ৰংহাঙৰ মত বিনিময় সভা

**ই-সংবাদ, হাওৰাঘাট, ২৩ ফেব্ৰুৱাৰীঃ** কাৰ্বি আংলং জিলাৰ ১৬ নং ন-মাটি পৰিষদীয় সমষ্টিৰ অন্তৰ্গত পালাম ইংতি গাঁও খেলপথাৰ প্ৰাংগণত কাৰ্বি স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্য ড০ তুলিৰাম ৰংহাঙৰ ৰাজহুৱা মত বিনিময় সভা অনুষ্ঠিত হৈ যায়। কাৰ্বি আংলং জিলাৰ প্ৰতিটো সমষ্টিৰ সমান্তৰালকৈ ন-মাটি সমষ্টিত অনুষ্ঠিত ন-মাটি সমষ্টিৰ প্ৰতিটো চুকে-কোণে উন্নয়নৰ কথা আলোচিত হয়। সভাত বিভিন্ন দল-সংগঠনৰ নেতা-কৰ্মী, চৰকাৰী গাঁওবুঢ়াকে প্ৰমুখ্য কৰি কাৰ্বি পৰিষদৰ ৩০ টা বিভাগৰ বিষয়ববীয়াসকল উপস্থিত থাকে। কাৰ্বি পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্য ড০ তুলিৰাম ৰংহাঙৰ লগতে সাংসদ অমৰছিং তিছ', হাওৰাঘাটৰ বিধায়ক ধৰছিং ৰংহাং, কাৰ্বি পৰিষদৰ কাৰ্য্যবাহী সদস্যৰ লগতে এম এ চিসকলো এই সভাত উপস্থিত থাকে। ইফালে, অনুষ্ঠানত সমৱেত হোৱা মুখ্য কাৰ্য্যবাহী ড০ তুলিৰাম ৰংহাঙৰ লগতে সচেতন ৰাইজক ৰাজহুৱা মত বিনিময় সভাখন সফল ৰূপায়ণ কৰাত সক্ৰিয় সহযোগিতা গ্ৰহণ কৰা কাৰ্বি পৰিষদৰ পৰ্যটন আৰু জল-সম্পদ বিভাগৰ কাৰ্য্যবাহী সদস্য ৰিতেশ ইংহিক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে টিম মণ্ডল সভাপতি মেনছিং তিছৰে।

# কলগাছিয়াত 'ফাগুনৰ বিয়লিত কবিতাৰ আড্ডা'

**ই-সংবাদ, কলগাছিয়া, ২৩ ফেব্ৰুৱাৰীঃ** বৰপেটাৰোডৰ বিশিষ্ট সাহিত্যিক লেখক ডাঃ মানিক লাল ভৌমিকৰ প্ৰচেষ্টাত জন্মলাভ কৰা কিঞ্চিৎ আন্তঃৰাষ্ট্ৰীয় সাহিত্য-সামাজিক-সাংস্কৃতিক গোষ্ঠীৰ কলগাছিয়া শাখাৰ উদ্যোগত দেওবাৰে বিয়লি তিনি বজাত কলগাছিয়াৰ অগ্ৰণী ব্যক্তিগত শিক্ষানুষ্ঠান ফখৰুদ্দিন আলি আহমেদ একাডেমী প্ৰাংগণত 'ফাগুনৰ বিয়লিত কবিতাৰ আড্ডা' শীৰ্ষক এটি মনোজ্ঞ অনুষ্ঠান অনুষ্ঠিত হৈ যায়। শাখাৰ সভাপতি বিশিষ্ট কবি তথা লেখক ডঃ ইফতিকাৰ আলী আহমেদৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত উদ্দেশ্য ব্যাখ্যা কৰে বিশিষ্ট সাংবাদিক তথা সাহিত্যিক জাহিদুল ইছলামে। অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰবীণ লেখক, সাংবাদিক মৌলানা আব্দুল হামিদে ভাষণত কয় যে কবিতা এটিও দুৰ্নীতি-অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদৰ অস্ত্ৰ হ'ব পাৰে। গতিকে সকলোৱে কবিতা লিখিব লাগে বিপ্লৱৰ, মানুহৰ উন্নয়নৰ স্বাৰ্থত। বৰপেটা জিলা কবি সাহিত্য চক্ৰৰ সভাপতি তথা বিশিষ্ট সাংবাদিক স্বেখ ৰহমত উল্লাহই ফাগুনৰ বতৰত কবিসকলৰ মনত কবিতাৰ ভাবে জন্ম লয় বুলি মন্তব্য কৰি এটি কবিতা আবৃত্তি কৰে। অনুষ্ঠানটোত কবি ইছমাইল সৰকাৰে কবিৰ জন্ম, আব্দুৰ ৰৌফ ফাৰুকীয়ে আজিৰ ভাৰতীয় সভ্যতা সংস্কৃতি, স্বেখ ৰহমত উল্লাহই ফাগুনৰ অনুভৱ, মো নূৰুল আমিনে বিপন্ন মানৱীয় প্ৰমূল্য,




ডঃ ইফতিকাৰ আলী আহমেদে ফাগুনী মন আৰু জাহিদুল ইছলামে ধৰ্ষিতা ফাগুন শীৰ্ষক কবিতা পাঠ কৰি অনুষ্ঠানটো মুখৰ কৰি তোলে। উল্লেখযোগ্য যে অহা আঠ মাৰ্চত গুৱাহাটীত অনুষ্ঠিত হ'ব লগা কিঞ্চিতৰ দশম বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনত কলগাছিয়া শাখাৰ সদস্য তথা প্ৰবীণ সাংবাদিক মৌলানা আব্দুল হামিদক ৰাজহুৱাকৈ সম্বৰ্ধনা জনোৱা হ'ব বুলি ঘোষণা কৰাত কেন্দ্ৰীয় কমিটিক কলগাছিয়া শাখাৰপৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আনন্দ প্ৰকাশ কৰে। লগতে উক্ত অনুষ্ঠানলৈ কলগাছিয়াৰপৰা দহগৰাকী প্ৰতিনিধি সদস্যই অংশগ্ৰহণ কৰিব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# চাৰিদিনীয়া শিৱৰাত্ৰী পূজাৰ আয়োজন

**ই-সংবাদ, তামুলপুৰ, ২৩ ফেব্ৰুৱাৰীঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত বৃহত্তৰ চেঁচাপানী অঞ্চলৰ বড়ো বজাৰ গাঁৱত আজি নৱনিৰ্মিত ৰাজহুৱা শিৱমন্দিৰটো উদ্বোধন কৰা হয়। ৰাতিপুৱা ১০ বজাত এক মাংগলিক অনুষ্ঠানেৰে প্ৰৱেশ দ্বাৰ উন্মোচন কৰে বিশিষ্ট সমাজকৰ্মী ৰংজা খুংগুৰ বসুমতাৰীয়ে। তাৰপিছত জলযাত্ৰা উলিওৱা হয়। এই বিশাল জলযাত্ৰাত অংশগ্ৰহণকাৰী সকলে প্ৰায় ৮ কিলোমিটাৰ পথ পৰিভ্ৰমণ কৰে। নৱনিৰ্মিত শিৱ মন্দিৰ উদ্বোধনী অনুষ্ঠানৰ মাঙ্গলিক কাৰ্যসূচী ৰূপায়ণ কৰা অনুষ্ঠানত পুৰোহিত ভানু গৌতম, কুমাৰ দাহাল, গোপাল ভট্টৰাইয়ে অংশগ্ৰহণ কৰে। ইয়াৰ উপৰি অনুষ্ঠানত যথেষ্ঠসংখ্যক ভক্তিপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰে আৰু সকলোৱে মন্দিৰৰ প্ৰসাদ গ্ৰহণ কৰে। নৱনিৰ্মিত ৰাজহুৱা শিৱমন্দিৰ উদ্বোধন কৰাৰ লগতে আজিৰেপৰা চাৰিদিনীয়া কাৰ্যসূচীৰে নৱনিৰ্মিত শিৱ মন্দিৰ প্ৰাংগণত ২৯ সংখ্যক শিৱৰাত্ৰী পূজাৰ কাৰ্যসূচী আৰম্ভ হয়।

# অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ আৰু সৰুপথাৰ মহাবিদ্যালয়ৰ মাজত বুজাবুজি চুক্তি

**ই-সংবাদ, সৰুপথাৰ, ২৩ ফেব্ৰুৱাৰীঃ** সৰুপথাৰ মহাবিদ্যালয়ত কালি অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ আৰু বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ ভাৰপ্ৰাপ্ত সঞ্চালক ড° সংগীতা গগৈৰ উপস্থিতিত এখন বুজাবুজিৰ চুক্তি সম্পন্ন হয়। ঐতিহাসিক সম্পদৰে ভৰপূৰ আৰু বৰ্ণাঢ্য সাংস্কৃতিক সম্পদেৰে উপচি থকা দৈয়াং-ধনশিৰি উপত্যকাৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব সম্পৰ্কীয় গৱেষণাৰ বাট মুকলি কৰিব এই চুক্তিয়ে। মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ সৌজন্যত অনুষ্ঠিত এটি বক্তৃতা অনুষ্ঠানত বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ হৈ ড° সংগীতা গগৈ, গৱেষণা বিষয়া নম্ৰতা কাকতী, ভাষা বিষয়া সম্প্ৰীতি গগৈয়ে ছাত্ৰ-ছাত্ৰীসকলৰ আগত সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানটোৰ আঁতধৰে ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্ৰত দত্তই। বুজাবুজি চুক্তি আৰু বক্তৃতা অনুষ্ঠানত সহযোগ আগবঢ়াই সহকাৰী অধ্যাপক প্ৰাঞ্জল দত্ত, সন্ধান হাজৰিকা আৰু বিপুল দাসে। উক্ত চুক্তিখনে অনাগত সময়ত সমগ্ৰ সমজিলাখনৰ বাবে বিদ্যায়তনিক দিশত সুদূৰপ্ৰসাৰি প্ৰভাৱ পেলাব বুলি সকলোৱে আশা কৰিছে।

# পৰ্বতঝোৰাৰ খুটা বাগৰা, বৰভিটা শিলাই নদীত চোৰাং কাঠ মাফিয়াৰ দপদপনি

**ই-সংবাদ, পৰ্বতঝোৰা, ২৩ ফেব্ৰুৱাৰীঃ** যিসময়ত অসম চৰকাৰে অমৃত বৃক্ষ অভিযান আঁচনিৰ জৰিয়তে কোটি কোটি গছ পুলি ৰোপণৰ প্ৰয়াস চলাইছে ঠিক তেনে সময়তে বি টি আৰৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা বন সংমণ্ডলৰ অন্তৰ্গত বৃহত্তৰ মদাতি, খোপাতি, শিলাইৰ পাৰ, খুটা বাগৰা, বৰভিটা, মল্লিক পাৰা আদি অঞ্চলত একাংশ বনদস্যুৱে ৰাতিয়ে-দিনে পৰ্বতঝোৰা বনাঞ্চলৰ বহু মূল্যৱান অপৈনত শাল, চেগুন, গমাৰী আদি গছ কাটি তহিলং কৰি থকাৰ সময়তে বিগত কেবাদিন ধৰি খোৰাঘাট বনাঞ্চলিক বিষয়া সাহানুৰ আলমে ধাৰাবাহিক অভিযান চলাই খুটা বাগৰা বৰভিটা শিলাই নদীৰ পাৰত বৃহৎ পৰিমাণৰ শাল কাঠৰ কুণ্ডাভৰ্তি দুখন নাও জব্দ কৰাৰ লগতে শিলাই নদীত মাছৰ সলনি জাপে জাপে অপৈণত শাল, চেগুন কাঠৰ কুণ্ডা জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে নৱনিযুক্ত খোৰাঘাট বনাঞ্চলিক বিষয়া সাহানুৰ আলমে দ্বায়িত্বভাৰ লোৱাৰ পিছৰেপৰা বনদস্যুৰ বিৰুদ্ধে অভিযান চলাই অবৈধ চোৰাং কাঠৰ কুণ্ডা, কাঠ ফলা মিল, শিল-বালি মহলাত নাকি লগোৱাৰ লগতে চাইকেল, ঠেলা, ঘোঁৰা গাড়ী আদি বিভিন্ন অঞ্চলৰপৰা জব্দ কৰিবলৈ সক্ষম হৈছে। অৱশ্যে অভিযান কালত চোৰাং কাঠ মাফিয়াৰ বিৰুদ্ধে বন বিষয়াগৰাকীয়ে কোনোধৰণৰ পদক্ষেপ নোলোৱাৰ অভিযোগ উত্থাপন হৈছে। বিগত কেবাদিনত জব্দ কৰা কাঠৰ মূল্য সাত লক্ষাধিক টকা হ'ব বুলি বন বিভাগৰ এক সূত্ৰে জানিব পৰা গৈছে। ৰাইজে বিষয়টোক লৈ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

# ভৱানীপুৰৰ ব্যৱসায়ীক অপহৰণ কাণ্ডৰে জড়িত এগৰাকী মাষ্টাৰমাইণ্ড গ্ৰেপ্তাৰ

**ই-সংবাদ, ভৱানীপুৰ, ২৩ ফেব্ৰুৱাৰী.ঃ** ভৱানীপুৰৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কঁহৰা চ'কৰ বাসিন্দা তথা ব্যৱসায়ী চৈবৰ আলী আৰু তেওঁৰ গাড়ীচালক আনাৰ আলীৰ অপহৰণ কাণ্ডৰে জড়িত ঘটনাৰ দুগৰাকী লোকক আটক কৰাৰ পাছতে আজি এই ঘটনাৰ মাষ্টাৰ মাইণ্ডজনক আটক কৰা কথা জানিব পৰা হৈছে। আজি ভৱানীপুৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিকাশজ্যোতি ডেকাৰ উপস্থিতিত ভৱানীপুৰ আৰক্ষী চকীত আয়োজিত এখন সংবাদ-মেলৰ জৰিয়তে বজালী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ত্ৰিনয়ন ভূঞাই এই কথা ঘোষণা কৰে। আটক কৰা অপৰাধীজনৰ নাম মংগল মুৰ্মু (৪০) আৰু তেওঁক বিজনী চহৰৰ পৰা আটক কৰাৰ বিষয়ে আৰক্ষীয়ে জানিবলৈ দিছে। আনহাতে, এ এছ-০১-এফ পি ১৩১৪ নম্বৰৰ ক'লা ৰঙৰ স্ক'ৰপিঅ' গাড়ী এখনো কোকৰাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত বিচমুৰীৰ সমীপৰ অমৃতপুৰ নামেৰে এখন গাঁৱৰপৰা উদ্ধাৰ কৰা হৈছে বুলিও আৰক্ষীয়ে জানিবলৈ দিছে। উল্লেখ্য, যোৱা ১৯ তাৰিখে সংঘটিত এই অপহৰণ কাণ্ডৰ পিছত যোৱা ২১ তাৰিখে মাজনিশা ২ বজাত জুই পুৱাই থকা অৱস্থাত চিৰাং আৰক্ষীৰ সহযোগত বজালী আৰক্ষীয়ে চলোৱা এক অভিযানত অপহৃত চৈবৰ আলী আৰু আনাৰ আলীৰ সৈতে দুই অপহৰণকাৰী ৰবিৰাম হেম্ৰম আৰু হাকিম হাজদাক আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হৈছিল। ইয়াৰে সৈতে অপহৰণ কাণ্ডৰে জড়িত মুঠ তিনিগৰাকীক বৰ্তমানলৈ আৰক্ষীয়ে আটক কৰাৰ কথা জানিব পৰা গৈছে। বাকী আত্মগোপন কৰি থকা আন তিনিগৰাকী অপৰাধীকো অচিৰেই আটক কৰিব পৰা যাব বুলি আৰক্ষীয়ে ব্যক্ত কৰিছে। অৱশ্যে অপহৃত চৈবৰ আলীয়ে অপহৰণ কাণ্ডৰ সৈতে মুঠ ১১ গৰাকী লোক জড়িত থকা বুলি দাবী কৰা পৰিলক্ষিত হৈছে।

# মাৰ্ঘেৰিটা এফ আৰ ইউ চিকিৎসালয় কৰ্তৃপক্ষৰ সংবাদমেল

**ই-সংবাদ, মাৰ্ঘেৰিটা, ২৩ ফেব্ৰুৱাৰীঃ** আজি মাৰ্ঘেৰিটা এফ আৰ ইউ চিকিৎসালয়ৰ কৰ্তৃপক্ষই এখন সংবাদমেল অনুষ্ঠিত কৰে। মাৰ্ঘেৰিটা এফ আৰ ইউ চিকিৎসালয়ত চিকিৎসকক উত্তেজিত ৰাইজৰ প্ৰহাৰ সন্দৰ্ভত মাৰ্ঘেৰিটা এফ আৰ ইউ চিকিৎসালয়ৰ উপঃঅধীক্ষক আৰু নাৰ্ছে সংবাদমেল আয়োজন কৰে। বাতৰিত সম্প্ৰচাৰ হোৱাৰ দৰে মহিলাগৰাকী চিকিৎসালয়ৰ নাৰ্ছ নাইবা কৰ্মচাৰী নাছিল বুলি সংবাদমেলত দাবী কৰে চিকিৎসালয় কৰ্তৃপক্ষই। উক্ত ঘটনা চিকিৎসালয়তো সংঘটিত হোৱা নাছিল বুলি কোৱাৰ লগতে ঘটনাৰ দিনা চিকিৎসক ডঃ চেলিক্স আলম চিকিৎসালয়ত কৰ্মৰত নাছিল বুলি জানিবলৈ দিয়ে। নাৰ্ছ বুলি সম্প্ৰচাৰিত বাতৰিত অসন্তুষ্টি প্ৰকাশ কৰে চিকিৎসালয় কৰ্তৃপক্ষৰ লগতে নাৰ্ছসকলে।

# ধৰ্মশালাত বিনামূলীয়া চিকিৎসা শিবিৰ সম্পন্ন

**ই-সংবাদ, গোলকগঞ্জ, ২৩ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ ধৰ্মশালা আঞ্চলিক ক্লাব আৰু যুৱ মঞ্চৰ উদ্যোগত দ্যা হাৰ্ট সহৃদয় গোষ্ঠীৰ সহযোগত ধৰ্মশালা চৈধ্য জামাত ঈদগাহ ময়দানত আজি এক বৃহৎ বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। পুৱাৰেপৰা তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাক্তন প্ৰসূতি আৰু স্ত্ৰীৰোগ চিকিৎসা বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ জাবেদ আলী, দ্যা হাৰ্ট সহৃদয় গোষ্ঠীৰ সভাপতি তথা হৃদৰোগ বিশেষজ্ঞ ডাঃ চন্দন মোদক, প্ৰসূতি আৰু স্ত্ৰীৰোগ বিশেষজ্ঞ চিকিৎসক ডাঃ আব্দুল হাকিম আনছাৰীকে ধৰি চকু, নাক কাণ ডিঙি, শিশু ৰোগ, ছাল, আদি বিভাগৰ পোন্ধৰগৰাকী বিশেষজ্ঞ চিকিৎসকে তিনি সহস্ৰাধিক লোকক চিকিৎসা সেৱা আগবঢ়ায়। শিবিৰত ই চি জি, ৰক্তচাপ, শৰ্কৰা আদি বিনামূলীয়াকৈ পৰীক্ষা কৰাৰ লগতে ৰোগীসকলৰ মাজত বিনামূলীয়াকৈ ঔষধৰ যোগান ধৰা হয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# বটদ্ৰৱাত শিশুৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ সম্পন্ন

**ই-সংবাদ, বেৰেজীয়া, ২৩ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ বটদ্ৰৱাত দেওবাৰে 'শিশুৰ ভৱিষ্যতৰ মূল্যায়ন, সমৰ্থন আৰু শক্তিশালী কৰা'ৰ লক্ষ্যৰে এটি বিনামূলীয়া শিশু স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হয়। বটদ্ৰৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত অসম ৰাজ্যিক গ্ৰামীণ জীৱীকা অভিযানৰ মহালক্ষ্মী মণ্ডল সংঘ আৰু ইউচুফ মেম'ৰিয়েল ছ'চইটিৰ উদ্যোগত তথা নগাঁৱৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয় ডিউ কেয়াৰৰ সহযোগত আয়োজিত এই স্বাস্থ্য পৰীক্ষা শিবিৰটি পুৱা ১০ বজাৰপৰা বটদ্ৰৱা সৰুহিছা ৰাজহুৱা মঞ্চত অনুষ্ঠিত হয়। এই শিবিৰত শিশুৰোগ বিশেষজ্ঞ চিকিৎসক ডাঃ অনুজ বৰাৰ নেতৃত্বত ডাঃ আৰমান ইমটিয়াজ, ডাঃ ছামিম চুলতানা, সমন্বয়ক ৰাহিদুল হুছেইন, প্ৰমোদ চৌহান আৰু আশ্ৰাফুল ইছলামৰ দ্বাৰা গঠিত চিকিৎসা কৰ্মীৰ দলে বিনামূলীয়াকৈ শিশুৰ স্বাস্থ্য পৰীক্ষাৰ লগতে পৰামৰ্শ প্ৰদান কৰে। শিবিৰটোৰ আৰম্ভণিৰ পূৰ্বে অনুষ্ঠিত হোৱা উদ্বোধনী অনুষ্ঠানত বটদ্ৰৱা উন্নয়ন খণ্ডৰ প্ৰকল্প প্ৰবন্ধক মিন্টু ডেকা উপস্থিত থাকি শিশুৰ স্বাস্থ্য সবল কৰাৰ ক্ষেত্ৰত মাতৃৰ গুৰুত্বপূৰ্ণ দিশসমূহৰ জ্ঞানৰ আৱশ্যকতাৰ বিষয়ে আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহালক্ষ্মী মণ্ডল পৰ্যায়ৰ সংগঠনৰ সভানেত্ৰী মিনা কলিতা, সম্পাদিকা প্ৰতিভা ভূঞা লগতে বিষয়ববীয়াসকল, অসম গ্ৰামীণ জীৱীকা অভিযানৰ বটদ্ৰৱা পঞ্চায়তৰ কৰ্মী ত্ৰিবেনী কলিতাকে ধৰি বহুকেইজন লোক উপস্থিত থাকে। বিয়লি সামৰণি পৰা উক্ত শিবিৰত বটদ্ৰৱা অঞ্চলৰ শতাধিক শিশুৰ স্বাস্থ্য পৰীক্ষা আৰু পৰামৰ্শ প্ৰদানৰ লগতে বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰা হয়।

# অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মোহন চন্দ্ৰ পায়েঙৰ বিয়োগ

**ই-সংবাদ বিশেষ, মাজুলী, ২৩ ফেব্ৰুৱাৰীঃ** মাজুলীৰ পাথৰিচুক বৰালিমৰা মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, লোহিত খাবলুৰ পাথৰিচুকৰ বাসিন্দা মোহন চন্দ্ৰ পায়েঙৰ যোৱাৰাতি মৃত্যু হয়। লোহিত খাবলুত শিক্ষা আৰু সমাজ জীৱনলৈ অশেষ বৰঙণি আগবঢ়োৱা মোহন চন্দ্ৰ পায়েং কিছুদিন ধৰি যকৃৎ ৰোগত আক্ৰান্ত হৈ আছিল। যোৱাৰাতি ১২.৩০ বজাত আজীৱন শিক্ষাব্ৰতীজনে নিজ গৃহত শেষ নিশ্বাস ত্যাগ কৰে। দীৰ্ঘদিন ধৰি তেওঁ লোহিত খাবলুৰ পাথৰিচুক, বৰালিমৰা, দুঘৰীয়া আদিত শিক্ষকতাৰে অগণণ জনৰ জীৱন উজলাই তুলিছিল। ২০১৬ চনৰ নৱেম্বৰ মাহত উক্ত বিদ্যালয়ৰপৰা প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰা মোহন চন্দ্ৰ পায়েং এজন অতি সাৰ্থক শিক্ষাব্ৰতী আছিল। তেওঁৰ জ্যেষ্ঠ পুত্ৰ ডাঃ সদানন্দ পায়েং গুৱাহাটীস্থিত খানাপাৰা পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ অধ্যাপক হিচাপে কৰ্মৰত। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭০ বছৰ। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ, পুত্ৰ ডাঃ সদানন্দ পায়েং আৰু সীমান্ত পায়েং আৰু চাৰিগৰাকী কন্যা, দুজন জোঁৱাই আৰু কেইবাটাও নাতি-নাতিনী ইহসংসাৰত এৰি গৈছে। মোহন চন্দ্ৰ পায়েঙৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। আজি পুৱা পাথৰিচুক প্ৰাথমিক বিদ্যালয়, নামনি সোৱণশিৰি মিচিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে মোহন চন্দ্ৰ পায়েঙৰ সমাধিস্থলীলৈ গৈ সামূহিক প্ৰাৰ্থনা কৰি মৃতকৰ আত্মাৰ সদগতিৰ কাৰণে ভগৱানক প্ৰাৰ্থনা জনায়। মোহন চন্দ্ৰ পায়েঙৰ মৃত্যুত পাথৰিচুক উন্নয়ন সমিতি, পাথৰিচুক যুৱক সংঘ, মিচিং স্বায়ত্বশাসিত পৰিষদৰ ২৩নং লোহিত পৰিষদীয় সমষ্টিৰ প্ৰাক্তন সাধাৰণ সদস্য মুকুল পেগু, মিচিং জনগোষ্ঠীৰ জাতীয় সংগঠন টি এম পি কে, এম এম কে' আৰু টি এম এম কেৰ লোহিত খাবলু আঞ্চলিক সমিতি, নামনি সোৱণশিৰি মিচিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক যাদৱ বৰা, পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অমিয় কুমাৰ চিৰাঙে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# ওদালগুৰি প্ৰেছ ক্লাবৰ একাদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ সামৰণি

**ই-সংবাদ, ওদালগুৰি, ২৩ ফেব্ৰুৱাৰীঃ** ওদালগুৰি সংবাদ জগতৰ লগত জড়িত প্ৰতিগৰাকী ব্যক্তি তথা সংবাদ কৰ্মীৰ প্ৰয়োজন আৰু সুবিধাৰ্থে স্থাপিত হোৱা ওদালগুৰি প্ৰেছ ক্লাবৰ একাদশ দ্বি-বাৰ্ষিক অধিৱেশন আৰু পুনৰ নিৰ্মাণ ভৱন মুকলি অনুষ্ঠানটো আজি অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি আজি পুৱা বি টি আৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য তথা ওদালগুৰি বিধান সভা সমষ্টিৰ বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে পুনৰ নিৰ্মাণ ভৱনটো উদ্বোধন কৰি প্ৰদান কৰা ভাষণত ভৱনটো পুনৰ নিৰ্মাণ কাৰ্য সুন্দৰকৈ নিৰ্মাণ কৰাৰ কথা উল্লেখ কৰি প্ৰেছ ক্লাবৰ আধৰুৱা হৈ থকা ভৱনটোও সম্পূৰ্ণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। আনহাতে, বি টি আৰৰ কাৰ্যবাহী সদস্য ডঃ নিলুৎ স্বৰ্গীয়াৰীয়ে স্মৃতিগ্ৰন্থ উন্মোচন কৰি কয়- সাংবাদিকসকল সমাজৰ প্ৰহৰী। সাংবাদিকসকল সচেতনতাৰে কাম কৰিব লাগে। সংবাদ মাধ্যমে নীতি-নিৰ্দেশনাৰ লক্ষ্মণৰেখা অতিক্ৰম কৰা উচিত নহয়। সকলো নীতি-নিয়ম মানি চলাৰ প্ৰয়োজন আছে। অধিৱেশন উপলক্ষে পুৱা ৯ বজাত ওদালগুৰি প্ৰেছ ক্লাবৰ সভাপতি ধীৰেন বৈশ্যই পতাকা উত্তোলন কৰাৰ পিছত প্ৰেছ ক্লাবৰ সম্পাদক গুণজিৎ দাসে স্মৃতি তৰ্পণ কৰে। উদ্বোধনী সভাত সভাপতিত্ব কৰে ওদালগুৰি প্ৰেছ ক্লাবৰ সভাপতি ধীৰেন বৈশ্যই। উদ্বোধনী সভাতেই গৌতম জ্যোতি তালুকদাৰৰ দ্বাৰা সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ 'সংবাদ' উন্মোচন কৰে বি টি আৰৰ কাৰ্যবাহী সদস্য তথা জনসংযোগ আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ই এম ডঃ নিলোৎ স্বৰ্গীয়াৰীয়ে। উক্ত উদ্বোধনী সভাত অতিথিৰূপে উপস্থিত থাকি সভাত ওদালগুৰিৰ বিশিষ্ট সমাজকৰ্মী তথা স্মৃতিগ্ৰন্থৰ দাতা মিনন মোছাহাৰীয়ে বক্তব্য ৰাখে। উদ্বোধনী অনুষ্ঠানৰ অন্তৰংগ আলাপ অনুষ্ঠানত উপস্থিত থাকি বক্তব্য ৰাখে বিশিষ্ট নাগৰিক ফণীধৰ ওজা, সমাজকৰ্মী খগেন চৌধুৰী, ওদালগুৰি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গজেন্দ্ৰ নাথ গায়ন,জিলা সাহিত্য সভাৰ উপ-সভাপতি ভদ্ৰকান্ত শৰ্মা, ওদালগুৰি জিলা তথ্য আৰু জনসংযোগ বিষয়া বিগ্ৰাই বসুমতাৰী, প্ৰেছ ক্লাবৰ প্ৰাক্তন সদস্য খনিন বায়ন, বিশিষ্ট সমাজকৰ্মী ডালিম বায়ন, অৱসৰী শিক্ষক থুনুৰাম দাস, প্ৰেছ ক্লাবৰ উপদেষ্টা বৈদ্যনাথ উপাধ্যায়, ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ সভাপতি বিতোপন দাস, প্ৰেছ ক্লাবৰ উপদেষ্টা গৌতম জ্যোতি তালুকদাৰ, সহকাৰী সম্পাদক অখিল কলিতা আদিকে ধৰি কেইবাগৰাকীও বিশিষ্ট লোকে। বিয়লি ৫ বজাত অনুষ্ঠিত ওদালগুৰি প্ৰেছ ক্লাবৰ একাদশ দ্বি বাৰ্ষিক অধিৱেশন উপলক্ষে সভাপতি ধীৰেন বৈশ্য সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত ২০২৫-২০২৭ বৰ্ষৰ বাবে গুণজিৎ দাসক সভাপতি, বৈদ্যনাথ উপাধ্যায়ক উপ সভাপতি, অখিল কলিতাক সম্পাদক, অঞ্জনজ্যোতি শৰ্মাক সহকাৰী সম্পাদক, ধনদ্বীপ বৰাক কাৰ্যালয় সম্পাদক হিচাপে লৈ ওদালগুৰি প্ৰেছ ক্লাবৰ নতুন সমিতিখন গঠন কৰা হয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# তিতাবৰৰ চাউলত আৰ্চেনিক প্ৰসংগক লৈ ৰাজহুৱা সভাত সৰৱ জাতীয় দল-সংগঠন

## ৰাজ্য চৰকাৰক বিষয়টোত শীঘ্ৰে স্থিতি স্পষ্ট কৰিবলৈ দাবী

**ই-সংবাদ, তিতাবৰ, ২৩ ফেব্ৰুৱাৰীঃ** তিতাবৰৰ কেইবাখনো পথাৰত উৎপাদিত ধানত মাৰাত্মক ৰূপত আৰ্চেনিকৰ উপস্থিতি ধৰা পৰা বুলি কৃষি বিশ্ববিদ্যালয়ৰ এগৰাকী ভূ-বিজ্ঞানীয়ে কৰা দাবীক উভতি ধৰিছে তিতাবৰৰ দল-সংগঠনে। তিতাবৰ মহকুমা গ্ৰাম্য সাংবাদিক সন্থাৰ আহ্বানত আজি অনুষ্ঠিত হোৱা তিতাবৰৰ বহু কেইটা জাতীয় জনগোষ্ঠীয় সংগঠনে ৰাজ্য চৰকাৰক দৃষ্টিভংগী স্পষ্ট কৰিবলৈ দাবী তুলিছে। যুৱ ছাত্ৰ পৰিষদ, চুতীয়া জাতি যুৱ সন্মিলন, টাই আহোম ছাত্ৰ সন্থা ,অসম চাহ জনজাতি ছাত্ৰ সন্থা চাহ জনজাতি মহাসভা, ঠেঙাল কছাৰী সংগঠন, বীৰ লাচিত সেনা, অসম কৃষক মুক্তি সংগ্ৰাম পৰিষদ, প্ৰাক্তন আছু ঐক্য মঞ্চ আদি দল সংগঠনে ভূ-বিজ্ঞানী গৰাকীয়ে কৰা এটা দাবী দুদিনৰ পাছত সলনি কৰা বিষয়ে সমগ্ৰ বিষয় সন্দেহজনক কৰি তোলা বুলি মত পোষণ কৰি ৰাজ্য চৰকাৰক এই বিষয়ত দৃষ্টিভংগী স্পষ্ট কৰিবলৈ দাবী জনায়। মুখ্যমন্ত্ৰী, কৃষি মন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে তিতাবৰলৈ অহা বাহিৰৰ ধানৰ আৰ্চেনিক পৰীক্ষা কৰাৰ দাবী তোলে। খোদ কৃষি বিশ্ববিদ্যালয়ৰ উক্ত ভূ-বিজ্ঞানী গৰাকীৰ দাবীৰ বিপৰীতে কৃষি বিশ্ববিদ্যালয়ৰ বিজ্ঞানীয়ে সংবাদ মাধ্যমৰ আগত বিপৰীত মন্তব্য মন্তব্য প্ৰকাশ কৰা বিষয় অতি স্পষ্টকাতৰ বুলি সভাই অভিহিত কৰি তিতাবৰৰ শতিকা প্ৰাচীন চাউলৰ মান অৱনমিত কৰাৰ এইয়া চক্ৰান্ত নেকি বুলি প্ৰশ্ন কৰিছে।উল্লেখযোগ্য যে আহোম ৰাজত্ব কালত তিতাবৰৰ চাউল উন্নত মানৰ আৰু সুস্বাদু হোৱা বাবে কেইবাখনো পথাৰ নিৰ্বাচন কৰি ৰাজপৰিয়ালৰ বাবে খেতি কৰিবলৈ প্ৰজাক নিৰ্দেশ দিছিল। পৰৱৰ্তী সময়ত ৰজাই নিৰ্বাচন কৰা বাবে এই পথাৰ সমূহ বচা পথাৰ ৰূপে স্বীকৃতি লাভ কৰিছিল। স্বাধীনোত্তৰ কালত সেই ৰাজতন্ত্ৰৰ দিনৰ সুনাম অক্ষুন্ন ৰাখি তিতাবৰৰ চাউল আজিও উজ্বলি আছে। ৰাজ্যৰ লগতে সমগ্ৰ দেশত বিশেষ চাহিদা থকা তিতাবৰৰ চাউলক কেন্দ্ৰ কৰি শেহতীয়াকৈ বহু ষড়যন্ত্ৰ চলি অহাৰ প্ৰসংগ উত্থাপন কৰি কেইবাটাও সংগঠনে ভূ-বিজ্ঞানী গৰাকীৰ দাবীক লৈ প্ৰশ্ন তুলিছে। তিতাবৰৰ মানুহৰ জীৱন জীৱিকাৰ প্ৰশ্ন জড়িত থকা এনে বিষয়ত ৰাজ্য চৰকাৰে জৰুৰীভাৱে পদক্ষেপ গ্ৰহণ কৰিবই লাগিব বুলি সৰৱ হৈ দল সংগঠন সমূহে স্পষ্ট ৰূপত কয় যে তিতাবৰৰ চাউলৰ আৰ্চেনিক পৰীক্ষা ৰাজ্য চৰকাৰৰ উদ্যোগত জৰুৰী ভাবে সম্পন্ন কৰাত কৃষি বিভাগে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। তিতাবৰৰ চাউলৰ জনপ্ৰিয়তা আৰু চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ বিভিন্ন স্থানৰ লগতে বহিঃৰাজ্যৰ পৰাও চাউল আনি একাংশ ব্যৱসায়িক প্ৰতিষ্ঠানে ইয়াক তিতাবৰৰ চাউল ৰূপে ব্যৱসায় চলাই থকা ধানৰ সম্পৰ্কত প্ৰশ্ন তুলি এনে ধান তিতাবৰলৈ অহাৰ পূৰ্বে আৰ্চেনিক পৰীক্ষা কৰাত জিলা প্ৰশাসনক কঠোৰ নীতি গ্ৰহণ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইফালে তিতাবৰস্থিত ধান গৱেষণা প্ৰতিষ্ঠানত ভূগৰ্ভৰ পানীৰে খেতি কৰি অহা বিষয় উল্লেখ কৰি দল সংগঠনসমূহে এনে ধানৰ খেতিত আৰ্চেনিক আছে নে নাই সেইয়া স্পষ্ট কৰিবলৈ সাত দিনৰ সময়সীমা নিৰ্ধাৰণ কৰি পত্ৰ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰাকৃতিক আৰু নলী-নদীৰ পানীৰে কৃষি কৰ্ম কৰি অহা তিতাবৰৰ পথাৰত আৰ্চেনিক ধৰা পৰা বিষয় কেইবাগৰাকী অৱসৰপ্ৰাপ্ত কৃষি বিষয়া, আৰ্চেনিক বিশেষজ্ঞই নাকচ কৰিছে যদিও ভূ-বিজ্ঞানী গৰাকীৰ দাবী সঁচা হ'লে ৰাজ্য চৰকাৰে এই বিষয়ত কি পদক্ষেপ গ্ৰহণ কৰিছে বুলি প্ৰশ্ন তোলে। ৰাজ্য চৰকাৰে অনুষ্ঠানিকভাৱে বহু পূৰ্বেই তিতাবৰক আৰ্চেনিক জ'ন ঘোষণা কৰি থোৱাৰ পাছতো শেহতীয়াভাৱে কেইবাখনো পথাৰত ভূ গৰ্ভৰ পানীৰে খেতি কৰিবলৈ আঁচনি গ্ৰহণ কৰা বিষয় উল্লেখ কৰি এইয়া ৰাজ্য চৰকাৰৰ কেনে চিন্তা বুলি প্ৰশ্ন কৰে। ৰাজ্যৰ ধানৰ ভঁৰাল স্বৰূপ তিতাবৰৰ কৃষকৰ বাবে ব্ৰহ্মপুত্ৰৰ পৰা পানী আনি বছৰত কেইবাটাও খেতি কৰাত ৰাজ্য চৰকাৰক আঁচনি গ্ৰহণ কৰিবলৈ সভাই আহ্বান জনায়। মহকুমা গ্ৰাম্য সাংবাদিক সন্থাৰ সভাপতি ৰাজু বৰাই সভাপতিত্বত কৰা সভাত আটাচুৰ চিৰঞ্জিত গগৈ, চাহ জনজাতি জাতীয় মহা সভাৰ কেন্দ্ৰিয় সম্পাদক অৰুণ কাৱাৰ, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ তপন ফুকন যুৱ ছাত্ৰ পৰিষদৰ ৰাতুল হাজৰিকা, অনুসূচীত জাতি পৰিষদৰ দীপাংকৰ হাজৰিকা, আছুৰ প্ৰাক্তন সহকাৰী সম্পাদক নিলোফাৰ ৰহমান, আটচাৰ প্ৰদীপ কুৰ্মী, লাচিত সেনাৰ চানি ৰাজখোৱা, প্ৰগতিশীল কৃষক অনন্ত খনিকৰ চুতীয়া জাতি যুৱ সন্মিলনৰ ৰাজ্যিক সম্পাদক প্ৰাঞ্জল হাজৰিকা, যুৱ নেতা অসীম সন্দিকৈ, সাংবাদিক প্ৰকাশ বৰা, মঞ্জিত হাজৰিকা, চন্দন কলিতা, চিত্ৰ কমল বেজবৰুৱাৰ লগতে আমৰসিং ৰাজপুত উপস্থিত থাকে।

# কামাখ্যা বায়'ফ্যুৱেলছ ইথানল কোম্পানীৰ শব্দ, বায়ু প্ৰদূষণ ৰোধৰ দাবীৰে নাগৰিক সমাজৰ বিশেষ সভা

**ই-সংবাদ, দুমুনিচকী, ২৩ ফেব্ৰুৱাৰীঃ** দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকীৰ নিকটৱৰ্তী শিঙিমাৰীৰ কামাখ্যা বায়'ফ্যুলস কোম্পানীৰ পৰা নিৰ্গত হোৱা শব্দ প্ৰদূষণ আৰু বায়ু প্ৰদূষণৰ বিৰুদ্ধে আজি বিয়লি দুমুনিচকীত নাগৰিক সমাজৰ এখন গুৰুত্বপূৰ্ণ ৰাজহুৱা সভা অনুষ্ঠিত হয়। কামাখ্যা বায়'ফ্যুলস ইথান'ল প্ৰস্তুত কৰা কোম্পানীৰপৰা নিৰ্গত হোৱা শব্দ প্ৰদূষণ আৰু বায়ু প্ৰদূষণ ৰোধ কৰিবলৈ নাগৰিক সমাজে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। আজিৰ সভাৰ জৰিয়তে অসম চৰকাৰৰ লগতে জিলা প্ৰশাসনক দাবী জনাই নাগৰিক সমাজে। উল্লেখ্য যে দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকীৰ নিকটৱৰ্তী শিঙিমাৰীৰ বদিয়া সিঁচা জলাশয়ত স্থাপন কৰা কামাখ্যা বায়'ফ্যুলস ইথান'ল প্ৰস্তুত কৰা কোম্পানীৰপৰা যোৱা এমাহ ধৰি দৰং জিলাৰ লগতে পাৰ্শ্বৱৰ্তী কামৰূপ জিলাৰ দুমুনিচকী অঞ্চলত বিৰূপ প্ৰভাৱ পেলায়। কোম্পানীটোৰ পৰা ২৫ শতাংশ উৎপাদন হোৱাৰ সময়তে নিৰ্গত হৈছে শব্দ প্ৰদূষণ আৰু বায়ু প্ৰদূষণ। ভয়াৱহ শব্দ প্ৰদূষণৰ বাবে ইতিমধ্যে বৃহত্তৰ অঞ্চলটোৰ ৰাইজ আতংকিত হয়। দিনে-নিশাই ভয়াৱহ শব্দ প্ৰদূষণৰ ফলত মানুহৰ লগতে জীৱ-জন্তু, চৰাই-চিৰিকটি আদিৰ বসবাসৰ অনুপযোগী হৈ পৰিছে। তদুপৰি ইথান'ল প্ৰস্তুত কৰা কোম্পানীৰপৰা নিৰ্গত হৈছে ভয়াৱহ বায়ু প্ৰদূষণ। ক'লা ৰঙৰ গুৰি কিছুমানৰ লগতে অঞ্চলটোত বিয়পি পৰে অতি দুৰ্গন্ধ। ইয়াৰ ফলত ভৱিষ্যতে মানৱ সমাজৰ বাবে হ'ব পৰা বিপদৰ আগজাননী হিচাপে অনুভৱ কৰি নাগৰিক সমাজে অনুষ্ঠিত কৰে ৰাজহুৱা সভা। জ্যেষ্ঠ সাংবাদিক পুলক চমুৱাই পৰিচালনা কৰা ৰাজহুৱা সভাত উদ্দেশ্য ৰাখ্যা কৰে ৰাজু আহমেদে। তিনি শতাধিক ৰাইজ উপস্থিত থকা সভাত অসম চৰকাৰ আৰু দৰং জিলা প্ৰশাসনক বায়ু প্ৰদূষণ ৰোধ কৰাত পদক্ষেপ ল'বলৈ আহ্বান জনায়। ইয়াৰবাবে আজিৰ সভাত এখন উচ্চ ক্ষমতাসম্পন্ন এখন ৰাজহুৱা সমিতি গঠন কৰে নাগৰিক সমাজে। দৰং জিলাৰ ছিপাঝাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি চুমন বৰদলৈ আৰু সাধাৰণ সম্পাদক অক্ষয় কুমাৰ ডেকা উপস্থিত থকা সভাত প্ৰথম পদক্ষেপ হিচাপে দৰং জিলাৰ জিলা আয়ুক্ত, ছিপাঝাৰ ৰাজহ চক্ৰৰ চক্ৰ-বিষয়া, ছিপাঝাৰ সমষ্টিৰ বিধায়ক, অসম চৰকাৰৰ প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ড আদিৰ লগতে বিভাগীয় মন্ত্ৰীক স্মাৰক-পত্ৰ প্ৰদান কৰাৰ সিদ্ধান্ত লয়। তাৰপিছতো ব্যৱস্থা গ্ৰহণ নকৰিলে পৰৱৰ্তী পৰ্যায়ত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক বিষয়টোৰ গুৰুত্ব বুজি স্মাৰক-পত্ৰ প্ৰদানৰ সিদ্ধান্ত লোৱা হয়।

# নগাঁৱত জিলাভিত্তিত ক্ৰীড়া সমাৰোহৰ সফল সমাপ্তি

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৩ ফেব্ৰুৱাৰীঃ** যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়, ভাৰত চৰকাৰৰ অধীনৰ নেহৰু যুৱ কেন্দ্ৰ (এনৱাইকে), নগাঁৱৰ উদ্যোগত আজি নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত নগাঁও জিলা ভিত্তিক (আন্তঃক্লাষ্টাৰ) ক্ৰীড়া সমাৰোহখনি সফলতাৰে অনুষ্ঠিত হৈ যায়। এই ক্ৰীড়া সমাৰোহৰ পুৰুষৰ দলগত ভলীবল ইভেন্টত জুৰিয়া ক্লাষ্টাৰ উন্নয়ন খণ্ডৰ দলে বিজয়ী খিতাপ লাভ কৰে আৰু বঢ়মপুৰ ক্লাষ্টাৰ উন্নয়ন খণ্ড দল ৰাণাৰ্ছআপ হোৱাৰ বিপৰীতে মহিলাৰ কাবাডী ইভেন্টত খাগৰিজান ক্লাষ্টাৰ উন্নয়ন খণ্ড দলে বিজয়ী খিতাপ আৰু বঢ়মপুৰ ক্লাষ্টাৰ উন্নয়ন খণ্ড দলে ৰাণাৰ্ছআপৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। ব্যক্তিগত পুৰুষৰ শাখাৰ লংজাম্প ইভেন্টত খাগৰিজান ক্লাষ্টাৰ উন্নয়ন খণ্ডৰ বিকি ডেকা, খাগৰিজানৰে সান্নিধ্যৰ যীচুৰাম নাথ আৰু জুমন শইকীয়াই ক্ৰমে প্ৰথম তিনিটাস্থান লাভ কৰাৰ বিপৰীতে বেডমিণ্টন ইভেন্টত খাগৰিজান ক্লাষ্টাৰ উন্নয়ন খণ্ডৰ মযুৰকৃষ্ণ ভুঞা, কাব্যদ্বীপ কাশ্যপ আৰু জিচান ফিদাই ক্ৰমে প্ৰথম তিনিটাস্থান পায়। আনহাতে, মহিলাৰ ১০০ মিঃ দৌৰত বঢ়মপুৰ ক্লাষ্টাৰ উন্নয়ন খণ্ডৰ কৰিস্মা কৰ্মকাৰ, ৰাজশ্ৰী বৰদলৈ আৰু জুনমইনা নায়কে প্ৰথম তিনিটাস্থান পোৱাৰ বিপৰীতে মহিলাৰ টাগ অব ৱাৰতো বঢ়মপুৰ ক্লাষ্টাৰ উন্নয়ন খণ্ডৰ টওচিন চায়েৰা, ৰাজশ্ৰী বৰদলৈ আৰু জেৰিণ বেগমে প্ৰথম তিনিটাস্থান অধিকাৰ কৰিছে। জিলাখনৰ পাঁচটা ক্লাষ্টাৰ উন্নয়ন খণ্ডৰ পৰা শতাধিক খেলুৱৈয়ে ভাগ এই সমাৰোহৰ অন্তত আয়োজক সমিতিৰ বিষয়ববীয়া তথা জ্যেষ্ঠ শাৰীৰিক শিক্ষাৰ নিৰ্দেশক প্ৰভাত চন্দ্ৰ বৰাই আঁত ধৰা সামৰণি অনুষ্ঠানত বিশিষ্ট ক্ৰীড়া সংগঠক তপন কুমাৰ দাস, সমীৰ হাজৰিকা, অ'হিদুজ জামান, পি চি বৰা, কুমাৰ কমল কেওঁট, ফকৰুল ইছলাম, মীনা ভট্টাচাৰ্য, চন্দ্ৰা বি. দাস আৰু চৈয়দ জামান খান আদিয়ে বিভিন্ন বঁটাসমূহ বিতৰণ কৰে। ইপিনে, পুৱাৰ শুভাৰম্ভণি অনুষ্ঠানত মুখ্য অতিথি তপন কুমাৰ দাসৰ লগতে প্ৰাক্তন খেলুৱৈ মঞ্জুলা লস্কৰ, অনিল দাস, সমাজকৰ্মী কল্লোল দত্ত, আবু চাদিক কবীৰ আৰু মহম্মদ চাহিল আহমেদ আদি উপস্থিত আছিল। আজিৰ জিলা পৰ্য্যায়ৰ খেলত স্থানপ্ৰাপ্ত খেলুৱৈসকলে গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ যোগ্যতা অৰ্জন কৰিছে বুলি এন ৱাই কেৰ জিলা যুৱ বিষয়া বিকাশ চন্দ্ৰ প্ৰধানে জানিবলৈ দিয়ে।



আকাশলৈ উৰি যোৱা ধৱলৰঙী সপোনৰ পিনে চাই চেম্পিয়নছ ট্ৰফীত পাকিস্তানৰ বিৰুদ্ধে মেচত জয়ৰ আকাংক্ষা কোহলিৰ

## বেডমিণ্টন দলৰ প্ৰশিক্ষক গোপীচান্দৰ মন্তব্যক লৈ বিতৰ্ক

# মধ্যবিত্ত সকলে কেৱল খেলকে জীৱিকা কৰাৰ সপোন দেখি লাভ নাই

**নতুন দিল্লী, ২৩ ফেব্ৰুৱাৰীঃ** ভাৰতৰ ক্ৰিকেটাৰ বা ফুটবলাৰৰ বাহিৰে আন খেলুৱৈসকল কিমান স্বীকৃতিৰ যোগ্য? শেহতীয়াকৈ ৰাষ্ট্ৰীয় বেডমিণ্টন দলৰ প্ৰশিক্ষক পুলেলা গোপীচান্দৰ মন্তব্যক লৈ পুনৰ বিতৰ্কৰ সৃষ্টি হৈছে। তেওঁ স্পষ্টকৈ উল্লেখ কৰে যে যদি আপুনি মধ্যবিত্ত পৰিয়ালৰ, তেন্তে কেৱল ক্ৰীড়াক জীৱিকা হিচাপে চিন্তা কৰাৰ সপোন দেখি লাভ নাই, বিকল্প শিক্ষা ব্যৱস্থাও থাকিব লাগিব। তেওঁৰ বক্তব্যক লৈ ক্ৰীড়া সমাজত আৰম্ভ হৈছে তীব্ৰ বিতৰ্কৰ। 'দ্য ইণ্ডিয়ান এক্সপ্ৰেছ'ৰ সৈতে হোৱা এক সাক্ষাৎকাৰত গোপীচান্দে কয় যে অলিম্পিকত পদক লাভ কৰাৰ পিছতো খেলুৱৈসকলে চাকৰি বিচাৰিব লাগে, যিটো একেবাৰেই বাঞ্ছনীয় নহয়। আনকি লক্ষ্য সেন বা সাত্বিক-চিৰাগৰ দৰে তাৰকাইও দেশৰ বাবে সফলতা অৰ্জন কৰাৰ পিছত চাকৰিৰ বাবে বহু সময় অপেক্ষা কৰিবলগীয়া হৈছিল। তেওঁ কয়, সকলোৱে ছাইনা নেহৱাল বা পিভি সিন্ধু হ'ব নোৱাৰে। ক্ৰীড়া কোটাৰ অধীনত চাকৰি পোৱাৰ পিছতো বহুতে সন্মান নাপায় বা নিজকে যোগ্য বুলি প্ৰমাণ কৰিব নোৱাৰে। বহুতকে নিজৰ ক্ষেত্ৰখনৰ লগত খাপ নোখোৱা নিম্নস্তৰৰ চাকৰি দিয়া হয়। গতিকে ভৱিষ্যত সুৰক্ষিত কৰিবলৈ শিক্ষাক গুৰুত্ব দিব লাগিব। লগতে তেওঁ কয় যে ক্ৰীড়াত বিনিয়োগ কৰাটো ধনী লোকৰ বাবে কোনো বিষয় নহয়, কিন্তু মধ্যবিত্ত শ্ৰেণীৰ বাবে ই কঠিন। শচীন তেণ্ডুলকাৰৰ উদাহৰণ দি গোপীচান্দে কয় যে ভৱিষ্যতে আপোনাৰ সন্তান শচীন হ'ব বুলি ভাবি সকলো ধন বিনিয়োগ কৰাটো ভুল হ'ব পাৰে, কাৰণ বেছিভাগ ক্ষেত্ৰতে সেয়া বাস্তৱ নহয়। গোপীচান্দে জাতীয় দলৰ প্ৰশিক্ষক হোৱাৰ পিছতো ক্ৰীড়াৰ কঠোৰ বাস্তৱতা স্পষ্ট কৰিছে। তেওঁ কয় যে ক্ৰীড়াত সফল হোৱাৰ পিছতো বহু খেলুৱৈ কৰ্ম জগতত ব্যৰ্থ হয়। কৰ্পৰেট চাকৰিৰ পৰিৱেশৰ লগত খাপ খুৱাবলৈও বহুতৰে অসুবিধা হয়। গতিকে ক্ৰীড়াৰ সমান্তৰালকৈ শিক্ষাকো সমানে গুৰুত্ব দিয়া উচিত।

# আন্তঃজিলা ছিনিয়ৰ মহিলা হকীত নগাঁৱৰ বিৰুদ্ধে নাহৰকটীয়া দলৰ বিজয়

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৩ ফেব্ৰুৱাৰীঃ** অসম হকী আৰু নগাঁও ক্ৰীড়া সংস্থাৰ যৌথ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত আজি সামৰণি পৰা ১৫সংখ্যক অসম আন্তঃজিলা ছিনিয়ৰ মহিলা হকী প্ৰতিযোগিতাত ডিফেণ্ডিং চেম্পিয়ন নাহৰকটীয়া (ডিব্ৰুগড়) দলে পুনৰ চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। এই প্ৰতিযোগিতাৰ আজিৰ ফাইনেলত নাহৰকটীয়া (ডিব্ৰুগড়) দলটোৱে যোৱাবাৰৰ ৰাণাৰ্ছ আপ নগাঁও দলক ৫-১ গ'লত পৰাজিত কৰে। খেলখনত নাহৰকটীয়া দলটোৰহৈ অস্মিতা টিগ্গাই দুটা, মেক্সিমা খালক', সুনীতা ৰমণী আৰু সুনীতা ৰাজপুতে এটাকৈ গ'ল দিয়াৰ বিপৰীতে ঘৰুৱা দল নগাঁৱৰহৈ প্ৰিয়ংকাই একমাত্ৰ গ'লটো দিয়ে। আজি ফাইনেল খেলখনৰ আৰম্ভণিতে মুখ্য অতিথি নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি তথা স্থানীয় বিধায়ক ৰূপক শৰ্মাই খেলখন উদ্বোধন কৰাৰ লগতে আয়োজকে তেওঁ আৰু আন অতিথিসকলক খেলুৱৈসকলৰ সৈতে চিনাকি কৰি দিয়ে। খেলৰ অন্তত অসম হকী তথা নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাসে আঁত ধৰা সামৰণি অনুষ্ঠানত সন্মানীয় অতিথি অসম অলিম্পিক সন্থাৰ উপ সভাপতি তথা বিশিষ্ট ক্ৰীড়া সাংবাদিক সুবোধমল্ল বৰুৱা, নগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত সুদীপ নাথ, জ্যেষ্ঠ সাংবাদিক প্ৰকাশ মহন্ত, সমাজ সংগঠক দেবাশীষ বৰা, অঞ্জলি খাউণ্ড, কল্যাণী ডেকা আৰু হিৰণ্য বৰাৰ লগতে নগাঁও ক্ৰীড়া সংস্থাৰ বিষয়ববীয়া উজ্জল বৰুৱা, মোহন চন্দ্ৰ বৰা, সমীৰ হাজৰিকা, প্ৰশান্ত দাস আদিৰ উপস্থিতিত বিভিন্ন বঁটাসমূহ বিতৰণ কৰা হয়। প্ৰতিযোগিতাত তৃতীয়স্থান দখল কৰা শদিয়া দলটোৰ স্বপ্নালী মূড়াই প্লেয়াৰ অব দ্যা টুৰ্ণামেণ্ট আৰু নগাঁৱৰ প্ৰিয়ংকাই সৰ্ব্বোচ্চ গ'লদাতাৰ বঁটা লাভ কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি